মার্চ ২০০১ Rs. 10/-

চান্দমামা



OPPORTUNITY
KNOCKS ON YOUR DOOR

MAKE FRIENDS
AND LET THE NETWORK GROW





EARN
IN THE COMFORT OF YOUR HOME

You have been an avid reader of Chandamama, and here is a chance to associate yourself with the 54-year-old magazine and make money, too. Chandamama is appointing **SUBSCRIPTION AGENTS** throughout India. If you are above 18 years and love interacting with people, get in touch with us.

HURRY! GRAB THIS OPPORTUNITY!

CHANDAMAMA
INDIA LIMITED

82, Defence Officers' Colony,
Ekkatuthangal,
Chennai - 600 097.
Tele/fax : 234 7384 / 99
E-mail : subscription@chandamama.org

চান্দমামা

বৰ্ষ : ২৮ মাৰ্চ ২০০১ সংখ্যা - ৩

এই সংখ্যাত আছে

কাহিনী

যোগ্য দৰা (বেতাল কথা) পৃষ্ঠা ০৯
আত্ম প্ৰশংসা পৃষ্ঠা ২১
নম্ৰতা পৃষ্ঠা ২৬
ৰাজপথ পৃষ্ঠা ৪৩
বনৌষধিৰ ৰহস্য পৃষ্ঠা ৫৮
সম্পত্তিৰ ভাগ পৃষ্ঠা ৬৩
অস্পৃশ্য পৃষ্ঠা ৬৪

জ্ঞানপ্ৰদ ধাৰাবাহিক

যক্ষ পৰ্বত - ১ পৃষ্ঠা ১৫

পুৰণি ধাৰাবাহিক

মহাভাৰত- ৬০ পৃষ্ঠা ৪৭

ঐতিহাসিক ঘটনা

ভাৰত কথা পৃষ্ঠা ২২
কুৰি শতিকাৰ ভাৰত পৃষ্ঠা ২৭

চিত্ৰ কথা

পৰোপকাৰী সমীৰ পৃষ্ঠা ৫৪

বিশেষ আলোচনা

সংবাদ প্ৰবাহ পৃষ্ঠা ০৬
এই মাহত যাৰ জন্ম পৃষ্ঠা ১৪
ভাৰতৰ বিষয়ে জানি লোৱা পৃষ্ঠা ৬২
ফটো নামকৰণ প্ৰতিযোগিতা পৃষ্ঠা ৬৬

এই মাহৰ বিশেষ আকৰ্ষণ

যোগ্য দৰা (বেতাল কথা)

যক্ষ পৰ্বত

ভাৰত কথা

ৰাজপথ

Printed and Published by B. Viswanatha Reddi at B.N.K Press Pvt. Ltd., Chennai–600 026 on behalf of Chandamama India Limited, No.82, Defence Officers Colony, Ekattuthangal, Chennai - 600 097. Editor: Viswam

সৰ্বোত্তম
উপহাৰ

আপুনি আপোনাৰ প্ৰবাসী
আত্মীয় স্বজনৰ কাৰণে
ভাবিব পাৰে

চান্দমামা

**তেওঁলোকৰ ইচ্ছা অনুসৰি
যিকোনো এটা ভাষাৰ পত্ৰিকা
উপহাৰ দিয়ক**

অসমীয়া, বঙালী, ইংৰাজী, গুজৰাটী, হিন্দী, কানাড়ী
মালয়ালম, মাৰাঠী, উড়িয়া, সংস্কৃত তামিল আৰু তেলেগু

ঘৰৰ পৰা বহু দূৰত থকাজনকো ঘৰৰ স্নেহ
অনুভৱ কৰিবলৈ দিয়ক

বৰঙণি
বিমান ডাক যোগে পৃথিৱীৰ সকলো ঠাইতে
বাৰটা সংখ্যা ৯০০ টকা

সাধাৰণ ডাকত ভাৰতৰ ভিতৰত
বাৰটা সংখ্যা ১২০ টকা

গ্ৰাহকসকলে ডিমাণ্ড ড্ৰাফট্ বা মনি অৰ্ডাৰ
'চান্দমামা ইণ্ডিয়া লিমিটেড'ৰ নামত
পঠাব লাগিব পঠোৱাৰ ঠিকনা

SUBSCRIPTION DIVISION
CHANDAMAMA INDIA LIMITED
No. 82, Defence Officers Colony,
Ekkatuthangal, Chennai - 600 097.
E-mail : subscription@chandamama.org

সম্পাদক
বিশ্বম

**সকলোপ্ৰকাৰ যোগাযোগৰ
বাবে :
চান্দমামা পত্ৰিকা বিভাগ
নং ৮২, ডিফেন্স অফিচাৰ্চ্
কল'নী,
একাডুথাঙ্গল,
চেন্নাই - ৬০০ ০৯৭.
ফোন : ২৩৪ ৭৩৮৪/
২৩৪ ৭৩৯৯
ফেক্স : ২৩৪ ৭৩৮৪**
E-mail :
chandamama@vsnl.com

**For USA
Single copy $2
Annual
subscription $20**
***Intending
subscribers in the
USA and Canada can
mail their
remittances to :***
**INDIA ABROAD
43 West 24th Street
New York, NY 10010
Tel: (212) 929-1727
Fax (212) 627-9503
E-Mail : mail@indiaabroad.com**

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers; copying or adapting them in any manner/ medium will be dealt with according to law.

সংস্থাপক
বি.নাগি ৰেড্ডি আৰু চক্রপাণি

পঢ়িবলৈ ক’তনো সময়.....?

শিশুসকলৰ পঢ়াৰ অভ্যাসতো ক্রমে কমি আহিছে নে নাই এই বিতৰ্কৰ শেষ সিদ্ধান্ততো এতিয়াও শুনিবলৈ বাকী আছে। তিনি দশক আগতে মাক দেউতাকে টি ভিক দোষাৰোপ কৰিছিল; তেওঁলোকে কৈছিল শিশুসকলে টি ভিৰ কাষৰপৰা উঠি আহিবই নোখোজে। তেতিয়াহলে সিহঁতৰ পঢ়াৰ সময় ক’ত ?তেওঁলোকে সুধিছিল। মনত ৰখিব, ইয়াতে পঢ়া মানে পাঠ্য কিতাপৰ বাহিৰে অন্য কিতাপ পঢ়াৰ কথা কোৱা হৈছে। মাক দেউতাকসকলে পাহৰি গৈছে যে, ভাৰতত টিভি আবিৰ্ভাৱ হোৱাৰ দহ পোন্ধৰ বছৰলৈ ইয়াত এটা নতুনত্ব আছিল। তদুপৰি, অভিভাৱকে নিজেই যদি টিভি চোৱাৰ সময় উলিয়াব পাৰে, তেতিয়াহলে শিশুসকলৰ মনৰ জোখাই খে লা ধূলাৰ অন্যকোনো সুযোগ সুবিধা নিদিয়াকৈ কেনেকৈ সিহঁতক দোষাৰোপ কৰে ?

সত্তৰৰ দশকত চোভিয়েত ইউনিয়নত এটা সমীক্ষা চলোৱা হৈছিল, তাৰ ফলাফলো শিশুসকলৰ সপক্ষেই গৈছিল !সমীক্ষাটোত কোৱা হৈছিল, শিশুসকলে কিতাপৰ পৰা লাভ কৰা জ্ঞানতকৈ টিভিয়ে সিহঁতৰ মনত বেচি কৌতুহল জগাব পাৰে। সমীক্ষাটোৱে অভিভাৱক, লিখক আৰু প্ৰকাশসকলক এটা নতুন কথা বিদিত কৰালে।

শিশুসকলৰ মনবোৰ কিতাপৰ পাতৰ পৰা আতৰাই নিয়া বাবে, এতিয়া মাক দেউতাকবোৰে কম্পিউটাৰ, ইন্টাৰনেট্ আৰু অন্যান্য ইলেকট্ৰনিক মাধ্যমবোৰক দোষাবোপ কৰিবলৈ লৈছে। তেওঁলোকে অৱশ্যে পঢ়িব পাৰে, কিন্তু কম্পিউটাৰৰ পৰ্দাত যি ওলায় সেইবোৰহে। আকৌ সেই একেই প্রশ্নঃ তেওঁলোকৰ পঢ়াৰ সময় ক’ত ? দুই ধৰনৰ অভিমতে অভিভাৱক সকলক চিন্তিত কৰিব পাৰে। এক, ইন্টাৰনেটত কোতিয়াবা এনে ধৰণৰ তথ্য ওলাই যিবোৰ তেওঁলোকৰ ল’ৰা ছোৱালীয়ে জনাতো নিবিচাৰে। দুই, বহু সময় ধৰি কম্পিউটাৰৰ সম্মুখত থাকিলে ল’ৰা ছোৱালীবোৰৰ চকুৰ দৃষ্টি শক্তি কমিব পাৰে আৰু স্বাস্থ্যও নষ্ট হব পাৰে।

অলপতে ভাৰতৰ দুখন মহানগৰত হোৱা গ্রন্থমেলাত কিতাপৰ দোকানবোৰত ছাত্র ছাত্রীবোৰৰ খুব ভিৰ হৈছিল। এইটোৱে প্রমান কৰে ল’ৰা ছোৱালীবোৰৰ কিতাপৰ প্রতি আগ্রহ এতিয়াও কমা নাই।

কিতাপৰ মূল্য সদায় থাকিব -তাত কোনো সন্দেহ নাই।



সংবাদ প্ৰবাহ



১,০০০ বছৰৰ বিতৰ্ক

আচলতে এই বিতৰ্কতো এহেজাৰ বছৰ থকা নাছিল; মাত্ৰ এবছৰ হে আছিল । বিকৰ্কতো আছিল নতুন সহস্ৰ বৰ্ষক লৈ- এই তৃতীয় সহস্ৰ বৰ্ষটো ২০০০ চনত প্ৰথম জানুৱাৰীত নে ২০০১ চনৰ প্ৰথম জানুৱাৰীত আৰম্ভ হৈছিল । এই বিতৰ্কতো সমাপ্তিৰ ফালে আহিছিল তেতিয়াহে, যেতিয়া বিখ্যাত বিজ্ঞান ভিত্তিক গল্প লেখক আৰ্থাৰ চি. ক্লাৰ্কে কৈছিল, তৃতীয় সহস্ৰবৰ্ষটোৰ 'আচল আৰম্ভণি ০১/০১/০১ তাৰিখেহে! তেওঁৰ মতে যিসকলে ২০০০ চনৰ ১ জানুৱাৰীৰ দিন নতুন সহস্ৰবৰ্ষৰ আৰম্ভণি পালন কৰিছিল তেওঁলোক অলপ আগতীয়া আছিল! ১৯৯৯ চনৰ শেষৰ দিনটো আৰু ২০০০ চনৰ প্ৰথম দিনটো পালন কৰা লৈ এটা স্পষ্টীকৰণ দিবলৈ মিঃ ক্লাৰ্কৰ ওচৰলৈ অনুৰোধৰ ধল নামিছিল । আমি আশা কৰো ইয়াৰ পিছৰ সহস্ৰ বৰ্ষটো ২৯৯৯ চনৰ নে, অধিক শুদ্ধ ভাবে ৩০০০ চনৰ শেষৰ দিনা শেষ হব এই লৈ কোনো খেলি-মেলি নাথাকিব ।

অভিলেখৰ টোকা ৰখা কিতাপৰ বাবে

মৰক্কোত বাস কৰা এটা ১৩ বছৰীয়া ল'ৰাই ছয় দিনত ১,১০০ বাৰ হাঁচি মাৰিছিল-কেতিয়াবা এদিনত ২০০ বাৰ হাঁচিয়াইছিল । অভিলেখ সৃষ্টি কৰাৰ বাবে তেওঁ এইটো কৰা নাছিল, ডাক্তৰৰ হিচাপ মতে এইটো এটা বিৰল ঘটনা । ডাক্তৰসকলে তেওঁৰ হাঁচি বন্ধ কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিল, অৱশেষত টোপনি অহা ঔষধ দিহে কৃতকাৰ্য্য হৈছিল ।

এক সহস্ৰবৰ্ষৰ পৰা আন এক সহস্ৰবৰ্ষলৈ

২০০০ চনৰ শেষ মুহূৰ্ত্তটোত ১১ জন স্কাই ডাইভাৰে মালয়েচিয়াৰ ৰাজধানী কোৱালালামপুৰত থকা ৩৯০ মিটাৰ ওখ, পৃথিবীৰ ভিতৰতে উচ্চতম পেট্ৰোনাস টুইন টাৱাৰৰ পৰা জাঁপ মাৰিছিল । যেতিয়া তেওঁলোকে মাটি স্পৰ্শ কৰিছিল তেতিয়া ২০০১ চন হৈছিল! এই লোকসকল আমেৰিকা, জামনী, চুইডেন আৰু চৌদি আৰবৰ পৰা আহিছিল ।

সাঁতোৰৰ কৃতিত্ব

এইটো কেৰেলাত হোৱা ঘটনা । শ্যাম প্ৰবোধিনি নামৰ এজন ২১ বছৰীয়া ল'ৰাই ভৰি দুখন আৰু হাতদুখন বান্ধি লৈ পানীত জাঁপ মাৰি পৰিছিল । তাৰপাছত তেওঁ ১৯ মিনিটত ৩ কিঃমিঃ সাঁতুৰিছিল । যেতিয়া তেওঁ পানীৰ পৰা উঠি আহিছিল তেওঁৰ হাত আৰু ভৰি বন্ধা অৱস্থাতে আছিল । হাজাৰ হাজাৰ দৰ্শকে এই বীৰত্বপূৰ্ণ কামটো চাই আছিল আৰু শ্যাম যেতিয়া পাৰলৈ উঠি আহিছিল তেওঁলোকে আনন্দতে কিৰিলি পাৰি উঠিছিল ।

এক নেতিবাচক ভাৱমূৰ্ত্তি

আৰ্থাৰ ক্লাৰ্কে সহস্ৰবৰ্ষৰ সমস্যাটো সমাধান কৰিবলৈ এটা সাধাৰণ অঙ্কৰ সহায় লৈছিল। সম্ভবতঃ তোমালোকে তেওঁৰ পৰাহে গণিত শিকিবলৈ ইচ্ছা কৰিবা, তোমালোকৰ গণিতৰ শিক্ষকৰ পৰা নহয় । ইংলন্ডৰ এখন বিশ্ববিদ্যালয়ৰ লগত যুক্ত এদল গৱেষকে এক নতুন ধৰণৰ গৱেষনাৰ কথা ভাবিছিলঃ চেওঁলোকে অনুমান কৰিছিল সাধাৰণতে লৰা ছোৱালীবোৰে তেওঁলোকৰ গণিতৰ শিক্ষকক ভাল নাপায় । সেয়েহে ১২ আৰু ১৩ বছৰ বয়সৰ ৩০০ ছাত্ৰ ছাত্ৰীক তেওঁলোকৰ গণিতৰ শিক্ষকক কেনে দেখে সেই হিচাবে ছবি আকিবলৈ কৈছিল।

অলপ কেইজনমান বাহিৰে বাকীবোৰৰ ছবি সিমান ভাল ধৰণৰ নাছিল । তাৰ ভিতৰত কিছুমান ছবি আছিলঃ তপামূৰা, দাড়ীয়া, চছমা পিন্ধা, কুঞ্চিত কপালযুক্ত, চকু পোন্দোৰা আৰু এযোৰ ভয়লগা শিং থকা । কিছুমান ছাত্ৰ ছাত্ৰীয়ে এনেধৰণৰ মন্তব্য কৰিছিলঃ "গনিতজ্ঞসকলৰ কোনো বন্ধু নাই, তেওঁলোকৰ লগত গণিতজ্ঞসকুলৰ বাহিৰে" "তেওঁলোক খুব খঙাল", "তেওঁলোকৰ কোনো সামাজিক জীৱন নাই", "তেওঁলোকে বন্দুক দেখুৱাই ল'ৰা ছোৱালীবোৰক অঙ্ক কৰিবলৈ দিয়ে " ইত্যাদি, ইত্যাদি। গৱেষকসকলে শিক্ষকসকলৰ এক ইতিবাচক ভাৱমূৰ্ত্তি গঢ়াৰ চেষ্টা কৰিছে । গৱেষণাৰ বাবে লোৱা ছাত্ৰ-ছাত্ৰীসকল আছিল বৃটেন, চুইডেন, নৰওৱে, ফিনলেন্ড, জামনী, ৰোমানীয়া আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ।

কচ্ছৰ-ভূইকঁপ

২৬ জানুৱাৰী, প্ৰজাতন্ত্ৰ দিবসৰ অনুষ্ঠান সকলো দেখিবোৰ বাৰে গোটে দেশৰ সকলোৱে উদগ্ৰীব হৈ আছিল । প্ৰতিটি ৰাজ্য, শহৰ, নগৰ আৰু জিলাৰ প্ৰধান দপ্তৰৰ কেন্দ্ৰ বিলাক এই মহান দিনৰ বাবে প্ৰস্তুত হৈ উঠে । লাখ লাখ ভাৰত-বাসীয়ে সিঁহতৰ স্বদেশিকতা আৰু দেশ প্ৰীতিৰ বাবে গৰ্ব ও আনন্দ লৈ দেখি থাকে সেইবোৰ অনুষ্ঠান । এবছৰও সেই বোৰ হব লাগিয়া হৈছিল । একমাত্ৰ ব্যতিক্ৰম গুজৰাট ৰাজ্য-ঠিক এই সময় তোতে এমন এক ভয়াবহ দুৰ্যোগ আহি ধাক্কা মাৰিলে যি পাছৰ পাঁচ সহাস্ৰ বছৰৰ ইতিহাসত এনেকোৱা হোৱা নাই ।

অনুষ্ঠানৰ আগ মূহুৰ্ত্তত এক ভয়ঙ্কৰ ভূইকঁপে কাপুনি দিয়ে গুজৰাটত্, মূহুৰ্ত্তৰ মাজত ধ্বংস স্তপে পৰিণত হোল বেশ কিছুমান শহৰ, নগৰ আৰু মিলাই যায় সিঁহতৰ জনবৰ্সা[illegible] । এইতো লিখাখনি ছাপোৱাৰ আগতে সঠিক প্ৰাণহানিৰ সংখ্যা বোৰ জানিব নোৱাৰিলো । ঘৰ-বাড়ী যেনেকোৱা আকাৰ আৰু আয়তনৰ হোক, ভূইকঁপনিৰ কঁপনিয়ে তাচৰ ঘৰ্ৰ নিচিনা ভাঙ্গি পেলাই দিলে । লাখ লাখ মানুহে এতিয়া গৃহহীণ [illegible] আছে । হাজাৰ হাজাৰ মানুহ নিজে যি কিঁ ভাবে বাচি আছে কিবা কম আৰু বেশী জখম হে আছে সিঁহতৰে উদ্ধাৰ কৰা হৈছে । হাজাৰো মানুহৰ কোন খোঁজ নাই আৰু কিমান সহস্ৰ নিষ্পাপ শিশ[illegible] - ছোৱালী পিতৃমাতৃহীন হৈ আছে ।

বাতৰি মতে, বেশী ক্ষতিগ্ৰস্থ হৈছে ভূজ আৰু কচ্ছ জিলাৰ ওচৰৰ অঞ্চল যেনে, আঞ্জাৰ, ৰাপাৰ, বাছাউ নগৰ, আগৰ ৰাজধা[illegible] আহমেদাবাদ আৰু ওচৰ [illegible]া কিছুমান অঞ্চল । কোৱা হৈছে যি, ই ভূইকপনিৰ “এ[illegible]ন্টাৰ” আছিল কচ্ছৰ ৰাণ অঞ্চল, যি এটা বিশাল জলাশয় । কপনিৰ ঢো প্ৰবলতা আহিছিল কচ্ছৰ ৰানৰ দক্ষিণাঞ্চলৰ পৰা ।

খবৰতে জানিব পাৰা গৈছে, মহাতীৰ্থ দ্বাৰকাৰ মন্দিৰৰ ক্ষতি হৈছে বুলি । ভূজৰ ঐতিহাসিক জাদুঘৰ সম্পূৰ্ণ ধ্বংস হৈ গল আৰু বহুতো ঐতিহাসিক স্মৃতি স্তম্ভ ও দালান বোৰ এনেকোৱা মিলাই গল যিৱাৰ কোন অস্তিত্বও ৰাখি থোৱা নাই । যুদ্ধৰ নিচিনা গুজৰাটত উদ্ধাৰ কাম ছলিয়াছে আৰু লগে লগে পূণৰ্বাসন ব্যবস্থাও কাৰা হৈছে । ঔষধ পত্ৰ আৰু বেলেক প্ৰয়োজনীয় দ্ৰব্যসামগ্ৰী অৰ্থ ও আহিয়াছে সাহায্যৰ বাবে । হাজাৰ হাজাৰ স্বেচ্ছা সেবক সংস্থা আৰু ইচ্ছাকৰি সৈনিকদলে জাঁপ মাৰি পৰিছে সহযোগীতাৰ বাবে ।

প্ৰবল ঘূৰ্ণিবতাহ, ভয়ানক ধুমুহা আৰু ভূইকঁপনি মানুহৰ জীবনৰ বাবে একৌট চিন্তা ন কৰে। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ প্ৰয়োগ আমাক এইবিলাক প্ৰাকৃতিক দুৰ্যোগৰ বিৰুদ্ধত সতৰ্ক বাণী দিব পাৰে কিন্তু ভূইকঁপৰ সম্বন্ধে কোনও সতৰ্ক কৰিব নোৱাৰে । আৰু এই কাৰণে ইয়াৱ ক্ষতিৰ্ পৰিমাণতো বেশী ।

আহক, গোটে দেশ আৰু আমি এক হৈ হাতত হাত মিলাই সেই ৰাজ্যৰঅসহায় ভাই-বনিৰ প্ৰতি অতি সৰু বস্তুতোও দি সাহায্য কৰো । আমাৰ এই যথাসাধ্য সাহায্য প্ৰধানমন্ত্ৰীৰ জাতীয় তহবিলত (মাৰফতেঃ প্ৰধানমন্ত্ৰীৰ কাৰ্য্যালয়, নতুন দিল্লী-১১০০১১) আৰু লাগতে প্ৰধানমন্ত্ৰীৰ কাষতে থিয় হৈথাকো, এই জাতিয় দুৰ্যোগৰ পৰা মুক্তিৰ লাগি ।

- প্ৰকাশক

বেতাল কথা

যোগ্য দৰা

দৃঢ়প্ৰতিজ্ঞ ৰজা বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ গ'ল । গছৰ ডালৰপৰা মৰাশটো নমাই আনি কান্ধত পেলাই লৈ মৌন হৈ শ্মশানৰ ফালে গৈ থাকিল । তেতিয়া শটোৰ ভিতৰত থকা বেতালে মাত লগালে-" মহাৰাজ, এতিয়া মাজনিশা হৈছে, তাৰোপৰি এইখন শ্মশান । ইয়াত ভূত-প্ৰেতবোৰে বিচৰণ কৰি আছে । যিকোনো সময়তে তোমাৰ বিপদ হব পাৰে । আনকি তোমাৰ জীৱনৰো ভয় আছে । কিনো ইমান ডাঙৰ সমস্যা হৈছে, যাৰ সমাধানৰ উপায় বিচাৰি ইমান কষ্ট কৰিব ধৰিছা? শ্মশান এৰি যোৱাৰতো নামেই লোৱা নাই? কিন্তু এটা কথা মনোযোগেৰে শুনা । কিছুমান এনেকুৱা মানুহো আছে যিয়ে সাধাৰণ সমস্যা



এটাকো ডাঙৰ সমস্যা বুলি ধৰি লয় আৰু খুব উদ্বিগ্ন হয় । ইয়াৰ কাৰণ তেওঁৰ জ্ঞানহীনতা, কোনো ভবা-চিন্তা নকৰি মাথো শক্তিক্ষয় কৰে। কি, তুমি এনে ভুল কৰা নাইতো? এইটো মাত্ৰ মোৰ সন্দেহহে, কিন্তু যদি এইটো সঁচা হয়, তেতিয়াহলে মই তোমাক সাৱধান কৰি দিব খোজো । মই তোমাক এজন দুখীয়া মানুহৰ ছোৱালী মালতীৰ কথা কম, যি কোনো চিন্তা নকৰি নিজৰ ভাগ্য নিজে দলিয়াই দি নিজৰে সৰ্বনাশ কৰিছে । ভাগৰ দূৰ কৰিবলৈ এই কাহিনী শুনি গৈ থাকা । ইয়াকে কৈ মালতীৰ কাহিনী কবলৈ ধৰিলে ।

বিন্ধাচলৰ হাবিৰ ওচৰত এজন খৰিকটীয়া তেওঁৰ একমাত্ৰ ছোৱালীজনীৰে সৈতে বাস কৰিছিল । মালতী সৰু থাকোতেই তাইৰ মাক ঢুকাইছিল । খৰিকটীয়াই মালতীৰ বিবাহকলৈ খুব চিন্তিত হৈ আছিল ।

এবাৰ খৰিকটীয়াৰ বায়েকৰ খুব অসুখ হৈছিল । বায়েকৰ ঘৰ তেওঁলোক থকা ঠাইতকৈ বেচি দূৰত নাছিল । পিছদিনা খৰিকটীয়াই বায়েকৰ খবৰ লবলৈ ৰাতিপুৱাতেই ওলাই জীয়েক মালতীক কলে, " গাইজনীও পোৱালি দিবৰ সময় হৈছে, সেয়েহে তোক ইয়াত অকলে এৰি বাইদেউৰ খবৰ লবলৈ যাবলৈ ওলাইছো। যিকোনো প্ৰকাৰে মই ৰাতি উভতি আহিম ।

গাধুই উঠাৰ পাছত চুলি শুকাবলৈ মালতীয়ে ঘৰৰ বাহিৰত ইফালে সিফালে ঘূৰি আছিল । এনেতে আকাশ মেঘে ঢাকি ধৰিলে আৰু ঠান্ডা বতাহ বলিবলৈ ধৰিলে । তাই সুমধুৰ সুৰে গান গাই গাই ফুলৰ মালা গাঠি আছিল । গান শেষ হোৱাৰ লগে লগে মালা গাঠাও শেষ হ'ল আৰু যেতিয়া মালাডাল তাই বেণীত সজাই আছিল, তেতিয়া তাই এটা মাত শুনিবলৈ পালে- "তোমাৰ কন্ঠস্বৰ শুনি কুলি চৰাইও লাজ পাব। বাঃ কি সুমধুৰ মাত !" এই কথা শুনি তাই ভয় খাই উঠিল আৰু ভয়তে তাইৰ শৰীৰ কপিবলৈ ধৰিলে ।

তাই মখুখন ঘূৰাই পিছফালে চালে, সেই সময়তে যুৱক এজনে নিজৰ পৰিচয় দি কলে-" মোৰ নাম সাৰংগপাণি । সঙ্গীত মই খুব ভাল পাও । তোমাৰ সুমধুৰ সুৰ শুনি মই মুগ্ধ হৈ গৈছো । এইটো মই নিজৰ সৌভাগ্য বুলিয়ে ভাবিছো ।"

মালতীয়ে স্থিৰ কৰিব পৰা নাই তাই ইয়াৰ কি উত্তৰ দিব । ইতিমধ্যে মুসলধাৰে বৰষুণ পৰিবলৈ ধৰিলে । মালতীয়ে তৎক্ষণাত সেই যুৱকজনক কলে, "ইচ্, আপুনিতো গোটেই তিতি গল। ভিতৰলৈ আহক ।" তাই সেই অপৰিচিত যুৱকজনক ভিতৰলৈ আহিবলৈ আমন্ত্ৰন জনালে ।

সাৰংগপাণি দৌৰ মাৰি গৈ জুপুৰীৰ ভিতৰত সোমাল । চাফ-চিকুন পৰিপাতি ঘৰৰ ভিতৰখন

দেখি যুৱকে কলে, "অতি সুন্দৰ কুটীৰ । এই হাবিৰ মাজত অকলে থাকি তোমাৰ ভয় নালাগেনে?

"ইয়াতেই জন্ম হৈছো আৰু ইয়াতেই ডাঙৰ হৈছো । ভয় কিহৰ কাৰণে? মোৰ লগত মোৰ পিতাও ইয়াতে থাকে ।" কথা কৈ কৈ তাই ৰছিৰে তৈয়াৰী চাৰপাইখন পাৰি দিলে ।

এনেসময়য়ে ঘৰৰ বাহিৰত কাৰোবাৰ মাত শুনা গ'ল "ভিতৰত কোন আছে? বৰষুণ নকমিব যেন পাইছো । ভিতৰলৈ আহিব পাৰোনে?"

মালতীয়ে দুৱাৰখন খুলি দেখিবলৈ পালে বাহিৰত এজন কামদেৱৰ দৰে ধুনীয়া যুৱক থিয় হৈ আছে । তাই যুৱকজনক কলে-"আহক, ভিতৰলৈ আহক, গোটেই তিতি গ'ল ।"

হাবিৰ মাজত ইমান ধুনীয়া ছোৱালী দেখি তেওঁ আচৰিত হ'ল । তেওঁৰ আশ্চৰ্য্যৰ সীমা নোহোৱা হ'ল । তেওঁ সচকিত হৈ কলে "মোৰ নাম সুন্দৰকপিল । মই বন্ধু এজনৰ বিয়ালৈ আহিছিলো, বাটতে এই বৰষুনজাকে পালে ।" ভিতৰলৈ সোমাই আহি তেওঁ কলে ।

মালতীয়ে সাৰংগপাণিৰ ফালে আঙুলিয়াই কলে, "এখেতেও আপোনাৰ দৰে বৰষুণতে ইয়াত বৰ লগা হ'ল ।"ইয়াকে কৈ দুয়োজনকে পৰিচয় কৰাই দিলে ।

সেই সময়তে তৃতীয় যুৱক এজন ঘৰৰ ভিতৰলৈ সোমাই আহি কলে," অনুমতি নোলোৱাকৈয়ে ভিতৰলৈ সোমাই আহিলো । তাৰ বাবে ক্ষমা বিচাৰিছো ।" সেই যুৱকজনো বৰষুণত সম্পূৰ্ণ তিতি গৈছিল । মালতীয়ে তেওঁক দেখি কিবা কব বিচাৰিছিল, কিন্তু সেই সময়তে তৃতীয় যুৱকে কলে "মোৰ নাম ভীমশংকৰ । ব্যৱসায়ৰ কামত চহৰলৈ গৈ আছিলো । এই বৰষুণজাকৰ বাবে ইয়াত সোমাব লগা হ'ল ।

এই বৰষুণ কেতিয়া এৰিব তাৰ ঠিক নাই ?"

অলপ পিছতে বৰষুণ কমিল । তেতিয়া সাৰংগপাণি বাহিৰলৈ আহি মালতীক কলে "তোমাৰ মৃদু মধুৰ গীতৰ সুৰ এতিয়াও মোৰ কাণত বাজি আছে । তোমাক মোৰ খুব ভাল লাগিছে । কালিলৈ মই মোৰ দাদাক তোমাৰ পিতাৰ সৈতে কথা বতৰা হবলৈ পঠাম ।" লাহেকৈ ইয়াকে কৈ তেওঁ গুচি গ'ল ।

সুন্দৰ কপিলে যোৱাৰ আগতে মালতীলৈ চাই কলে-"তোমাৰ সৌন্দৰ্য্য অতুলনীয় । মোৰ বাবে মোৰ দৰে ধুনীয়া কইনা পাওনে নাপাও এইটো এটা সমস্যা হৈছিল । এতিয়া এই সমস্যাৰ সমাধান হৈ গ'ল । আমাৰ বিয়াৰ বিষয়ে আলোচনা কৰিবলৈ কালিলৈকে মই মোৰ পিতা মাতাক ইয়ালৈ পঠাই দিম ।"ৰহস্যজনক ভাবে তাইৰ কাণৰ কাষত ইয়াকে কৈ তাৰ পৰা গুচি গ'ল ।

ভীমশংকৰেও যোৱাৰ আগতে কৈ গ'ল-

"তোমাক মোৰ খুব ভাল লাগিছে । মই এজন ডাঙৰ ব্যৱসায়ী । লাখ লাখ টকাৰ বেপাৰ কৰো। মোৰ ব্যৱসায়ৰ কাম চোৰা-চিতাৰ বাবে মোৰ কিমান চাকৰ-বাকৰ আছে । কেতিয়াবা যদি ব্যৱসায়ৰ কাম কৰি আমনি লাগে তেতিয়া ইয়ালৈ আহি বিশ্ৰাম লম । তোমাৰ লগত অতি সুখৰ জীৱন কটাম । কালিয়েই মই মোৰ পিতা-মাতাক আমাৰ বিয়াৰ বিষয়ে আলোচনা কৰিবলৈ ইয়ালৈ পঠাই দিম ।" মালতীৰ ফালে এবাৰ দৃষ্টি নিক্ষেপ কৰি ভীমশংকৰো তাৰ পৰা গুচি গ'ল । সন্ধিয়া মালতীয়ে গৰুক দানা খুৱাই আছিল, সেই সময়তে মালতীৰ বাপেক ঘৰ আহি পাইছিল । তেতিয়া তাই সুধিলে-" জেঠীমা কেনে আছে?"

"বোধহয় বেচি দিন নাবাচিব । তেওঁৰ মনত এইটোৱে দুখ, তেওঁৰ একমাত্ৰ পুত্ৰৰ বিয়াখন চাই যাব নোৱাৰিব ।" পিতাকে মালতীক কলে।

মালতীয়ে কলে "এই কথা লৈ ইমান দুখ কৰাৰ কিহৰ আৱশ্যক? কোনো ভাল ছোৱালী এজনী চাই অতি সোনকালে পুতেকৰ বিয়াখন পাতিব পাৰে ।"

"মোৰ বাইদেৱে পুতেকৰ বিয়াৰ ক্ষেত্ৰত বহুত ভুল কৰিলে । তেওঁ ভাবিছিল বিয়াত বহুত যৌতুক পাব । কিন্তু এতিয়া তেওঁ সেই আশা এৰি দিছে । মইও তোৰ বিয়াখন তেওঁৰ পুতেকৰ লগত পতাৰ কথা সুধিবলৈ সাহস নকৰিলো, কাৰণ যৌতুক দিবপৰা অৱস্থা মোৰ নাই । এতিয়া তেওঁৱেই কলে যে এই বিয়াখন যদি হৈ যায় তেওঁ নিশ্চিন্তে চকু মুদিব পাৰে । মইও লগে লগে হব বুলি কলো । ৰমাপতিয়ে জানিব বিচাৰিছে তোৰ এই বিয়াত মত আছে নে নাই?" খৰিকটীয়াই জীয়েকক কলে ।

মালতীয়ে মিচিকিয়া হাঁহি মাৰি কলে "আজি ৰাতিপুৱা ইয়াত খুব ডাঙৰ বৰষুণ হৈছিল । বৰষুণত তিতি বুৰি আহি তিনিজন অতিথিয়ে আমাৰ ঘৰত আশ্ৰয় লৈছিল । তাৰ ভিতৰত এজন সঙ্গীত প্ৰেমী, এজন খুব ধুনীয়া যুৱক আৰু তৃতীয়জন এজন ব্যৱসায়ী । তেওঁলোকৰ প্ৰত্যেকে মোৰ লগত বিয়া হবলৈ ইচ্ছা প্ৰকাশ কৰিছে আৰু এই বিষয়ে আপোনাৰ লগত আলোচনা কৰিবলৈ অহা কালি নিজৰ নিজৰ মানুহ পঠাব।"

"এইটোহে কথা । তেওঁলোক পিনিওজনে নিশ্চয় ধনী মানুহ হব । তেতিয়াহলে ৰমাপতিৰ কথাটো এতিয়া এৰা । সেই তিনিজনৰ ভিতৰত কাক তোমাৰ যোগ্য দৰা বুলি ভাবা?" খৰিকটীয়াই জীয়েকক সুধিলে । অলপো পলম নকৰি মালতীয়ে পিতাকক কলে "মই ৰমাপতিৰ লগতে বিয়াত বহিম ।"

বেতালে এই কাহিনীটো শেষ কৰি ৰজাক সুধিলে " মহাৰাজ, এইটো স্পষ্ট যে নিজৰ বিয়াৰ ক্ষেত্ৰত মালতীয়ে ডাঙৰ ভুল কৰিছে । তেওঁলোক তিনিও ধনবান আৰু গুণবান । মালতীৰ উচিত আছিল সেই তিনিজনৰ ভিতৰত

কোনোবা এজনক পতি নির্বাচন কৰি তেওঁৰ লগত বিবাহ হোৱা । এনে কৰিলে তেওঁৰ জীৱনটো সুখত কটাব পৰিলেহেঁতেন । কিন্তু এইটো নকৰি মালতীয়ে পঢ়াশুনা নকৰা ৰমাপতিৰ লগতহে বিয়া হোৱাৰ ইচ্ছা প্ৰকাশ কৰিলে । জীৱনৰ লগৰি বিচৰাতো এটা ডাঙৰ সমস্যা, কাৰণ এইটো ভৱিষ্যত জীৱনৰ লগত জৰিত, কিন্তু এনেকুৱা এটা সমস্যাকে অতি সাধাৰণ ভাবে লৈ একো নভবা নিচিন্তাকৈ নিজৰ সিদ্ধান্তৰ কথা জনাই দিলে । নিজৰ ভাগ্যক নিজে থেলি পঠালে । নিজৰ সৰ্বনাশ নিজে মাতি আনিলে ।

মোৰ এই আশঙ্কাৰ কথা জানিও যদি তুমি মৌন হৈ থাকা তেতিয়াহলে তোমাৰ মূৰটো টুকুৰা-টুকুৰ হৈ যাব ।

ৰজা বিক্ৰমে কলে- কোনটো কঠিন সমস্যা কোনটো মেৰপকীয়া সমস্যা আৰু কোনটো সধাৰণ সমস্যা সেইটো নিৰ্ভৰ কৰে সেই ব্যক্তিসকলৰ নিজৰ নিজৰ মানসিক স্তৰ আৰু স্থিতিৰ ওপৰত । নিজৰ বিবেচনাৰ ওপৰত নিৰ্ভৰ কৰিহে সিদ্ধান্ত লোৱা হয় । পিতাকৰ প্ৰশ্নৰ উত্তৰ দিবলৈ মালতীয়ে কোনো দোধোৰ মোধোৰ কৰা নাই । তাই ৰমাপতিৰ লগত বিয়াত বহাৰ কথাতো মুহূৰ্ত্ততে জনাই দিলে । কাৰণ তেওঁৰ দৃষ্টিত সেইটো কোনো অসাধাৰণ সমস্যা নহয়, বৰং সাধাৰণ সমস্যাহে । ইয়াৰ অন্তৰালত এটা কাৰণ আছে । সেই তিনিজন যুৱকে তাইক বিয়া কৰাব বিচাৰিছিল, কিন্তু সেই তিনিজনৰ ভিতৰত কোনো এজনেও জানিব বিচৰা নাছিল তাইৰ ইচ্ছা কি, এই বিষয়ত তাইৰ প্ৰতিক্ৰিয়া কি । একমাত্ৰ ৰমাপতিয়েই বিয়াৰ ক্ষেত্ৰত তাইৰ মত বা ইচ্ছাৰ কথা জানিব বিচাৰিছিল । যি ব্যক্তিয়ে বিয়াৰ আগতে তেওঁৰ পত্নীৰ ইচ্ছা অনিচ্ছাৰ কথা জানিবলৈ অনুভৱৰ নকৰে বিয়াৰ পিছত বা আকৌ কি হয় কেনেকৈ জানিব । তেওঁক অৰ্দ্ধাঙ্গিনীৰ মৰ্য্যাদা নিদি সামান্য দাসী বুলিও ভাবিব পাৰে । সেয়েহে তুমি কোৱা কথাটো সম্পূৰ্ণ নিৰৰ্থক যে মালতীয়ে নিজৰ সৰ্বনাস নিজে মাতি আনিছে আৰু নিজৰ ভাগ্য নিজেই থেলি দিছে ।"

ৰজাৰ মৌনতা ভঙ্গ কৰাত সফল হৈ বেতালে মৰা শটোৰে সৈতে অদৃশ্য হৈ গ'ল আৰু গছৰ ডালত ওলমি থাকিল ।

বসুন্ধৰাৰ ৰচনাৰ ভিত্তিত

এই মাহত জন্ম হোৱা ব্যক্তি

ঘটনাস্থলঃ মাদ্রাজ, ১৯৩৩ । জামনীৰ পৰা অহা উৰজাহাজখনৰ পৰা লগত ডক্টৰেট ডিগ্ৰীলৈ এজন যুবক নামি আহিছে । তেওঁৰ আত্মীয় স্বজনসকলে উচ্চ শিক্ষাৰ বাবে তেওঁ বিদেশলৈ যোৱাত সহায় কৰিছিল । এতিয়া যদিও তেওঁ ভাৰতবৰ্ষ আহি পাইছে তাৰপৰা নিজৰ ঘৰলৈ যাবলৈ তেওঁৰ হাতত বেচি টকা নাছিল । হঠাতে তেওঁৰ মনত এটা বুধি খেলালে । তেওঁ "হিন্দু" কাকতৰ অফিচলৈ গৈ তাৰে সম্পাদকক সুধিলে - "যদি মই আপোনাক এটা প্ৰবন্ধ লিখি দিওঁ, তাৰ বাবে মোক মাননি দিব নে ? সম্পাদকে মাননি দিবলৈ সম্মত হোৱা তেওঁ ততালিকে এটা ৰাজনৈতিক প্ৰবন্ধ লিখি দিলে । তাৰপৰা পোৱা টকাৰে তেওঁৰ ঘৰলৈ যোৱা টিকট কটাত সহায় হৈছিল ।

সেই প্ৰতুৎপন্নমতিসম্পন্ন যুৱকজনেই আছিল ৰাম মনোহৰ লোহিয়া, যাক পিছলৈ সমাজবাদী, মানবতাবাদী, বুদ্ধিজীৱী আৰু ৰাজনীতিবিদ হিচাবে জনা গৈছিল ।

১৯১০ চনৰ ২৩ মাৰ্চত যুক্ত প্ৰদেশৰ আকবৰপুৰ গাঁৱত লোহিয়াৰ জন্ম হৈছিল । দহ বছৰ বয়সতে তেওঁৰ ৰাজনৈতিক জীৱন আৰম্ভ হৈছিল । তেওঁ বিদেশী বস্ত্ৰ বৰ্জন, খাদি বস্ত্ৰ পৰিধান, অসহযোগত অংশ গ্ৰহণ আদিৰ দৰে স্বদেশী আন্দোলনৰ লগত জৰিত আছিল । লোহিয়াই গান্ধীজীৰ সত্যাগ্ৰহ আন্দোলনতো অংশ গ্ৰহণ কৰিছিল । কিন্তু তেওঁ কেতিয়াও অন্ধ সমৰ্থত নাছিল ।

বেনাৰস হিন্দু বিশ্ববিদ্যালয়ত পঢ়ি থকা কালত তেওঁ এজন অতি মেধাৱী ছাত্ৰ আছিল আৰু এজন ভাল বক্তাও আছিল । ১৯২৯ চনত তেওঁ সৰ্দৌ ভাৰত ছাত্ৰ কংগ্ৰেছৰ সভাপতি আছিল ।

১৯৩৪ চনত লোহিয়াই ভাৰতী জাতীয় কংগ্ৰেছত যোগ দিছিল । ডেকা কংগ্ৰেছী সদস্য কিছুমানে যেতিয়া কংগ্ৰেছৰ পৰা ওলাই আহি কংগ্ৰছ চোচিয়েলিষ্ট পাৰ্টি গঠন কৰিছিল, লোহিয়াক তাৰে মুখপত্ৰ কংগ্ৰেছ চোচিয়েলিষ্ট'ৰ সম্পাদক নিযুক্ত কৰা হৈছিল ।

১৯৪২ চনত ভাৰত ত্যাগ আন্দোলনৰ ভৰপকৰ সময়ত লোহিয়াই প্ৰচাৰপত্ৰ, পুস্তিকা অদি গোপন প্ৰেছত ছাপা কৰাই আনিছিল । "কংগ্ৰেছ ৰেডিঅ'" নাম দি বোম্বাইত তেওঁ এটা গোপন অনাতাঁৰ কেন্দ্ৰ স্থাপন কৰি

ৰাম মনোহৰ লোহিয়া

তাৰপৰা মানুহবোৰে আন্দোলনত ভাগ লোৱাত উৎসাহিত কৰিছিল । বৃটিছে তেওঁক কৰাবাস দিছিল আৰু নিৰ্য্যাতন কৰিছিল । তথাপি তেওঁ নীভীক হৈ আছিল ।

আন্তৰ্জতিক ৰাজনৈতিক মহলতো লোহিয়াই প্ৰভাব বিস্তাৰ কৰিছিল । ১৯৫২ চনত প্ৰথম এচিয়ান চোচিয়েলিষ্ট কন্‌ফাৰেন্স পতাত তেওঁ সহায় কৰিছিল ।

একে চিন্তাধাৰাৰ নেতাসকলৰ লগত লগ হৈ তেওঁ ১৯৫৩ চনত প্ৰজা চোচিয়েলিষ্ট পাৰ্টি গঠন কৰিছিল । তেওঁ ভাৰতীয় ভাষাবোৰৰ উন্নতিৰ বাবে অশেষ চেষ্টা কৰিছিল আৰু জাতিহীন শ্ৰেণীহীন সমাজ এখনৰ কল্পনা কৰিছিল ।

তেওঁ উত্তৰ প্ৰদেশৰ ফাৰুকাবাদ সমষ্টিৰ পৰা ১৯৬৩ চনৰ উপ-নিৰ্বাচনত জয় লাভ কৰিছিল । সংসদত তেওঁ দৃঢ় প্ৰত্যয়ৰে তেওঁৰ মতামত দাঙি ধৰিছিল । ভাৰতৰ শ্ৰেষ্ঠ সংসদসকলৰ ভিতৰত লোহিয়াও এজন আছিল।

খাল খন্দা, বান্ধ তৈয়াৰ কৰা আদি জনসাধাৰণৰ গঠনমূলক কামত লোহিয়াও যুক্ত আছিল । ১৯৬৭ চনৰ ২ অক্টোবৰত তেওঁৰ মৃত্যু হৈছিল । "তেওঁতকৈ বেচি সাহসী আৰু বেচি সৰল ব্যক্তি আছে বুলি মই নাজানো । তেওঁ কেতিয়াও হিংসাক প্ৰশ্ৰয় নিদিছিল । তেওঁ যি কাম কৰিছিল সেয়ে তেওঁৰ মৰ্য্যাদা আৰু সন্মান বৃদ্ধি কৰিছিল।" ১৯৪০ চনত হৰিজন কাকতত এটা চৰকাৰ বিৰোধি প্ৰবন্ধ লিখা বাবে তেওঁক গ্ৰেপ্তাৰ কৰাৰ সময়ত গান্ধীজীয়ে এই কথাখিনি কৈছিল ।

যক্ষ পৰ্বত

প্ৰায় এশ বছৰ আগতে নৰ্মদা নদীৰ পাৰৰ হাবিত আদিবাসীসকলে বাস কৰিছিল । সেই জঙ্ঘলী জাতিবোৰৰ ভিতৰত গণ্ডক মৃগ জাতিৰ লোকো আছিল । তেওঁলোকে হাবিৰ মাজত বেলেগে গাওঁ পাতি আছিল। সেই গাওঁখনৰ নাম আছিল অৰণ্যপুৰ । তেওঁলোকে গণ্ডক মৃগ পালন কৰিছিল আৰু তাৰ দ্বাৰা খেতিৰ কামো কৰিছিল । তাৰ ওপৰত বহি যাত্ৰাও কৰিছিল । সেই কাৰণে সেই জাতিক গণ্ডক মৃগ জাতি বুলি কোৱা হৈছিল ।

এই জাতিৰ নতুন ৰজাজনৰ নাম হ'ল অৰণ্যমল । সেই জাতিৰে গণচাৰী নামৰ এজন ব্যক্তিয়ে ৰজাক পদচ্যুত কৰিবলৈ চেষ্টা কৰি আছিল । দুজন ক্ষত্ৰিয় যুৱকৰ সহায়ত অৰণ্যমলে গণচাৰীৰ ষড়যন্ত্ৰ ধৰা পেলালে আৰু তাক মাৰি পেলালে । তাৰ মৃত শৰীৰটো বাঘক খাবলৈ দিলে ।

অৰণ্যমলে সিংহাসনত উঠিবৰ এবছৰ পূৰ্ণ হ'ল । গণ্ডক জাতিৰ লোকসকলে সেইদিনা বাৰ্ষিক উৎসৱ পালন কৰিবলৈ আৱশ্যকীয় আয়োজন কৰিলে । এটা টিলাৰ ওপৰত সুসজ্জিত সিংহাসনত ৰজাক বহুৱাই লৈ তেওঁলোকে উৎসৱ পালন কৰিবলৈ ধৰিলে । ৰজা অৰণ্যমলৰ আনন্দৰ সীমা নোহোৱা হ'ল। ইমান আদৰ-সন্মান পাই তেওঁ মনে মনে গৰ্ব অনুভৱ কৰিলে ।

সেই সময়তে গণ্ডক মৃগ জাতিৰ দুজন যুৱক মৃগৰ ওপৰত উঠি খুব জোৰে তালৈ আহিল । মৃগৰ পৰা নামি তেওঁলোক অৰণ্যমলৰ ফালে আগবাঢ়ি গ'ল । ৰজা অৰণ্যমলৰ শিলামুখী নামৰ এজন মন্ত্ৰী আছিল । তেওঁ সেই যুৱকদুজনক ৰখাই কলে "কি পাহৰি গৈছা

নেকি ইয়াত মন্ত্রীও বহি আছে ? মোৰ অনুমতি নোলোৱাকৈ ৰজাক দেখা কৰিবলৈ বিচাৰিছা? কেতিয়াও সম্ভৱ নহব ।"

তেতিয়া এজন যুৱকে কলে "মহাশয়, পাহাৰৰ ওচৰত থকা আমাৰ জোৱাবৰ খেতিৰ মাজলৈ কিছুমান নতুন মানুহ আহি মাকৈবোৰ চিঙি লৈ যাব ধৰিছে । তেওঁলোকে যি জন্তুৰ ওপৰত উঠি আহিছে সেই জন্তু আমি আজিলৈকে দেখা নাই ।"

মন্ত্ৰী শিলামুখীয়ে সুধিলে "সেই নতুন জন্তুৰ প্ৰকৃতি কেনেকুৱা ? মানে জন্তুবোৰ দেখিবলৈ কেনেকুৱা ?"

"জন্তুবোৰ হাতীৰ দৰে ওখ । ঠেংবোৰ দেখিবলৈ বাঘৰ ঠেংৰ দৰে । বগলীৰ দৰে বেঁকা দীঘল ডিঙি ।"যুৱকজনে আচৰিত হৈ বৰ্ণনা দিলে ।

মন্ত্ৰীয়ে দুয়োজন যুৱকক ৰজাৰ ওচৰলৈ লৈ গ'ল আৰু নতুন জন্তুটোৰ বিষয়ে সম্পূৰ্ণ বিৱৰি কলে ।

"আমাৰ মানুহে পৰিশ্ৰম কৰি খেতি কৰিব আৰু এই চোৰহঁতৰ ইমান সাহস যে আমাৰ শস্যবোৰ চুৰি কৰি লৈ যাব । তোমালোকৰ উচিত আছিল সিহঁতক আক্ৰমণ কৰি তাৰপৰা খেদি পঠোৱা । তাকে নকৰি তোমালোকে সেই বিচিত্ৰ জন্তুটোকলৈ আশ্চৰ্য্য প্ৰকাশ কৰিবলৈ আহিছা ?" ৰজাই অসন্তুষ্ট হৈ কলে ।

ৰজা অৰণ্যমলে এইদৰে কোৱাৰ পিছত মন্ত্ৰীয়ে প্ৰজাসকলক সম্বোধি চিঞৰি কলে- "ৰাইজ, শুনক, এতিয়া এই উৎসৱ বন্ধ কৰক। চোৰবোৰে আমাৰ শস্যবোৰ চুৰি কৰি কাটি নিব ধৰিছে । সিহঁতক মাৰি আমি আমাৰ শস্য ৰক্ষা কৰিব লাগিব । এইটো আমাৰ প্ৰথম কৰ্ত্তব্য ।"

মন্ত্ৰীৰ কথা শুনি গন্ডক মৃগ জাতিৰ লোকসকল উত্তেজিত হৈ উঠিল । তেওঁলোকে যাঠি, তৰোৱাল আৰু ধনু-শৰ লৈ গন্ডক মৃগৰ ওপৰত উঠি ওলাই গ'ল । মন্ত্ৰী শিলামুখীও তেওঁলোকৰ লগতে গ'ল ।

তেওঁলোকে গৈ যেতিয়া খেতি পথাৰৰ ওচৰ পালে তাৰ দৃশ্য দেখি ভয় খাই গ'ল । তালৈ শস্য চুৰি কৰি নিবলৈ অহা মানুহৰ সংখ্যা হব প্ৰায় পাঁচিছ-ত্ৰিশজন । সিহঁতে মাকৈবোৰ চিঙি সেই আচৰিত জন্তুটোৰ ওপৰত থকা বস্তাত ভৰাই লব ধৰিছে ।

শস্য চুৰি কৰিবলৈ অহা মানুহবোৰেও দেখিলে গন্ডক মৃগ জাতিৰ লোকসকলে যাঠি,

তৰোৱাল, আৰু ধনু-শৰ লৈ আহিছে আৰু যি কোনো সময়তে সিহঁতক আক্ৰমণ কৰিব পাৰে । সিহঁতৰ মনতো ভয় হ'ল । এতিয়া দুয়োদলে মনে মনে ভয় খালে ।

শস্য চুৰি কৰিবলৈ অহা এজনে যাঠিএপাত দাঙিলৈ শত্ৰুৰ ফালে দেখুৱাই নিজৰ মানুহবোৰক কলে "চোৱা, সেইফালে চোৱা! সিহঁতে গণ্ডকৰ দৰে হিংস্ৰ জন্তুৰ ওপৰত উঠি যেনেদৰে নিৰ্ভয়ে আগবাঢ়ি আহিছে তেতিয়াহলে অনুমান কৰা সিহঁত কিমান সাহসী ! আমি সিহঁতৰ সন্মুখত তিষ্ঠিব পাৰিমতো ?"

সিহঁতৰ চৰ্দাৰজনে গণ্ডক মৃগ জাতিৰ মানুহবোৰলৈ ভালদৰে চালে । তেওঁৰ অনুমান হ'ল সিহঁতে শস্য চোৰৰ ওপৰত আক্ৰমণ কৰিবলৈ ইফাল-সিফাল কৰি চিন্তা কৰি আছে, মাথোঁ সাহস কৰিব পৰা নাই । তেওঁলোকৰ দোধোৰ-মোধোৰ অৱস্থা দেখি, সেই সুবিধাতে সিহঁতৰ চৰ্দাৰজনে অনুচৰসকলক কলে-"হে উষ্ট্ৰবীৰসকল, গণ্ডক মৃগ জাতিৰ লোকসকলে আমাক দেখি ভয় পাইছে । আমাৰ ওপৰত আক্ৰমণ কৰিবলৈ সংকোচ কৰিছে । তোমালোকে চাই লোৱা । এজনেও আগবাঢ়িবলৈ সাহস কৰা নাই । এয়েই ভাল সুযোগ । আগুৱি ধৰি সিহঁতক ছেদেলি-ভেদেলি কৰি দিয়া ।"

শিলামুখীয়ে আগবাঢ়ি গৈ শত্ৰুবোৰক দেখি হাৰ্ থৰ্‌কৈ কপিবলৈ ধৰিলে । তেওঁ লগৰীয়াসকলক কলে-"ইমান ওখ জন্তুৰ ওপৰত উঠি অহা সেই মানুহবোৰে আমাক

অতি সহজে মাৰি পেলাব । উলতি আহি দূৰত থকা গছৰ আঁৰত লুকাই থকা ।"

শিলামুখীয়ে নিজৰ গণ্ডক মৃগটো ঘূৰাই লালে, ইয়াৰ আগতে শত্ৰুবোৰে খুব বেগাই আহি তেওঁক আগুৰি ধৰিলে । শিলামুখীয়ে অতি সাহসোৰে সিহঁতৰ সন্মুখীন হ'ল আৰু জয় অৰণ্যমাতা বুলি চিঞৰি লগৰীয়াসকলক কলে "এই শত্ৰুবোৰক বাধা দিবলৈ আমাৰ সিমান লোক নাই, গতিকে অৰণ্যপুৰৰ ফালে দৌৰি পলোৱা ।" তেনেতে ওচৰৰে গছ এজোপাৰ ডালৰ পৰা এটা মাত শুনা গ'ল, "মহামন্ত্ৰী শিলামুখী, ভয় মাখাবা ! পলাই নাযাবা ! শত্ৰুসকল য'ত উঠি আহিছে, তাক উট বুলি কয় ! সেই জন্তুটোৰ বিষয়ে মই আগৰপৰাই জানো । কোনো ভয়ানক জন্তু নহয়। তুমি গণ্ডকটো ঘূৰাই লোৱা আৰু তোমাৰ

স্বৰ্ণাচাৰীয়ে ভয়তে কপিবলৈ ধৰিলে । সি গছৰ পৰা নামিবলৈ ধৰি কলে, "ভাই, মোক মাৰি পাপৰ ভাগি নহবা । সকলো শাস্ত্ৰতে কৈছে বস্তুবিদক মাৰিলে নৰকত বাস হয় ।"

চৰ্দাৰে অট্টহাঁহি মাৰি কবলৈ ধৰিলে "ইমান ডাঙৰ বাস্তুবিদ হলে তুমি চহৰত থাকিব লাগিছিল । এই গভীৰ অৰণ্যৰ মাজত ঘূৰি ফুৰাৰ আৱশ্যক কি ?"

"চৰ্দাৰ, গৃহ-নিৰ্মাণৰ কাম কৰি মোৰ পৰিয়ালক ভৰণ-পোষণ দিবলৈ নোযোৰে । তাৰোপৰি তেনে ধৰণৰ বেছি কামো নাপাও । যন্ত্ৰ নিৰ্মাণৰ কামো মই জানো । বিঘ্নেশ্বৰ পূজাৰীৰ সহায়ত মই এটা মায়াবী হাতী তৈয়াৰ কৰিছো । কিন্তু দুজন ক্ষত্ৰিয়ই মোৰ এই চেষ্টাও বিফল কৰি দিলে । তেওঁলোকৰ বাবে মোৰ কামতো বহুত হানি হৈছে । সেই বাবে মই পদ্মপুৰী এৰি এই অৰণ্যলৈ আহিছো । ইয়াৰ ওচৰৰে এটা জুপুৰীত সেই ক্ষত্ৰিয় যুৱক দুজন থাকে । তাৰ পৰা অলপ দূৰত মই আৰু বিঘ্নেশ্বৰ পূজাৰীয়ে এটা বাস্তুসন্মত ঘৰ সজাই তাতেই দুয়ো থাকো ।" স্বৰ্ণাচাৰীয়ে কলে ।

"সেই ক্ষত্ৰিয় যুৱক দুজনে তাতে থাকি কি কাম কৰে ? তেওঁলোকে তপস্যা কৰে নেকি ?" চৰ্দাৰে সুধিলে ।

"তেওঁলোকৰ তপস্যা কৰাৰ কিহৰ আৱশ্যক ? তেওঁলোক দুয়ো ক্ষত্ৰিয় বিদ্যাত সিদ্ধহস্ত । শিষ্টসকলক ৰক্ষা কৰা তেওঁলোকৰ দৈনিক কৰ্তব্য ।" স্বৰ্ণাচাৰীয়ে কলে ।

"গন্ডক মৃগ জাতিৰ লোকসকলৰ ফচল কাটি নিয়াতো বাৰু বেয়া কাম নেকি ?" চৰ্দাৰে

পিছে পিছে আহি থকা উটবোৰৰ মুখমুখি কৰি দিয়া । গন্ডকে শিঙেৰে খুচি সিহঁতক আহত কৰিব । গন্ডকৰ শিং বজ্ৰৰ দৰে খুব কঠিন ।"

শিলামুখীৰ এই কথা বুজাত বেচি সময় নালাগিল যে, যি মাত শুনিছে সেই মাত ক্ষত্ৰিয়সকলৰ ওচৰতে বাস কৰা স্বৰ্ণাচাৰীসকলৰ । কিন্তু শত্ৰুৰ লগত যুদ্ধ কৰাৰ সাহস তেওঁৰ নহল । তেওঁ অনুচৰসকলৰ লগত অৰণ্যপুৰৰ ফালে দৌৰি পলাই গ'ল ।

স্বৰ্ণাচাৰীৰ সাৱধানবাণী শস্য চোৰৰ চৰ্দাৰজনে শুনিলে । তেওঁ স্বৰ্ণাচাৰীজনে লুকাই থকা গছজোপাৰ ফালে গ'ল আৰু চিঞৰি কবলৈ ধৰিলে-"কোন তুমি ? আমাৰ শত্ৰুক পৰামৰ্শ দিব ধৰিছা ? তোমাৰ দেখিছো বৰ সাহস ।" ইয়াকে কৈ চৰ্দাৰজনে উটত উঠি যাঠি দাঙি ললে ।

ব্যঙ্গভাবে সুধিলে।

ইয়াৰ উত্তৰ দিবলৈ স্বৰ্ণাচাৰীয়ে কিছু চিন্তা কৰিলে আৰু কলে-"আপুনি বৰ জটিল প্ৰশ্ন সুধিছে। মই চিন্তা কৰি ঠিক কৰিব পৰা নাই ইয়াৰ কি উত্তৰ দিও।"

"তেতিয়াহলে আমাক সেই ক্ষত্ৰিয় দুজনৰ থকা ঠাইলৈ লৈ বলা।" চৰ্দাৰে আদেশ দিলে।

স্বৰ্ণাচাৰীয়ে অনুমান কৰিলে চৰ্দাৰে সেই ক্ষত্ৰিয় যুৱক দুজনক বধ কৰিব বিচাৰিছে, কিন্তু উপায়হীন হৈ তেওঁলোক থকা ঘৰৰ ফালে আগবাঢ়ি গ'ল। তেওঁলোক থকা জুপুৰীটো পোৱাৰ আগতে স্বৰ্ণাচাৰীয়ে ভাবিলে তেওঁলোকক সাৱধান কৰি দিয়াতো ভাল হব যাতে তেওঁলোক সতৰ্ক হৈ যায় আৰু আত্মৰক্ষা কৰিব পাৰে। সেয়েহে স্বৰ্ণাচাৰীয়ে চৰ্দাৰক কলে-"ডাঙৰীয়া, আপুনি ইয়াতে ৰখক, মই চাই আহো তেওঁলোক ঘৰত আছে নে নাই!"

চৰ্দাৰে হাঁহিমাৰি কলে-"তুমি দেখিছো খুব বুধিয়ক। তোমাৰ এই চালাকি ইয়াত নচলিব। সিন্ধুৰ ৰেগিস্তান পাৰ হৈ মই এই পৰ্বতীয়া ঠাই আহি পাইছো। মোৰ এই ভ্ৰমণ কালত তোমাৰ দৰে বহুতো লোকক ল'গ পাইছো। তোমাৰ কথা বিশ্বাস কৰি ইয়াতে ৰৈ থাকিবলৈ মই কোনো মূৰ্খ নহয়।"

দুয়ো গৈ জুপুৰীটোৰ ওচৰ পালে। বাঁহেৰে তৈয়াৰ কৰা দুৱাৰ বন্ধ আছিল। চাৰ্দাৰে দুৱাৰ খুলি ভিতৰত সোমাল। ভিতৰত তেওঁলোকে দেখিলে বাঘ, ভালুক আদি জন্তুৰ ছাল বেৰত ওলোমাই থোৱা আছে। বেৰৰ এটা কোণত ধনু-শৰ ৰাখি থোৱাও দেখিলে।



চৰ্দাৰে অনুচৰসকলক তাত থকা সকলো বস্তু লগত লবলৈ আদেশ দিলে। বাহিৰলৈ আহি তেওঁ স্বৰ্ণাচাৰীক উটৰ ওপৰত উঠিবলৈ কলে।

স্বৰ্ণাচাৰীয়ে বুজিব পাৰিলে তেওঁৰ জীৱন বিপদাপন্ন। চৰ্দাৰে তেওঁক জোৰ কৰি উটৰ ওপৰত তুলি ললে। তেতিয়া স্বৰ্ণাচাৰীয়ে খুব জোৰে জোৰে চিঞৰিবলৈ ধৰিলে-"মোক বচোৱা, মোক বচোৱা।"

বিঘ্নেশ্বৰ পূজাৰীৰ সেই চিঞৰ শুনি সন্দেহ হ'ল, স্বৰ্ণচাৰীৰ দৰে এজন বুদ্ধিমান লোকে আত্মাৰক্ষাৰ বাবে চিঞৰিবনে? পিছত ভাবিলে তেওঁ নিশ্চয় কিবা ডাঙৰ বিপদত পৰিছে। মই গৈ তেওঁক ৰক্ষা কৰিব লাগিব। ইয়াকে ভাবি তেওঁ ক্ষত্ৰিয় যুৱক দুজন থকা জুপুৰীটোৰ ফালে আগবাঢ়ি গ'ল। তেওঁ তাত গৈ দেখিলে স্বৰ্ণাচাৰীয়ে উটৰ ওপৰত উঠি

আছে আৰু চৰ্দাৰজনে তেওঁক যাঠি দেখুৱাই ভয় খুৱাই আছে ।

বিঘ্নেশ্বৰ পূজাৰীৰ মূৰত তৎক্ষণাত এটা বুদ্ধি খেলালে । জুপুৰীত বাস কৰা ক্ষত্ৰিয় যুৱক দুজনে সৰুৰে পৰা এটা সিংহৰ পোৱালি পুহিছিল । তেওঁলোকে তাৰ নাম ৰাখিছিল পৰশুৰাম ।

যুৱক দুজনৰ লগতে স্বৰ্ণাচাৰী আৰু বিঘ্নেশ্বৰ পূজাৰীকো সিংহটোৱে চিনি পাইছিল । যেতিয়া ক্ষত্ৰিয় যুৱক দুজন ঘৰত থাকে সিংহটোৱে স্বচ্ছন্দে চাৰিওফালে ঘূৰি ফুৰে । যেতিয়া তেওঁলোক ঘৰত নাথাকে সিংহটোক ঘৰৰ কাষতে কাঠেৰে সজা এটা পিঁজৰাত তাক বন্ধকৰি থৈ যায় ।

বিঘ্নেশ্বৰ পূজাৰীয়ে ভাবিলে এতিয়া যদি সিংহটোক মুকলি কৰি দিও সিয়ে স্বৰ্ণাচাৰীক বচাব পাৰিব আৰু চৰ্দাৰহতক খেদি পঠাব । স্বৰ্ণাচাৰীৰ চিঞৰ শুনি সি ক্ৰোধিত হৈ চাৰ্দাৰহতৰ ওপৰত জাপিয়াই পৰিব । স্বৰ্ণাচাৰী আৰু মোক যিহেতু চিনি পায় আমাক অনিষ্ট নকৰিব । পূজাৰীয়ে দৌৰি গৈ সিংহটোক পিঁজৰাৰ পৰা মুকলি কৰি দিলে ।

সিংহটোৱে বাহিৰলৈ আহি গোজাৰি উঠিল। বাহিৰলৈ আহিয়ে সি উট দেখিবলৈ পালে । তাৰপাছত সি বিঘ্নেশ্বৰ পূজাৰীৰ ফালে চাবলৈ ধৰিলে ।

বিঘ্নশ্বৰ পূজৰীয়ে সেই সুবিধাটোৱে চাই আছিল । এতিয়া তাৰে সুযোগ লৈ তেওঁ অলপো পলম নকৰি চিঁ চিঁ বজায় সিংহটোক উত্তেজিত কৰি দিলে, যাতে সি চৰ্দাৰহঁতৰ ওপৰত আক্ৰমণ কৰে । স্বৰ্ণাচাৰীয়ে সেই দৃশ্য দেখি জানি বুজিয়ে জোৰে জোৰে চিঞৰি কবলৈ ধৰিলে, "পৰশুৰাম ! পৰশুৰাম !! মোক ৰক্ষা কৰা ।"

সিংহটোৱে স্বৰ্ণাচাৰীক চিনিব পাৰিলে। সি পিছ ঠেঙত ভৰ দি থিয় হৈ কেশৰবোৰ এবাৰ জোকাৰি ললে । ভয়ঙ্কৰ এটা গোজৰণি মাৰি উটৰ ফালে বায়ুবেগে খেদি গ'ল । সিংহটো দেখি উটবোৰে ভয়তে ইফালে-সিফালে দৌৰিবলৈ ধৰিলে । সিংহৰ গোজাৰণি শুনি সিহঁতৰ চূৰ্ত্তি হেৰাল। চৰ্দাৰৰ এজন অনুচৰ উটৰ পিঠিৰ পৰা বাগৰি পৰিল। সিংহটোৱে জাপ মাৰি তাৰ গলত কামুৰি ধৰিলে ।

(আগলৈ)

আত্ম প্ৰশংসা

এদিন দুপৰীয়া অনন্তই তেওঁৰ পত্নী আৰু জীয়েক মীনাক্ষীৰে সৈতে ভোজন কৰিবলৈ সাজু হৈছিল । এনে সময়তে দুৱাৰমুখত কাৰোবাৰ মাত শুনা গ'ল-"এই ভোকাতুৰ সন্ন্যাসীক খাবলৈ দিয়া, পূণ্য হব ।"

সন্ন্যাসীয়ে খং কৰি কিবা শাপ দিব বুলি অনন্তৰ মনত ভয় আছিল । আনফালে সন্ন্যাসীৰ প্ৰতি তেওঁৰ শ্ৰদ্ধাও আছিল । তেওঁ ওলাই আহি সন্ন্যাসীক ভিতৰলৈ মাতি লৈ গ'ল । তেওঁ নিজৰ লগতে সন্ন্যাসীকো খাবলৈ দিলে । খোৱাৰ সময়ত সন্ন্যাসীয়ে অনন্তক কলে-"তুমি পূৰ্ব জন্মত বিদৰ্ভৰ ৰজা অমৰ সিংহৰ মন্ত্ৰী আছিলা । ৰজা আৰু প্ৰজা সকলোৱে তোমাৰ তীক্ষ্ণ বুদ্ধিৰ প্ৰশংসা কৰিছিল ।"

সন্ন্যাসীৰ কথা শুনি অনন্তৰ মনত খুব আনন্দ লাগিল, সেয়েহে জীয়েক মীনাক্ষীক সন্ন্যাসীৰ পাতত আৰু অলপ ঘিউ দিবলৈ কলে । ইয়াৰ পাছত তেওঁৰ জীয়েক পূৰ্ব জন্মত কোন আছিল সেইটো কবলৈ সন্ন্যাসীক অনুৰোধ কৰিলে ।

সন্ন্যাসীয়ে চকুমুদি ধ্যান কৰাৰ ভাও ধৰিলে, যেন তেওঁ মীনাক্ষীৰ পূৰ্ব জন্মৰ কথা জানিবলৈ ধ্যানত মগ্ন হৈছে । অলপ পাছত চকুমেলি কলে-"অদ্ভুত! অতি অদ্ভুত!!তোমাৰ ছোৱালী পূৰ্ব জন্মত ৰজা অমৰ সিংহৰ ৰাণী আছিল ।"

অনন্তই জীয়েকক কলে-"সন্ন্যাসীৰ পাতত আৰু অলপ ঘিউ ঢালি দিয়া ।"পুনৰ তেওঁ সুধিলে,"বাবা, এইটো কওকচোন, অমৰ সিংহ এতিয়া ক'ত আছে আৰু কি কৰি আছে?"

সন্ন্যাসীয়ে অনন্ত আৰু তেওঁৰ পত্নীৰ ফালে চাই হাঁহিমাৰি কলে-"এই জন্মত অমৰ সিংহ ময়েই ।"

এই কথা শুনি অনন্তই খঙতে বেৰৰ কাষত থোৱা লাঠিডাল লৈ সন্ন্যাসীক মাৰিবলৈ খেদি গ'ল। সন্ন্যাসীয়ে খাবলৈ এৰি পাতৰ পৰা উঠি এই বুলি কৈ দৌৰিবলৈ ধৰিলে- "এইটো সত্য, কলিযুগত আচল কথা কলে মাৰ যাব লাগিব ।"



এক মহান সভ্যতাত এভূমুকি
যুগে যুগে সত্যৰ বাবে গৌৰৱময় অনুসন্ধান

১২. ধ্রুব চৰিত্ৰ

সেইটো আছিল ডিচেম্বৰ মাহ। ৰাতিপুৱা ঠাণ্ডা বতাহ বলি আছিল । অধ্যাপক দেৱনাথে এখন এৰিয়া চাদৰ উৰি বাহিৰলৈ আহি দেখে সন্দীপ আৰু চামেলি আৰু এজন ল'ৰা লগত লৈ তেওঁৰ ফালে আহি আছে । ওচৰ আহি পোৱাত সন্দীপে কলে "ককাদেউতা, আমাৰ লগত আৰু এজন নতুন শ্ৰোতা আহিছে । এওঁ চিমলাত থাকে । স্কুল চুটী থকা বাবে ইয়াতে থকা মোমায়েকৰ ঘৰলৈ আহিছে।"

" তুমিতো তোমাৰ নতুন বন্ধুৰ নামেই কোৱা নাই ।" দেৱনাথে কলে । তেতিয়া সন্দীপে কলে "এওঁৰ নাম ধ্রুব ।"

" অতি উত্তম নাম । নামটো শুনিয়েই মোৰ বহুত ভাল লাগিছে। কিন্তু এটা কথা মনত ৰাখিবা, এনেকুৱা নামধাৰী ব্যক্তিসকলে অতি দায়িত্বশীল ভাবে কাম কৰিব লাগিব ।" দেৱনাথে কলে ।

"দায়িত্বশীল ভাবে কাম কৰিব লাগিব? এনেকৈ কিয় কলে ককা?" সন্দীপে সুধিলে।

" তুমি ধ্রুবৰ কাহিনী নাজানা?" দেৱনাথে সুধিলে ।

" ধ্রুবৰ নাম শুনিছো, কিন্তু তেওঁৰ কাহিনী নাজানো । সন্দীপে কলে ।

চামেলিয়ে কলে-" মই ধ্রুবৰ কাহিনী জানো ককা।"

ককা দেৱনাথে ধ্রুবৰ ফালে ঘূৰি তেওঁক সুধিলে-"তুমি এই কাহিনীটো জানানে?"

"ধ্রুব এজন ৰাজকুমাৰ আছিল । সতীয়া মাকে তেওঁক অপমান কৰিছিল, সেয়েহে তেওঁ অৰণ্যলৈ ঢ়চি গৈছিল । তাত তেওঁ তপস্যা কৰিছিল আৰু পিছত ধ্রুব নক্ষত্ৰ হৈছিল ।" ধ্রুবই কলে ।

"তুমি ঠিকেই কৈছা। কিন্তু তুমি জানানে আমি তেওঁৰ কাহিনীৰ পৰা কি শিকিব পাৰো?" দেৱনাথে সুধিলে ।

তিনিওজনে, ইজনে সিজনৰ ফালে চোৱাচুই কৰিবলৈ ধৰিলে । চামেলিয়ে নিজৰ ভায়েকৰ ফালে চাই কলে-" ধৰিলোৱা আমাৰ এজনী সতীয়া মা আছে আৰু তেওঁ তোমাক অপমান কৰিলে । তুমি অৰণ্যৰ মাজলৈ গৈ তপস্যা কৰিলা । তুমিও নক্ষত্ৰ হৈ যাবা । কিন্তু সেইটো আকাশৰ নক্ষত্ৰ নহয়, মুম্বাইলৈ গৈ চিনেমাৰ নক্ষত্ৰহে হব পাৰিবা ।" তাইৰ কথাত দুষ্টালি ভাব আছিল। সকলোৱে খিলখিলাই হাঁহিবলৈ ধৰিলে ।

কথা

"ককাদেউতা! আপুনি জানেইতো হাঁহি হ'ল এটা গুণকাৰী ঔষধ, টনিকৰ দৰে। মই সেই ঔষধে আপোনাক দিছো। কিন্তু মই দাম নোলোৱাকৈ ঔষধ দিয়া ডাক্তৰ নহয়। মোক ঔষধৰ দাম লাগিবই। আপুনি আমাক ধ্রুৱৰ কাহিনী কব লাগিব আৰু সেইটোৱে হব মোৰ ঔষধৰ দাম।" চামেলিয়ে কলে।

"এই কাহিনীতো সকলোৱে জানে। তুমিওতো কৈছিলা মইও জানো বুলি।" দেৱনাথে কলে।

"কথাখিনি জানো। কিন্তু ইয়াৰ ভিতৰত নিহিত অৰ্থ আৰু কাহিনীৰ পৰা জানিব লগা গূঢ়াৰ্থ আমাৰ কোনেও নাজানে।" চামেলিয়ে কলে।

"আচ্ছা, তেতিয়াহলে মই তোমালোকক এই কাহিনী কম। মনোযোগ দি শুনিবা।" ককা দেৱনাথে চকীত বহিলৈ কাহিনী কবলৈ আৰম্ভ কৰিলে।

উত্তানপাদ নামৰ এজন ৰজাৰ সুনীতি আৰু সুৰুচি নামৰ দুজনী ৰাণী আছিল। সুনীতি গুণৱতী, ধুনীয়া আৰু নম্র স্বভাৱৰ আছিল। কিন্তু সুৰুচিৰ সিৰাই সিৰাই এক অহঙ্কাৰ ভাব আছিল। ৰজাই কেতিয়াও তেওঁৰ কথা পেলাব নোৱাৰিছিল। সুৰুচিয়ে যি কৈছিল ৰজাই তাকে মানিছিল।

এদিন ৰজা আৰু সুৰুচিয়ে কিবা কথা পাতি আছিল। সেই সময়ত পাঁচ-ছয় বছৰৰ দুটি ল'ৰা ধ্রুৱ আৰু উত্তমে খেলি আছিল। ধ্রুৱ আছিল সুনীতিৰ পুত্র আৰু উত্তম আছিল সুৰুচিৰ। কিছু সময় পিছত উত্তম গৈ পোনে পোনে বাপেকৰ এখন উৰুত গৈ বহিল। ধ্রুৱইও উত্তমৰ পিছে পিছে গৈ বাপেকৰ আনখন উৰুত বহিবলৈ চেষ্টা কৰিলে। কিন্তু ৰজাৰ ওচৰতে বহি থকা সুৰুচিয়ে ধমক দি কলে" ৰবা, কিয় বহিছা। বাপেকৰ কোলাত বহাৰ অধিকাৰ কেৱল মোৰ পুত্রৰ হে আছে। তুমি বহিব খোজাতো তোমাৰ মুৰ্খামীহে। পিতাৰ কোলাত বহিবলৈ যদি তোমাৰ ইমানেই ইচ্ছা, তেতিয়াহলে মোৰ উদৰত জন্ম লব লাগিছিল। অইনৰ উদৰত জন্ম লোৱা বাবে তুমি এই সৌভাগ্যৰ পৰা বঞ্চিত হৈছা।"

সুৰুচিৰ তাচ্ছিল্যপূৰ্ণ কথাই ধ্রুৱৰ অন্তৰত বেজীৰ দৰে বিন্ধিলে। তেওঁ পিতাক আৰু সতীয়া মাকৰ ফালে এবাৰ চাই তাৰপৰা দুখ মনে গুচি গ'ল। ধ্রুৱই দুখতে কান্দি কান্দি গৈ মাকৰ ওচৰ পালে। মাকে তেওঁক মৰম কৰি কোলাত তুলি ললে আৰু কিয় কান্দিছে সুধিলে। ধ্রুৱই সতীয়া মাকৰ ব্যৱহাৰৰ বিষয়ে গোটেইখিনি কথা মাকক কলে। ইয়াৰ পিছতো ধ্রুৱই সতীয়া মাকৰ অপমানৰ কথা মনত কৰি কান্দিয়ে থাকিল।

ধ্রুৱৰ কথা শুনি সুনীতিৰো চকুপানী ওলাল। তথাপি তেওঁ পুতেকক বুজাই কলে-" বাচা, মানুহৰ বাবে পিতা বা ৰজাৰ আদৰেই যথেষ্ট নহয়। মানুহৰ আৱশ্যাক সকলোৰে পিতা-মাতা তথা ভগবানৰ আশীৰ্বাদ। ভগবানৰ কোলেই হ'ল একমাত্র সুৰক্ষিত স্থান। যদি তুমি এবাৰ গৈ সেই ঠাই পাব পাৰা, তেতিয়া তোমাক কোনেও অনাদৰ কৰিব নোৱাৰিব।

এনে দুঃসাহস কৰা জনৰো ঘোৰ অপমান হব । সেই উন্নত স্থানৰ পৰা তোমাক কোনেও পেলাই দিব নোৱাৰিব । সেইটোৱে একমাত্ৰ স্থান, যি শ্বাস্বত, সুৰক্ষিত আৰু অতি উত্তম । ভগবানৰ কৰুণা আৰু প্ৰেমৰ আগত আন সকলো নগন্য । যদি তুমি ভগবানক লাভ কৰিব পাৰা তেতিয়া তোমাক কোনোও অপমান কৰিব নোৱাৰিব ।

ধ্ৰুৱই মাকৰ কথা অতি মনোযোগেৰে শুনিলে। তেওঁ চকুপানী মচি লৈ কিছু সময় মনে মনে থাকিল। তাৰপাছত থিয় হৈ কলে-" মা মই ভগবানৰ কৰুণা পাব বিচাৰো । মই ভগবানক তপস্যা কৰিবলৈ এতিয়াই অৰণ্যৰ মাজলৈ যাম । মোক আশীৰ্বাদ দিয়ক ।"

মাক সুনীতিয়ে ধ্ৰুৱক বহুতো বুজালে যে তেওঁৰ এতিয়াও তপস্যা কৰা বয়স হোৱা নাই । কিন্তু ধ্ৰুৱই কোনো কথা নামানিলে । তেওঁ নিজৰ সিদ্ধান্তত অটল হৈ থাকিল । শেষত মাকে উপায় নাপায় ধ্ৰুৱক আশীৰ্বাদ দি বিদায় দিলে ।

মনত গভীৰ বিশ্বাস লৈ ধ্ৰুৱ অৰণ্যলৈ গ'ল । একাগ্ৰচিত্তে তেওঁ তপস্যা কৰিবলৈ ধৰিলে । বনৰ মাজত হিংস্ৰ জন্তুবোৰ দেখিও তেওঁৰ মনত ভয় নালাগিল । গৰম, শীত, বিজুলী, বৰষুণ একোৱে তেওঁক তলাব নোৱাৰিলে । তেওঁৰ মনৰ একাগ্ৰতাত কোনেও বাধা দিব নোৱাৰিলে । তেওঁৰ তপস্যাত সন্তুষ্ট হৈ অৱশেষত বিষ্ণু আহি নিজেই দেখা দিলে। তেওঁ ধ্ৰুৱক এই বুলি বৰ দিলে, সম্পূৰ্ণ জীৱন কটোৱাৰ পিছত তেওঁ আকাশত ধ্ৰুৱ তৰা হৈ জিলিকি থাকিব ।

আজিও আমি উত্তৰ দিশত ধ্ৰুৱ তৰা দেখিবলৈ পাও । এজন মহান ভক্তই তপস্যাৰ বলত আজিও নক্ষত্ৰৰ ৰূপত জিলিকি আছে । এদিন তেওঁ যি স্থানত উঠিব খুজিছিল সেই ইচ্ছা তেওঁৰ পুৰণ নহল। সতীয়া মাকে তেওঁৰ ইচ্ছা পুৰণত বাধা দিছিল । কিন্তু তেওঁ আজি ইমান ওখ ঠাইত আছে, তেওঁক কোনেও নমাই আনিব নোৱাৰিব । এই সংসাৰৰ পথ প্ৰদৰ্শক নক্ষত্ৰ হৈ তেওঁ আকাশত জিকমিকাই আছে ।" ইয়াকে কৈ দেৱনাথে কাহিনী সমাপ্ত কৰিলে ।

"সেই ঠাইত বহি যদি আমি সংসাৰৰ ফালে দৃষ্টি দিও তেতিয়াহলে সেই ঠাই অতি বিচিত্ৰ লাগিব নহয় ককা? মানুহৰ সুখ দুখ, মোহ-মায়া একোৱেই স্পৰ্শ কৰিব নোৱাৰিব নহয় ককা?" চামেলিয়ে হাঁহি হাঁহি সুধিলে ।

"তাৰপৰা সংসাৰখন কেনে দেখি নাজানো । কিন্তু বৰ পোৱাৰ পাছত ধ্ৰুৱৰ কি হ'ল সেইটো জানানে?" দেৱনাথে সুধিলে ।

"আৰু কি হব? ধ্ৰুব তৰা হ'ল ।" ধ্ৰুহই কলে।

"নহয়, বিষ্ণুৰ আদেশ মতে তেওঁ স্বদেশলৈ উলতি আহিল । কিছুদিন পিছত তেওঁ ৰজা হ'ল । বৃদ্ধাৱস্থাত উত্তানপাদ ৰজাই গৃহস্থাশ্ৰম ত্যাগ কৰি বানপ্ৰস্থী হৈ বনৰ মাজলৈ গ'ল । যক্ষসকলে ধ্ৰুৱৰ ভায়েক উত্তমক মাৰি পেলাইছিল । ধ্ৰুৱ অকলে গৈ সিহঁতক পৰাস্ত কৰিছিল । যক্ষৰ ৰজা কুবেৰে তেওঁৰ লগত মিত্ৰতা কৰি তেওঁক বৰ দিলে । এই সকলোবোৰ ঘটনাই বাৰু কি বুজাইছে?" দেবনাথে প্ৰশ্ন কৰিলে ।

তেওঁলোকে একো নমতা দেখি দেৱনাথে কলে-" ভগবানৰ দৰ্শন লাভ কৰি তেওঁৰ পৰা বৰ পোৱাৰ পিছতো মানুহৰ উচিত তেওঁ নিজৰ কৰ্ত্তব্য সুচাৰুৰূপে পালন কৰা । তেওঁ উদাসীন হোৱাতো উচিত নহয় । মানুহে অহংকাৰতে নিজৰ সীমা আতিক্ৰম কৰি নীচ কাম কৰিবলৈ ধৰে । তাৰ পৰাই পতন আৰম্ভ হয় । কিন্তু জ্ঞানীলোকক অহংকাৰে স্পৰ্শ কৰিব নোৱাৰে , তেওঁ নিজৰ সীমা অতিক্ৰম নকৰে, তেওঁ নিজৰ কৰ্ত্তব্য নিষ্ঠাৰে পালন কৰি জীৱন সাৰ্থক কৰে । সেই মানুহেই সংসাৰত আদৰ্শ স্থাপিত কৰে ।"

"ধ্ৰুৱও এনেধৰণৰ এজন আদৰ্শ ব্যক্তি । ভগবানৰ দৰ্শন লাভ কৰাৰ পিছতো তেওঁ ৰজা হৈ নিজৰ কৰ্ত্তব্য পালন কৰিলে । তেওঁ সদায় সত্য পথত আছিল । এই কাহিনীটোত আৰু পাও ভগবানৰ করুণা লাভ কৰি, দিব্য শক্তি গ্ৰহণ কৰাই জীৱনৰ পৰমাৰ্থ । উত্তানপাদে যেনেদৰে ধ্ৰুৱৰ আশা ভঙ্গ কৰিছে, ঠিক তেনেদৰে বহুতো মানুহ আছে যিয়ে অইনৰ আশা ভঙ্গ কৰি ভাল পায় । মানুহৰ এই প্ৰবৃত্তি পাশৱিক, আৰু ই সদায় নিন্দনীয় । এইটো সত্য ভগবানৰ ওপৰত যাব অটল বিশ্বাশ আছে, তাক ভগবানে নিৰাশ নকৰে ।" দেৱনাথে এই কথাখিনি বৰ্ণনা কৰিলে ।

" ককা, মৃত্যুৰ পিছত ধ্ৰুৱ সঁচাকৈয়ে নক্ষত্ৰ হৈছে নেকি?" সন্দীপে সুধিলে ।

" মই ভাবো ই এটা প্ৰতীক মাত্ৰ । দ্বিতীয়তে, ধ্ৰুৱ তৰা হ'ল স্থিৰতাৰ চিহ্ন । মানুহে বিষয় বাসনাৰ প্ৰতি আকৰ্ষিত হৈ হিংসা, ঘৃণা, ঈৰ্ষা আদি তামসিক গুণৰ বশ হৈ মানুহে সৰ্বনাশ মাতি আনে । আমাৰ উচিত, দিব্য পথ আৰু দিব্য শক্তিৰ ফালে আমি মনোযোগ দিয়া আৰু গুণবান হোৱা । ধ্ৰুৱ নক্ষত্ৰয়ো আমাক সেইটোকে কয় ।" দেৱনাথে কলে ।

" বহুত ধন্যবাদ ককা! আপুনি এই কাহিনীত নিহিত অৰ্থ বুজাই দি আমাক সত্য পথত থাকিবলৈ প্ৰেৰণা দিলে ।" ধ্ৰুৱই কলে ।

ধ্ৰুৱৰ কাহিনী অতি প্ৰাচীন । ভাগবানৰ সৈতে মানুহৰ যি সম্বন্ধ এয়েই সত্য । একাগ্ৰতাৰে লাগি থাকিলে ফল লাভ কৰিব পাৰি, এইটোয়ে ধ্ৰুৱৰ কাহিনীত আমি পাও । ভাৰতীয় তত্ত্ব চিন্তা মতে ভগবান সৰ্বব্যাপী অন্য এজন ৰাজকুমাৰৰ কাহিনীত এই সত্যতা পাও । মই কাৰ কথা কৈছো তোমালোকে বুজিব পাৰিছা নে? তোমালোকে কব পৰিবা নে?" দেৱনাথে সুধিলে ।

" আপুনি প্ৰহ্লাদৰ কথা কৈছে, নহয় নে?" সন্দীপে কলে ।

" ঠিক কৈছা, প্ৰহ্লাদেই এই সত্যতা প্ৰমাণ কৰিছে ভগবান সৰ্বব্যাপী । তেওঁ নিৰ্জীৱ স্তম্ভৰ ভিতৰতো থাকে । দৈত্যৰাজ হিৰণকশ্যাপে এই কথাতো মানি লোৱা নাছিল । কিন্তু ভগবানে নৰসিংহ ৰূপ ধৰি স্তম্ভৰ ভিতৰৰ পৰা ওলাই আহি প্ৰহ্লাদৰ কথাৰ সত্যতা প্ৰমাণ কৰিছিল ।" অধ্যাপক দেৱনাথে কলে ।

(ক্ৰমশঃ)

নম্ৰতা

গাঁওত থকা ধনী মানুহসকলৰ ভিতৰত কিশোৰো এজন আছিল । তেওঁৰ এজন মালীৰ আৱশ্যক হৈছিল । তেওঁৰ বন্ধু শিৱক তেওঁ এই কথাতো কলে । শিৱই গঙ্গা আৰু মঙ্গা নামৰ দুজন মানুহ পঠাই কৈ পঠালে তেওঁলোকৰ ভিতৰৰ যিকোনো এজনক পছন্দ কৰি কামত লগাব পাৰে ।

কিশোৰে দুয়োকে ৰাতিপুৱা বাগিচালৈ লৈ গৈ কলে- "তোমালোকে সন্ধিয়ালৈকে কাম কৰা । তাৰ পিছত মই সিদ্ধান্ত লম তোমালোকৰ কোনজনক মই কামত ৰাখিম ।" এইবুলি কৈ কিশোৰ তাৰ পৰা গুচি গ'ল ।

দুপৰীয়া খুব ৰদ দিছিল । সেই সময়ত কিশোৰ বাগিচালৈ আহিল । মালিকক দেখি গঙ্গাই দৌৰি গৈ এখন চকী লৈ আহিল । পানীও খাবলৈ দিলে, লগতে ভৰিদুখনো মালিচ কৰিবলৈ ধৰিলে । কিশোৰে গঙ্গাক কলে, "চোৱা, মঙ্গাই এতিয়াও কাম কৰি আছে । তেওঁ এইটোও খবৰ ৰখা নাই মই ইয়ালৈ ইমান ৰ'দত আহিছো । অনুমান হয় তেওঁ খুব অহঙ্কাৰী । এনে লোকক কামত ৰখা উচিত নহয় । তেওঁৰ মনত নামমত্ৰও নম্ৰতা নাই ।"

পিছত কিশোৰে মঙ্গাক ওচৰলৈ মাতি আনি কলে, "মই এই প্ৰখৰ ৰ'দত ইয়ালৈ আহি ইমান সময় যে বহিলো মোক দেখা নাই নেকি? তুমি তোমাৰ কামত ইমান ব্যস্ত আছা যে মোৰ ফালে চোৱাই নাই । মালিকৰ লগত এনে আচৰণ কৰে নেকি?"

মঙ্গাই হাত দুখন মোহাৰি কলে- " ক্ষমা কৰিব মালিক । কামত ব্যস্ত আছিলো, সেয়েহে আপোনাক অহা দেখাই নাই ।

কিশোৰে তেওঁলোক দুয়োকে আৰু কিছু কাম কৰিবলৈ দি তাৰপৰা গুচি গ'ল । পিছদিনা তেওঁ দুয়োকে মাতি আনি নিজৰ সিদ্ধান্তৰ কথা কলে "মঙ্গাই মালীৰ কাম কৰিব ।" তেতিয়া গঙ্গাই দুখেৰে কলে "চা'ব, কালি যেতিয়া আপুনি আহিছিল মই আপোনাৰ সেৱা কৰিছিলো । কিন্তু আপুনি মোক কামটো নিদি মঙ্গাক গিলে । আপুনিয়েই কালি কৈছিল, সি অহঙ্কাৰী, মালিকক আদৰ কৰিবও নাজানে । অথচ তেওঁকে কামটো দিলে, আপোনাৰ এইটো ঠিক হৈছেনে? আপুনি মোক অন্যায় কৰা নাইনে?" কিশোৰে গঙ্গাৰ ফালে চাই কলে, "তুমি ঠিকমতে কাম কৰা নাই । কামৰ পৰা আতৰি থকা তোমাৰ প্ৰবৃত্তি । তুমি কাম চোৰ । মঙ্গাই মোৰ সেৱা নকৰিলে কি হ'ল? তেওঁ নিজৰ কাম ঠিকমতে কৰে । কাম কৰিয়ে তেওঁ আনন্দ পায় । যি নিজৰ কাম ঠিকমতে কৰে তেওঁৱে আচল কৰ্মী । মোৰ মতে নিজৰ মালিকক দেখুৱাৰ লগা আচল নম্ৰতা এইটো হে । এতিয়া তুমি নিশ্চয় বুজিব পাৰিছা মই এই কামৰ বাবে মঙ্গাক কিয় লৈছো ।



চানদমামাৰ বিশেষ আকৰ্ষণ

কুৰি শতিকাৰ ভাৰত

৩. চুবুৰীয়া ৰাষ্ট্ৰৰ সৈতে যুদ্ধ আৰুতিবেশীৰ লগত যুদ্ধ আৰু শান্তি (১৯৫১-১৯৭৬)

স্বতন্ত্ৰ ভাৰতৰ প্ৰথম মন্ত্ৰীমন্ডল গোটে বিশ্বত যুদ্ধ তথা দেশ বিভাগলৈ চলি অহা আৰ্থিক স্থিতি সমাধানক মহত্ত্ব দি আছিল । যোজনা আয়োগ ১৯৫১ ইং জুলাই মাহত প্ৰথম যোজনা ঘোষণা কৰে । এই যোজনাৰ উদ্দেশ্য আছিল ৰাষ্ট্ৰীয় সম্পত্তি বৃদ্ধি, থকা খোৱা আৰু কাম-কাজ বৃদ্ধি কৰা । খেতি-মাটি ও প্ৰাথমিকতা দিৱা হৈছিল । যোজনা আয়োগৰ নেতৃত্ব প্ৰধানমন্ত্ৰী জওহৰলাল নেহৰুয়ে অধ্যক্ষৰ পদ তথা প্ৰঃ পী,সি, মহালানোৱিচে কৃতিত্বৰ সহিত পালন কৰিছিল ।

ভাৰত আৰু পাকিস্থানে যেতিয়া কাশ্মীৰ যুদ্ধ সমাপ্ত ঘোষণা কৰে, ৰাজৱাড়ে এস্টেট্ এতিয়াও দুখীয়া হৈ আছে । ৰাষ্ট্ৰীয় কংগ্ৰেসৰ বৈঠকত এক বেলেক সংবিধানৰ দাবী কৰা হৈছিল। বিট্ৰেন আৰু য়ু,এচ,এ, পৰামৰ্শ দিয়ে যি লয়হোৱা এস্টেটলৈ ভাৰত এটা সংগঠিত ৰাষ্ট্ৰ হব পাৰে । ভাৰতৰ চিন্তা আছিল, ৰষ্ট্ৰ সংঘ ইয়াৰ বিৰুদ্ধে হব পাৰে আৰু পাকিস্থান নিজৰ সৈন্যদল কাশ্মীৰৰ কেন্দ্ৰশাসিত ৰাজ্যৰ পৰা যেয়ে ফিৰাই লৈ যায় । কাশ্মীৰৰ মহাৰজা নিৰ্ব্বাচন ঘোষনা কৰিলে ভাৰত মাত্ৰ ৭৫ তো স্থানলৈ সংসদ গঠণ কৰিবলৈ মত প্ৰদান কৰে গোটে প্ৰাৰ্থীক ৰাষ্ট্ৰীয় সংঘ দ্বাৰা পৰিচিতি দি,পদপ্ৰাৰ্থিত্ব দিৱা হৈছিল ।

৩১ অক্টোবৰ ১৯৫১ চনত ইয়াৰ প্ৰথম বৈঠকত সংসদে যথাৰীতি এস্টেট-ক লয় হোৱা বুলি অনুমোদন দিলে ।

প্ৰথম সাধাৰণ নিৰ্বাচনৰ ফলে ৰাষ্ট্ৰ ৬ মাহ ধৰি ব্যস্ত আছিল । নিৰ্বাচন প্ৰস্তুতি অকটোবৰ ১৯৫১ ইং আৰম্ভ হৈ ১৯৫২ ইং ফেব্ৰুৱাৰী মাহত যাই শেষ হোল । লোকসভাৰ ৪৮৯ চিটৰ কাৰণে নিৰ্ব্বচনৰ লগতে ২২ তো ৰাজ্য আৰু ৩৮২৩ বিধানসভাৰ কাৰণে । প্ৰায় ৭৫ দলৰ ১৩০০০ প্ৰাৰ্থী নিৰ্ব্বাচনৰ বাবে নিৰ্ব্বাচিত হৈছিল । ৬০০০ হাজাৰৰ বেশীৰে নিৰ্দ্দল প্ৰাৰ্থী আছিল। কংগ্ৰেস ৩৬৩ তো স্থান পাই বিজয়ী হল । কমিউনিস্ট পাৰ্টি বেলেক দলৰ লগত জুট বান্ধি ৪১ তো স্থান পাই এটা মজবুত বিৰুদ্ধ দল গঠন কৰিলে । জওহৰ লাল নেহৰুক প্ৰধান মন্ত্ৰী বনুৱা হল ।

ভাষাৰ ভিত্তিকলৈ ৰাজ্যৰ দাবী

৬ ই মে ডাঃ ৰাজেন্দ্ৰ প্ৰচাদ ৰাষ্ট্ৰপতি আৰু ডাঃ ৰাধাকৃষ্ণণক উপ ৰাষ্ট্ৰপতি ৰূপে লৈ সংসদ গঠন কৰা হয় । জি,বি, মাওলাংকৰক প্ৰথম লোকসভা বক্তা বনুৱা হোল । আগতে কিন্তু ২৩ শে মাৰ্চ ২১৬ জানি সংসদ লৈ ৰাজ্য সভা গঠণ কৰা হয় । কংগেসে ১৮ ৰাজ্যলৈ নিজৰ মন্ত্ৰি মন্ডল স্থাপিত কৰে । চন ১৯৫২, নতুন ৰাজনৈতিক দল গঠন কৰাৰ কথা আছিল ।



ডাঃ ৰাজেন্দ্ৰ প্ৰচাদ

জয় প্ৰকাশ নাৰায়নৰ নেতৃত্বত সমাজবাদী পাৰ্টি গঠন হয় । যিয়ে ভাৰ[illegible] ৰাজনীতিত গান্ধীনীতি সমৰ্থন কৰি পাচমোহৰীত এটা বৈঠক কৰে যিৱাৰ ফলে কামকৰা প্ৰজাদলৰ লগত সিঁহতৰ কাষতা আগ ৱাঢ়িল । চেপ্টেম্বৰ মাহত সেই দুই দলে মিলি এটা সমাজবাদী দল গঠন কৰে।

জয় প্ৰকাশ নাৰায়ন

বুম্বাইৰ জে,বি,কৃপালিনীক ইয়াৰ অধ্যক্ষতাৰ বাবে নিৰ্ব্বাচিত কৰা হৈছিল । জয় প্ৰকাশ নাৰাআৰু অশোক মেহতা ইয়াৰ সমৰ্থক নেতা আছিল ।

প্ৰথমবাৰ ৰাজৱাড়া ৰাজ্যৰ জন সাধাৰণে ভাষাৰ ভিত্তিলৈ বেলেক ৰাজ্য গঠন দাবী কৰিলে । পট্টী শ্ৰীৰামুলু তেতিয়াই বেলেক অন্ধ্ৰপ্ৰদেশৰ দাবী জনাই অনশন ধৰ্মঘঠ আৰম্ভ কৰিলে । ডিচেম্বৰ মাহত তেওঁৰ মৃত্যুৰ পিছত চৰকাৰ ৰাজৱাড়া ৰাজ্যক মাদ্ৰাজৰ পৰা ১১এতা জিলালৈ ১৯৫৩ চনত অন্ধ্ৰপ্ৰদেশক বেলেক ৰাজ্যৰ ঘোষণা কৰিদিলে আৰু তেওঁৰ ৰাজধানী কপূল কৰা হোল । ১৯৫৩ চনত যেতিয়া গোটে ৰাজ্যক পূনৰ সংগঠণ কৰা হব লগিয়া হৈছিল তেতিয়া হায়দ্ৰাবাদৰ ৯ জিলা লগতলৈ অন্ধ্ৰপ্ৰদেশ বনুৱা হল আৰু ৰাজধানী হোল হায়দ্ৰাবাদ।

১৯৫৩ চনত কাশ্মীৰৰ ৰাজনীতি এক নতুন ৰূপ ধাৰণ কৰি মে মাহত গঠিত ৰাষ্ট্ৰীয় কংগ্ৰেসৰ বৈঠকত প্ৰধানমন্ত্ৰী শেখ আব্দুল্লাৰ নীতি আট সদস্যৰ পৰা সাত জনে অস্বীকাৰ কৰিলে । তেওঁলোকক পাকিস্থানৰ লগত কোন গোপনীয় সূত্ৰত দোষীবুলি পোৱা গৈছিল । ৰাজ্য পাল চদৰ-ই-বিয়াচত তেওঁ লোকক বৰখাস্ত কৰি বক্সী গোলাম মোহম্মদ-ক প্ৰধানমন্ত্ৰী ৰূপে নিযুক্তি দিলে । শেখক ৰাজদ্ৰোহী ৰূপে গেপ্তাৰ কৰা হোল ।



শেখ আব্দুল্লা

দুই দেশৰ জ্ঞান বুদ্ধিৰ পৰিচয় পাই ভাৰত চীন সম্বন্ধ গঢ়ি উঠিল । আৰু সাংস্কৃতিক আদান-প্ৰদান, যুদ্ধ বিৰাম, খেতি-মাটি-ও শান্তিবজায় ৰাখিবলৈ এখন সন্ধিপত্ৰ লিখৱা

হোল । যিয়াক আমি পঞ্চশীল বলি জানু । জওহৰলাল নেহৰু আৰু চীনৰ প্ৰধানমন্ত্ৰী চাউ-এন-লুই-১৯৫৪ চনত ২৮ জুন এই সন্ধি প্ৰত্ৰত সহি কৰিছিলে । অক্টোবৰ মাহত নেহৰুৱে চীন যাত্ৰা কৰিলে । ১৯৫৪ চনত ৮নবেম্বৰ যেতিয়া ফ্ৰান্স পণ্ডিচেৰী, মাহে, কাৰেক্কাল আৰু য়মনত যুদ্ধ বিৰাম কৰি দিয়ে তেতিয়া সিহঁতক মিলাই কেন্দ্ৰ শাসিত ৰাজ্য পণ্ডিচেৰী বনাইদিয়া হল । কিন্তু পৰিপূৰ্ণ ৰূপে প্ৰদান কৰা হল যেতিয়া ১৯৫৬ চনত ২৮ মে ভাৰত আৰু ফ্ৰান্স এটা সন্ধিপত্ৰত চহি কৰে ।

- ১৯৫১ চনত ১১ ই মে ৰাষ্ট্ৰপতি বাবু ৰাজেন্দ্ৰপ্ৰচাদ নব-নিৰ্মিত সোমনাথ মন্দিৰ বানাৰচত উদ্ঘাটন কৰে।
- প্ৰথম এচিয়ান খেলা খন ১৯৫১ চনত ৮ই মাৰ্চ দিল্লীত হৈছিল । ১১ দেশৰ প্ৰায় ৪৯০ জনি খেলুৱে অংশ গ্ৰহণ কৰিছিল। এই খেলখনত জাপান প্ৰথম আৰু ভাৰত দ্বিতীয় স্থানাধিকাৰী আছিল ।
- প্ৰথম সৰ্বেক্ষণ সমিতি স্বতন্ত্ৰ ভাৰতৰ ১৯৫১ চনত ৭২০ ভাষা চলিত ভাষাৰূপে উল্লেখ হয় ।

পৃথিবীৰ অন্যান্য ঠাইত .....

- মানুহৰ দ্বাৰা বিজয়ী আকাশত পঠোৱা উপগ্ৰহ ১৯৫৭ চনত ৪ ই আক্টোবৰ ৰাশিয়ায় “ স্পূটনিকল বনাইছিল । যি পৃথিবীৰ বায়ুমন্ডলৰ আগ বাঢ়ি আছে । ৩ য় নবেম্বৰ স্পুট নিক -২, এটা কুকুৰ যাত্ৰী লায়কা ক লৈ অন্তৰীক্ষত যাত্ৰা কৰিছিল য়ু,এচ,এ বেঙ্গুৱাৰ্ড নামৰ এটা ৰকেট উৰাইছিল যি বতাসত বিস্ফোৰিত হৈছিল । আৰম্ভন্দিতে অসফলতা পালে কিহব-, য়ু,এচ,এ,গ্ৰহ পথৰ উপৰত এক্সপ্লোৰৰ-১ সেই বছৰত পাঠিয়াইছিল ।

- ১৯৫১ চনত - “ ডেনিচ্ দি ম্যান্স ” নামৰ প্ৰসিদ্ধ কমিক চৰিত্ৰ প্ৰথম বাৰৰ মতে য়ু,এচ-ৰ খবৰৰ কাগজতে উলিৱাই ছিল ।
- ১৯৫৪ চনত ৬ ই মে, প্ৰথমবাৰ অক্সফোৰ্ড ইউনিভাৰচিটিৰ এজন ছাত্ৰ ৰেজৰ বেনিস্টৰ এক মাইল দৌৰিছিল মাত্ৰ ৩,৫৯,৪ মিনিটত ।
- ১৯৫৫ চনত ১৮ ই জুলাই য়ু,এচ,এ,লৈ, নম্বুৰদীপাল মুখ্যমন্ত্ৰী হৈছিল ।
- ১৯৫৫ চনত ২৩ আগস্ট গীনিচ বুক অৱাৰ্ল্ড ৰেকৰ্ডৰ প্ৰথম সংস্কৰণ লন্ডনত প্ৰকাশিত কৰা হয় ।

সমাজৰ সামাজিক পদ্ধতি -

১৯৫৫ চনত জানুৱাৰী মাহত মাদ্ৰাজৰ এটা সৰু স্থান আবাডীত ৬০ তম কংগ্ৰেস অধিবেসণত সমাজবাদী নীতিৰ ঘোষণা কৰা হয় । ফেব্ৰুৱাৰী মাহৰ নিৰ্বাচনী সময়ত অন্ধ্ৰপ্ৰেদেশলৈ যাত্ৰা কৰি থকা জওহৰলাল নেহৰুৱে গোটে দেশত সমাজবাদ স্থাপন কৰিবলৈ বিছাৰিলে ।

ভাৰত পৃথিবীৰ দ্বিতীয় শক্তিশালী দেশ চোভিয়েত যুক্ত সংঘৰ লগত এখন সন্ধিপত্ৰত চাহি কৰি এটা সহায়নীয় ভাব প্ৰদৰ্শণ কৰিছিলে । আৰু তেওঁৰ নিমন্ত্ৰণ গহণ কৰি প্ৰধান মন্ত্ৰীয়ে ১৯৫৫ চনত জুন মাহত চশ যাত্ৰা কৰে । এই যাত্ৰা ১৫ দিনৰ অধিক সময়লৈ আছিল । ২২ জুন এই ঘোষণা কৰা হয় যি এই দুই দেশ পঞ্চশীল অনুকৰণ কৰি সাংস্কৃতিক, আৰ্থিক আৰু বৈজ্ঞানিক ক্ষেত্ৰত উন্নতি কৰিবলৈ এখন বন্ডত চহি কৰে । এই অনুবন্ধি আৰু মজবুত হয় , যেতিয়া ৰাষ্ট্ৰপতি বুলগানিব ও প্ৰধানমন্ত্ৰী খিশ্চিব নবেম্বৰ মাহত ভাৰতৰ যাত্ৰা কৰে ।

১৯৫৩ চনত ৰাজ্যৰ পুৰ্ণগঠণ কাম আৰম্ভ হয়, আৰু ১৯৫৫ চনত ৩০ চেপ্টেম্বৰ ইয়াৰ ৰিপোৰ্টও তৈয়াৰ কৰা হয় । এই ১৩ ৰাজ্যৰ স্থাপন বেশী ভাষা কব লগিয়া আধাৰত হৈছিল।

১৯৫৬ চনৰ ১ ম নবেম্বৰ যি বিলাক ৰাজ্যৰ পুণৰ্গঠন হয়, তেওঁ- অসম, অন্ধ্ৰপ্ৰদেশ, উত্তৰ প্ৰদেশ, বুম্বাই, পাঞ্জাব, পশ্চিম-বঙ্গাল, মধ্যপ্ৰদেশ, জম্মু আৰু কাশ্মীৰ, বিহাৰ, উৰিষ্যা, ৰাজস্থান, মাদ্ৰাজ, মহীশূৰ, কেৰল আৰু কেন্দ্ৰশাসিত দিল্লী, আন্দামান-নিকোবৰ, লাক্ষাদ্বীপ, ত্ৰিপুৰা আৰু মণিপুৰ আছিল ।

বিশ্বৰ প্ৰথম কেৰলত কমিউনিষ্ট দল বিজয়ী হয় আৰু তেওঁৰ স্থাপনা ও কৰা হয় । সেই বছৰটু আছিল ১৯৫৭ চনৰ । ১২৩ পদৰ বাবে কমিউনিস্ট দলে ৬০ পদৰ বিজয় প্ৰাপ্ত হৈছিল । কমিউনিষ্ট দলৰ দ্বাৰা সমৰ্থন পাই বেলেক ৪ নিৰ্দলীয় প্ৰাৰ্থীও বিজয়ী হয় আৰু কংগ্ৰেসে মাত্ৰ ৪৩ চিট পালে । ই,এম,এচ নামৰ উপগ্ৰহ ১৯৫৯ চনত ৪ সেপ্টেম্বৰ চন্দ্ৰমাৰ লগ পাইছিল ।


ই.এম.এচ. নম্বুদ্ৰিপাদ

১৯৫৭ চনত গ্ৰামীণ প্ৰশাচনৰ পঞ্চায়তী ৰাজ গনতন্ত্ৰৰ এক সৰু অংশ স্থাপিত কৰা হল । অন্ধ্ৰপ্ৰদেশ আৰু ৰাজস্থানত প্ৰথম পঞ্চায়ত ৰাজ আৰম্ভ হৈছিল ।

১৯৫৮ চনত আৰম্ভন্দিতে শেখ আবদুল্লা জেলৰ পৰা উলাই আহি জন-মোৰ্চাৰ নেতৃত্ব গ্ৰহণ কৰে আৰু কাশ্মীৰক ভাৰতৰ লগৰ খন্ড বুলি অস্বীকাৰ কৰে । শেখক আৰু একবাৰ ৰাজদ্ৰোহী বুলি গ্ৰেপ্তাৰ কৰা হয় । ইয়াৰ

আগতে কাশ্মীৰ সমস্যা সমাধান যিয়ে নহয়, পাকিস্থানে ইয়াৰ চেষ্টা কৰি আহিছিল । ভাৰতৰ তিব্বত আধ্যাত্মিক সাধু দলাই লামাৰ গ্ৰেপ্তাৰী আৰু জেলৰ পৰা পলাই যোৱা সেই বোৰ চীন দ্বাৰা হৈছিল বুলি অনুমান কৰাহয়, কিন্তু ভাৰতে চীনৰ প্ৰতি মিত্ৰতাৰ হাত আগ বঢ়াই আছিল ।

- ১৯৫৩ চনত ২১ মে নিউ জিলাণ্ডৰ এডমন্ড হিলাৰী আৰু শেৰ্পা তেনজিং নৰ্বে ভাৰতৰ তিৰঙ্গ- পতাকা বিশ্বৰ সৰ্ব উখ পৰ্বত মাউন্ট এভাৰেষ্টত পোতি ৰাখি আছে । তেওঁলোকে বৃটেন, নেপাল আৰু চোভিয়েত যুক্ত ৰাষ্ট্ৰৰ পতাকাও তাতে পোতি থৈ আছে ।
- ১৯৫৪ ইং জুন মাহত ভাৰতে দেশৰ সৰ্বোচ্চ পদকৰ ঘোষণা কৰে । যি হয়- ভাৰত ৰত্ন, পদ্মম বিভূষণ, পদ্ম-ভূষণ আৰু পদ্মশ্ৰী ইত্যাদি । প্ৰথম ভাৰতৰত্ন দি সম্মানিত কৰা হইছিল ডাঃ এচ,ৰাধাকৃষ্ণণ, ৰজা গোপালাচাৰী আৰু চি,বি,ৰমণক ।



- ১৯৫৫ চনত সত্যজীৎ ৰায়ৰ "পথেৰ পাচালী" নামৰ চিনেমাখনৰ উদ্ঘাটন লন্ডনত হৈছিল । এই ফিল্ম খন ভাৰতৰ এটা "মাইল-স্টোন" হৈ আছে ।

পৃথিবীৰ অন্যান্য ঠাইত .....

- ১৯৫৯ চনত য়ু,এস,এ-অন্তৰীক্ষ বাহণ নিৰ্মাণৰ এক মহত্বপূৰ্ণ ভূমিকা গ্ৰহন কৰিছিল আৰু এক এক কৰি উপগ্ৰহ পৃথিবীৰ চাৰিওফালে পঠাইছিল । এই উপগ্ৰহ দুইটা বান্দৰকলৈ ৩৬০ মাইল উপৰতে ১৩০০ মাইল ফুৰি আহিছিল ।
- চান্দৰ ভিতৰত থকা বায়ুমন্ডলৰ সূচনা দিব লগিয়া ৩৫ ঘন্টা গ্ৰহৰ চাৰিওফালে চক্কৰ লগিয়া চোভিয়েত ৰুশৰলুবিক-২ ডিচ্‌নিল্যান্ডৰ মানুহৰ কাৰণে মুখৰ কৰি দিয়া হোল ।

- ◆ ১৯৫৮ চনত উইলিয়াম হিগিংবোথম - এ নিউ ইয়ৰ্কত ভি,ডি,ও গেমস্‌ৰ আবিষ্কাৰ কৰে । আৰু ইয়াৰ প্ৰথম খেল খন আছিল টেবিল টেনিচ । যি "পাগ" নামৰে পৰিচিত আছিল আৰু সেইটুৱে বজাৰত বিক্ৰীৰ বাবে আহতে ১৮ বছৰ সময় লাগিছিল ।
- ◆ ৱেস্টমিন্সটৰ হলত থকা "জুলেচ ৰিমেট ট্ৰফি চুৰি হৈ গল, যি বিশ্ব ফুটবল কাপৰ বিজয়ী দলক দিবলৈ ৰাখি থোৱা হৈছিল । এই ৰহস্যময়ী চুৰি ১৯৬৬ চনত ২০ মাৰ্চত হৈছিল । আৰু এই ট্ৰফিটু এটা পোহনীয়া কুকুৰৰ দ্বাৰা দক্ষিণ লন্ডনৰ এটা মাটিত পোৱা গৈছিল ।

পৰ্তুগীজৰ পৰা দখল মুক্ত গোৱা



দলাই লামা

১৩ ই মাৰ্চ দলাই লামা পৰ্তুগীজ এৰীদিয়ে আৰু ১৫ দিন পিছত ভাৰত আহি লগ পায় । তেওঁ নিজে আৰু নিজৰ অনুসৰণ কাৰীৰ সহায়তাৰ বাবে ভাৰত চৰকাৰৰ ওচৰত অনুৰোধ কৰিলে আমাৰ চৰকাৰে তেওঁৰ অনুৰোধ স্বীকাৰ কৰি তেওঁক উত্তৰ প্ৰদেশত পঠিয়াই দিলে । চীনে ভাৰতৰ এই সহায়তা ভাল নে পাই ভাৰতক দোষৰূপ কৰি সেপ্টেম্বৰ মাহত এখন মানচিত্ৰ দিখাই ক'লে যে, ১৩২,০০০ বৰ্গ কিঃ মিঃ তথা লাদা কৰ পৰা অসম পৰ্য্যন্ত, চীন দেশৰ অৰ্ন্তগত । ভাৰতে ইয়াৰ বিৰুধিতা কৰে আৰু কথাবাৰ্তাৰ মাধ্যমত ইয়াৰ সিদ্ধান্ত উলিয়াব বিছাৰে। তথাপি বেলেক ৰজনৈতিক দল কংগ্ৰেস নেতা সি, ৰাজা গোপালাচাৰী দ্বাৰা গঠিত হয় ।

ৰাজাজী

১৯৫৯ চনৰ জুন-মাহত অখিল ভাৰতীয় কৃষী সংঘৰ বৈঠকত নেহৰুৰ খেতি-মাটি ব্যবসায়, সমবায় কৃষি-ব্যবসায় আৰু সতন্ত্ৰ দল স্থাপনাৰ নীতিৰ বিৰুধিতা কৰা হৈ আছিল । ইয়াৰ প্ৰাথমিক সম্মিলন অক্টোবৰ মাহ হৈআছিল । আৰু ১১ ৰাজ্যৰ ৭৫০ সদস্যাৰে ভাগ লৈছিল । দলৰ সমৰ্থণ জমীদাৰ আৰু ৰজৱাড়া ৰাজ্যৰ সহয়তায় পোৱা গৈছিল ।

বম্বাইয়ত গুজৰাটী আৰু মাৰঠী ভাষা-ভষীয়ে বেলেক বেলেক ৰাজ্য স্থাপনৰ দাবী প্ৰদৰ্শণ আৰম্ভ কৰিলে । ১৯৬০ চনত ১৮ ই মাৰ্চ বুম্বাই সংসদে ইয়াৰ পূনৰগঠণৰ সম্মতি জনাই মে মাহৰ ১ তাৰিখত গুজৰাঠ আৰু মহাৰাষ্ট্ৰক যথাক্ৰমে আহমেদাবাদ আৰু বোম্বাইয়তে ৰাজধানী বনাই দিয়া হোল ।

ভাৰত আৰু চীনৰ মাজত লাগি থকা বিবাদৰ কাৰণে চীন প্ৰধানমন্ত্ৰী চউ-এন-লাই, ১৯৬০ চনত দিত্বীয় বাৰ ভাৰত ভ্ৰমণ কৰে । ভাৰতৰ কংগ্ৰেস শাসক দল আৰু বিৰুধি দলে চীন অধিকৃত কেন্দ্ৰ শাসিত প্ৰদেশক দিবলৈ মানা কৰি দিয়ে । ভাৰতৰ ৰক্ষামন্ত্ৰী বি, কে,কৃষ্ণ মেনন আৰু চীনদেশৰ মন্ত্ৰীবৰ্গৰ মাজত হৈ থকা কথাবাৰ্তাৰ মাধ্যমে ইয়াৰ সমাধান চেষ্টা কৰে । কিন্তু চীনে অক্সাই চীণৰ ভিতৰত আহিব লাগিয়া ক্ষেত্ৰ এৰি নিদিয়ে বুলি জনাই দিয়ে ।

১৯৬১ চনত ১৮ ই ডিচেম্বৰ ৰেড্-লেটাৰ দিবস আছিল । মাত্ৰ ২৮ ঘন্টাৰ মাজত ভাৰতীয় সৈন্য সকলে পৰ্তুনীজৰ অধিকাৰৰ পৰা গোৱা দমন আৰু দিউক মুক্ত কৰি লয় । গোৱা-ক কেন্দ্ৰ শাসিত ৰাজ্য বনাব কাৰণে এই তিনি ক্ষেত্ৰক একত্ৰিত কৰা হয় ।

১৯৬২ চনত তৃতীয় সাধাৰণ নিৰ্ব্বাচনত

ভাৰতীয় কংগ্ৰেসে পুনঃ সমৰ্থণ লাভ কৰে, প্ৰায় গোটে ৰাজ্যত কংগ্ৰেস দলে লোকসভালৈ ৩৬১ পদ লাভ কৰে। ২১ পদ পাই বিৰুধী দল কমিউনিস্টে এক মহত্ত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। ৰাজ্য সভাত কংগ্ৰেসে ২৮৪২ পদৰ মাজত ১৬৫৯ পদ লাভকৰে। কমিউনিষ্ট দলে ১৫৩, সতন্ত্ৰতা দলে ১৬৬, আৰু জন সংঘৰে ১১৬ পদ লাভ কৰিআছিল। ১০ ই এপ্ৰিল জওহৰলাল নেহৰু আকো একবাৰ প্ৰধান মন্ত্ৰীৰ পদ লাভ কৰে।

- ১৯৫৭ চনত ২০ জানুৱাৰী ভাৰতৰ প্ৰথম গবেষণা কেন্দ্ৰ অপ্সৰা-ৰ উদ্ঘাটন কৰা হয়।



- ১৯৫৭ চনত ১ ম এপ্ৰিল ভাৰতে প্ৰথম দশমিক প্ৰথা আৰম্ভ কৰে। ধন ৰাশিৰ একেবাৰে সৰু সংখ্যা এক নয়া পইচা।
- ১৯৫৭ চনত ১৪ ই এপ্ৰিল জওহৰলাল নেহৰুৰ জন্ম দিন হিচাবে পালন কৰাৰ সিদ্ধান্ত লোৱা হয়।
- ১৯৫৭ চনত নবেম্বৰ মাহত্ তাৰা চেৰিয়ন, প্ৰথম মহিলা (মাদ্ৰাজ) মেয়ৰ পদ লাভ কৰে।

পৃথিবীৰ অন্যান্য ঠাইত .....

- বিশ্বৰ প্ৰথম মহিলা প্ৰধানমন্ত্ৰী শীলংকাৰ শ্ৰীমাবো বন্দৰ নায়কে ১৯৬০ চনত ২১ শে জুন কাৰ্য্যভাৰ গ্ৰহণ কৰে।
- ১৯৬১ চনত মানুহৰ অন্তৰীক্ষ যাত্ৰা বাস্তবে পৰিণত হয় যেতিয়া চোভিয়েত উপগ্ৰহ বাস্কোট-১, জুৰি গেগৰীণে এক ঘন্টা ৪৮ মিঃ ১৯০ মাইল যাত্ৰা কৰি ১২ ই এপ্ৰিল পৃথিবীৰ লগ পায়। মাত্ৰ এক মাহৰ মাজত য়ু,এস,এ ৫ ই মে, ফ্ৰীডম - ৭, নামৰে এখন অন্তৰীক্ষ যান প্ৰথম তত্ত্ববিদ এলান শেপাৰ্ড কলৈ অন্তৰীক্ষ যাত্ৰা কৰে। আৰু জুলাই মহত এস্ট্ৰনট ভাৰ্জিন গ্ৰহম অন্তৰীক্ষ যাত্ৰা কৰিআছিল। বিশ্বতত্ত্ববিদ হৰ্মণ টিটভ ২৮ ঘন্টলৈ মহাকাষত আছিল।

◆ দক্ষিণ আফ্ৰিকাৰ কেপ-টাউন শহৰৰ ডাঃ কৃষ্টিয়ন বৰ্নাৰ্ড হৃদয় স্থানান্তৰ এটা সফলতা পূৰ্বক অপাৰেচণ কৰি এক ঐতিহাসিক ঘটনাৰ সৃষ্টি কৰে। ১৯৬৩ চনত ৩ ডিসেম্বৰত হোৱা এই ঘটনালৈ ডাক্তাৰক সহযোগিতাৰ বাবে ৩০ জনি ডাক্তাৰ আৰু নাৰ্চেচ্ আছিল। যি মহিলায় হৃদয় দান কৰিআছিল, তেওঁৰ মৃত্যু এক মোটৰ দুৰ্ঘটনাত হয় কিন্তু তেওঁৰ হৃদয়ত কোন ধৰণৰ হানি পৰা না ছিল। এই হৃদয়ৰ সহায়তায় তেওঁ ১৮ দিনলৈ বাছি আছিল কিন্তু দুৰ্ভাগ্য যি নিউমেনিয়ায় তাৰ মৃত্যু হয়।

নেহৰুৰ শেষ জীৱন

১৯৬২ চনৰ ভাৰত চীনে যুদ্ধ হয়। তিব্বতক নিজৰ দখলে আনিবাৰ পাছত চিনে ভাৰতৰ সীমাৰেখাৰ প্ৰতি আগ বাঢ়ি আহে আৰু উপদ্ৰব আৰম্ভ কৰে। ১৯৬২ চনত জুন মাহত চীনে লাদাখ আৰু জম্মু-কাশ্মীৰ আক্ৰমণ কৰে। পাকিস্তানে চীনৰ লগত বন্ধুত্ব পাতি সেই বছৰতেই গিলগিটৰ এটা অংশ পাকিস্তানক দি দিয়ে ভাৰতে ইয়াৰ বিৰুধিতা কৰিলে চীনে ক'য় যি ভাৰতৰ লগত সীমা বিৰুধিতাৰ অনুবন্ধ তেওঁৰ নাই। চীনৰ প্ৰধান মন্ত্ৰীৰ ১৯৫৬ চনত বিমুখ হওৱা ইয়াৰ মুখ্য কাৰণ আছিল।

২০ অক্টোবৰ চীনা সৈন্য দলে ভাৰতৰ উত্তৰ-পূৰ্ব সীমা এজেন্সীত প্ৰবেশ কৰে। প্ৰায় ৩০,০০০ চীনা চিপাহী অক্সাই চীন পাৰ কৰি অসমৰ ফালে আগ বাঢ়ি আহে। ভাৰতে ইয়াৰ একো গমও পোৱা নাই। বিভৎস ঠান্ডাৰ কাৰণে ভাৰতৰ সৈন্যদলে আকস্মিক আক্ৰমণৰ বিৰুধিতা কৰিব পাৰা নাই। ভাৰতে আকস্মিক ঘটনাৰ বাবে ঘোষাণা কৰি দিলে জওহৰলাল নেহৰুৱে ৰক্ষা মন্ত্ৰীৰ ভাৰ গ্ৰহণ কৰে কাৰণ বি,কে,কৃষ্ণমেনন মন্ত্ৰীমন্ডলৰ পৰা ইস্তাফা দি দিলে। য়ু,এচ,এ, বৃটেন,কানাডা,পশ্চিমী জাৰ্মানী আৰু অস্ট্ৰেলিয়ায় ভাৰতক সৈন্য সহায়তা দিয়ে। ভাৰতে সৈন্য সাহায্য পাই, এই আগবাঢ়ি থকা আক্ৰমণ ক দমণ কৰিবলৈ সমৰ্থ হল। ২১ নবেম্বৰ চীনে ভাৰতৰ লগত মিত্ৰতাৰ হাত বঢ়াইআছিল আৰু এই মিত্ৰতায় মত না দিয়া আছিল শ্ৰীলংকা, বৰ্মা, কম্বোডিয়া, ইন্দোনেচিয়া, খানা আৰু গনতন্ত্ৰ আৰব সংঘ। তেওঁলোকে মিলি এটা বৈঠকও কৰিছিল। ভাৰতে যুদ্ধ সমাপ্তিৰ প্ৰস্তাব দিলে চীনে অস্বীকাৰ কৰি দিয়ে। যুদ্ধ সমাপ্তিৰ পাছত লাদাখৰ ৩৬,০০০ বৰ্গ কিঃ মিঃ জমি চীনৰ ওসৰত থাকি গলে।

কে. কামৰাজ

তামিলনডুৰ মুখ্য-মন্ত্ৰী কে, কামৰাজ যিয়ে এজন কংগ্ৰেসী নেতা আছিল তেওঁ সকলো মন্ত্ৰী-মন্ডলক এই প্ৰস্তাব দিলে যি, দলত ১০ বছৰীয়া থকা অধিকাৰীক পদৰ পৰা ইস্তাফা দি, দলৰ কাৰ্য্যভাৰ গ্ৰহণ কৰিব লাগে বুলি। কামৰাজ যোজনাৰ" উদ্ঘাটন হৈছিল ১৯৬৩ চনত,১০ ই আগষ্ট। তেওঁ নিজৰ পদ এৰী দিয়ে এক দৃদ্ধান্তি স্বৰূপ উদাহৰণ দিলে। মন্ত্ৰীমন্ডলৰ ৬ জন মনন্ত্ৰীয়ে ত্যাগ পত্ৰ দিলে তেওঁৰ মাজত উল্লেখযোগ্য আছিল মোৰাৰজী দেশাই, আৰু জগজীৱন ৰাম। পাঁচ জনেও ৰাজ্যৰ মুখ্যমন্ত্ৰী ইস্থাফা দিছিলে।

নেহৰু যুগ, যিয়ে ভাৰতৰ ৰাজনীতিৰ এক বিছ ক্ষণতাৰ পৰিচয় যিয়াৰ অন্ত হোল ১৯৬৪ চনত ৩২ শ মাৰ্চ। প্ৰধানমন্ত্ৰী ভূবনেশ্বৰত (জানুয়াৰী) কংগ্ৰেস অধিবেশন চলা কালিন বিমাৰ গ্ৰস্ত হয়। সামান্য চিকিৎসাৰ সহায়লৈ দিনি ৰাতি, কাম - কাজে ব্যস্ত আছিল। দেৰাদুনত অলপ দিনৰ কাৰণে ফুৰিবা থকাৰ পাছত ২৩ মে তেওঁ ফিৰি আহে। ৰাতিপোৱা তেওঁৰ

শাৰিৰীক অবস্থা অতি ব্যয়া আছিল আৰু এই দিন দুপুৰীয়াই ২ টা বাজত তেওঁৰ অন্তিম শ্বাস বন্ধ হই যায় । ১৯৫৫ চনত তেওঁক ভাৰত ৰত্ন দিয়ে সম্মানিত কৰা হৈছিল । সৰু লোৰা ছোৱালীৰ লগত তেঁওৰ বিশেষ লগ আছিল সেই কাৰণে তেওঁ ছাছাখুড়া নেহৰু বুলি পৰিচিত আছিল ।

- কলিকতাৰ মিহিৰ সেন ১৯৫৮ চনত ২৭ সেপ্টেম্বৰ ১৪ ঘন্টা ৪৮ মিঃ ইংলিচ চেনেল সাতুৰি পাৰ হইয়াছিল । আৰু তেওঁ আছিল প্ৰথম ভাৰতীয় তথাপি এচিয়াৰ যি ডাবেৰৰ পৰা ক্লাচিচ্ (ফ্ৰান্স) সাতুৰিয়াছিল । দূৰত্ব আছিল ৩৪ কিঃ মিঃ ।
- ১৯৫৮ চনত ১ ম অক্টোবৰ ওজন আৰু মান নিৰুপন প্ৰণালীৰ কিঃ গ্ৰাঃ পদ্ধতি আৰম্ভ হয় ।
- ১৯৫৯ চনত বিনোবাভাবে ফিলিপিন্সৰ " ম্যাগাচাকে" পুৰস্কাৰ প্ৰাপ্ত হয় ।
- ২১ সেপ্টম্বৰ ১৯৬১ ইংত ভাৰতৰ আৰতি শাহ ইংলিচ চ্যানেল সাতুৰি পাৰ হোৱা প্ৰথম মহিলা ।
- ১৯৬১ চনত খেলৰ শ্ৰেষ্ঠতাৰ বাবে অৰ্জুন পুৰস্কাৰ ঘোষণা কৰা হয় ।
- ১৯৬২ চনত ১৩ ই মে ডাঃ ৰাধাকৃষ্ণণ ভাৰতৰ দিত্বীয় ৰাষ্ট্ৰপতি হৈছিল । আৰু এই বছৰ ৪ সেপ্টেম্বৰ তেওঁৰ জন্ম দিনৰ শিক্ষক দিবস হিচাবে পালন কৰাৰ নিৰ্ণয় লোৱা হয় ।
- বিৰলা প্ল্যানেটৰিয়ম (তাৰা মন্ডল) এচিয়াৰ প্ৰথম আৰু বিশ্বৰ দ্বিতীয় ডাঙৰ ১৯৬২ চনত ২৯ চেপ্টেম্বৰ কলিকতাত মুকলি কৰা হয় ।

পৃথিবীৰ অন্যান্য ঠাইত .....

- ১৯৬৬ চনত ৩ ফেব্ৰুৱাৰী, চোভিয়েত লোনা- ৯ চান্দত নামিয়াছিল । আৰু মনুহক চান্দত নামিবাৰ বাবে পথ খুলি দিয়ে। এই উপগ্ৰহটুয়ে চান্দৰ পৰা পৃথিবীত ট্ৰান্সমিটাৰৰ মাধ্যমতে চিত্ৰও পঠাইছিল ।

◆ ১৯৬৮ চনত, কমপিউটাৰ্ৰ " মাউচ" আবিস্কাৰ কৰে ডগলাউচ গিলবাৰ্ট ।

◆ অৰ্থশাস্ত্ৰ, চিকিৎসা বিদ্যা, পদাৰ্থ ও ৰসায়ন বিদ্যা, সাহিত্য আৰু শান্তিৰ বাবে নোবেলপুৰস্কাৰ-ক যোগ দিয়া হয় ।

◆ ১৯৭৩ চনত ১৪ ই মে য়ু,এচ,এ তিনিজন তত্ত্ববিদকৰ লগত " স্কাই-ল্যাব" অন্তৰীক্ষত পঠায় । আৰু তেওঁ ৮৪ দিন অন্তৰীক্ষত আছিল ।

◆ ১৯৭৬ চনত চেইমোৰ ক্ৰে, এক চুপাৰ কমপিউটাৰৰ নিৰ্মাণ কৰে । আৰু যি ক্ৰে-১ নামৰে খ্যাত আছিল । এইটুয়ে এক চেকেন্ডত ২ কুটি ৪০ লাখ গণনা কৰাৰ অগনন ক্ষমতা ৰাখিছে ।

◆ ১৯৭৬ চনত ২০ জুলাই য়ু,এচ,এ-ৰ অন্তৰীক্ষ বাহণ বাইকিং-১ মংগল গ্ৰহৰ পৰা চিত্ৰ পঠিয়াইছিল ।

পাকিস্থানৰ লগত দিত্বীয় যুদ্ধ

কংগ্রেসৰ মন্ত্রীমন্ডলে ২ জুন ,এক বৈঠকত লাল বাহাদূৰ শাস্ত্রীক ভাৰতৰ দিত্বীয় প্রধানমন্ত্রী কৰিলয় । আৰু তেওঁ ১ম জুন কার্য্য ভাৰ গ্রহণ কৰে ।

লাল বাহাদুৰ শাস্ত্রী

১৯৬৪ চনত ১১ ই এপ্রিল ভাৰতীয় কমি-উনিস্ট দল পূর্ণ ৰূপে দুই ভাগে বিভক্ত হই যায় । ভাৰত-চীন যুদ্ধ চলাকালীন ১৯৬২ চনত সিঁহতৰ মাজত বিবাদৰ ফলে বিভক্ত হয় । একদলে ৰাচিয়াৰ সহযোগী হয় আৰু বেলেক দলে চীনৰ সহযোগীতা কৰে । আগষ্ট মাহত সাত জনে মিলি এক বেলেক ব্লক লোক সভা গঠণ কৰে আৰু ভাৰতৰ মজবুত মিউনিষ্ট দলক দুর্বল কৰি দিয়ে ।

১৯৬৮ এপ্রিল মাহত, জেলৰ পৰা উলাই অহা কাশ্মীৰৰ নেতা শেখ ফাৰুখ আব্দুল্লা জনমূর্চা পূণৰগঠন কৰি নির্ণয় লৰাৰ বাবে জনসাধাৰণৰ অধিকাৰ দাবী কৰে । ১৯৬৫ চনত তেওঁ হজ্জৰ কাৰণে মক্কা যাত্রী কৰে । তাতে ইজিপ্টৰ ৰাষ্ট্রপতি নাসেৰ আৰু চীনৰ প্রধানমন্ত্রী চৌ-এন-লাই-ৰ লগত সাক্ষাৎ কৰে । সি দুই জনে শেখক আজাদ কাশ্মীৰ কৰিবলৈ উৎসাহিত কৰে । ভাৰতে তেওঁৰ পাচপোর্ট বাতিল কৰি দিয়ে । আৰু এপ্রিল মাহত জম্মু কাশ্মীৰক ভাৰতৰ লগত একত্রিত কৰিলয় । ভাৰতীয় সংবিধান মতে চদৰ-ই-ৰিয়াচতক ৰাজ্যপাল আৰু বজীৰ- এ -আজমক্ যথাক্রমে মুখ্যমন্ত্রী ৰূপে পৰিবর্ত্তন কৰি দিয়া হয় । হজ্ যাত্রাৰ পৰা আহি পোৱা শেখক পূণৰগ্রেপ্তাৰ কৰা হয় ।

১৯৬৫ চনত ভাৰত পাকিস্থানৰ মাজত দিত্বীয় যুদ্ধ আৰম্ভ হয় । পাকিস্থানে এপ্রিল মাহত ভাৰতৰ কেন্দ্র শাসিত ৰাজ্যৰ প্রায় ২০০০ বর্গ কিঃ মিঃ মাটি চীনক দি দিয়ে । ইতিমধ্যে পাকিস্থানৰ সৈন্যদলে গুজৰাতৰ কচ্ছ উপকূলত ও প্রবেশ কৰেছিল । জুন মাহত পাকিস্থানৰ সৈন্যদলে ভাৰতৰ কেন্দ্র শাসিত ৰাজ্যৰ প্রায় ৮ কিঃ মিঃ সীমাৰ ভিতৰত প্রবেশ কৰি আমাৰ সৈন্যদলৰ ঘাটিৰ মাজত আক্রম আৰম্ভ কৰে । অগাস্ট মাহত ভাৰতৰ দৃষ্টি গোছৰ হয় যি, ৭০০০ ৰ বেশী আতঙ্ক বাদী কাশ্মীৰৰ জন সাধাৰণৰ লগত থাকি আছে । পাকিস্থানী সৈন্যদলেও ভাৰতৰ উপৰত গুলি বিনিময় আৰম্ভ কৰি দিয়ে ।

১ ম চেপ্টেম্বৰ ভাৰতীয় বায়ু সেনায় শত্রু দলক সর্ব্বনাশ কৰি দিয়ে । আৰু ৪ চেপ্টেম্বৰ পাঞ্জাবৰ সীমাৰ উপৰত যুদ্ধ আৰম্ভ হই যাওৱাতে শত্রু পক্ষ দুই লাইনে বিভক্ত হৈ যায় যি লাহোৰ পর্য্যন্ত বিস্তাৰ আছিল । ৬ ই চেপ্টেম্বৰ পাকিস্থানৰ ৰাষ্ট্রপতি আয়ুব খান ভাৰতৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে । ভাৰতীয় সৈন্যদলে বৰ সফলতাৰ লগত বীজয় লাভ কৰে আৰু শত্রু পক্ষৰ প্রায় ১০০ পেটান্ট টেঙ্কক বিধ্বস্ত কৰি দিয়ে ।

১১ ই চেপ্টেম্বৰ, য়ু,এচ,এ-মহাসচিব ইউ,থান্ত্ ভাৰতত আহি যুদ্ধ সমাপ্তিৰ প্রস্তাব

দিয়ে । দুই দেশে এই প্ৰস্তাবক মানি লোৱা নাই । ৰাষ্ট্ৰ সংঘ ৰক্ষা পৰিষদৰ দ্বাৰা সানুনয়ে অনুৰোধ কৰিলে ২৩ চেপ্টেম্বৰ যুদ্ধ বন্ধ হয়। পাকিস্তানে ভাৰতীয় কেন্দ্ৰ শাসিত প্ৰদেশৰ ৭১০ বৰ্গ মাইল জমি ফিৰাই দিয়ে আৰু ভাৰতক ২১ বৰ্গ মাইল এৰিব লগিয়া হৈছিল।

- ১৯৬৩ চনত ৩১ ম জানুৱাৰী ময়ূৰ পক্ষীক ভাৰতৰ ৰাষ্ট্ৰীয় পক্ষী বুলি ক'ৱা হয় ।
- ১৯৬৩ চনত ১ ম ডিচেম্বৰ নাগাল্যান্ড একসম্পূৰ্ণ ৰাজ্যৰূপে স্থাপিত হয় ।



- ১৯৬৪ ইং ২২ মাৰ্চ প্ৰথম বিশ্টেচ্ কাৰ ৰ্যালী কলিকতাত আৰম্ভ হয় । আৰু তাতে ৪০ মোটৰ যানে আংশ গ্ৰহণ কৰিআছিল।
- ১৯৬৪ ইংৰাজীত প্ৰথম জওহৰলাল নেহৰুৰ ছবি মুদ্ৰালৈ ছাপৰা হই বজৰত আহে।

পৃথিবীৰ অন্যান্য ঠাইত .....

- ১৯৬৯ চনত ২১ জুলাই মানবতাৰ প্ৰসন্ন দিনতো আছিল । য়ু,এচ,এ প্ৰথম মানুহক চান্দত পঠাই ছিল । আৰু নীল আৰ্ম স্ট্ৰং প্ৰথম ব্যক্তি আছিল যি নিজৰ ভৰি খন চান্দৰ মাটিত ৰাখি থৈছিলে । ১৮ মিঃ পিছত তত্ত্ববিদ এডউইন আলড্ৰিন ও চান্দত ভৰি থৈছিলে । দুইজনে মিলি য়ু,এচ, এ,ৰ পতাকাখন ও চান্দৰ মাটিত পোতি থৈছিলে । তেওঁ ফাটো তোলা, শি-সংগ্ৰহ আৰু ধূলি মাটি সংগ্ৰহৰ বাবে প্ৰায় দুই ঘন্টা চান্দত আছিল । তাৰ পিছত ভূতত্ত্ববিদ মাইকেল কলিন্স কলম্বিয়াৰ মাদাৰ শিপত থাকি গলে । লুনাৰ মন্ডলক যি ঈগল বুলি কোৱা হয় । তেওঁ পিছত আৰু দুইজন যাত্ৰীৰ লগত মাদাৰ চিপত ফিৰি আহিলে। এপলো -১১ অন্তৰীক্ষ যান ২৪ জুলাই পৃথিবীৰ লগ পায় । আৰ্মস্ট্ৰং ইয়াৰ বৰ্ণনা দিয়াছিলে " এনেকোৱা এইতো চন্দ্ৰমা-ত এটা সৰু পদক্ষেপ, আৰু মানুহৰ লাগি এতা জাপ মাৰাৰ নিচিনা "।
- ১৯৬৯ চনত ২৫ মাৰ্চ পাকিস্থান সৈনিক প্ৰশাসনৰ অন্তৰ্গত হৈ যায়, জেনাৰেল ইয়া হিয়া খানে ক্ষমতা অধিগ্ৰহণৰ পিছত । ৰাষ্ট্ৰপতি আয়ুব খানে পদত্যাগ কৰে ।

ভাৰতৰ মহিলা প্ৰধান মন্ত্ৰী

অবশেষে শত্ৰুৰ আক্ৰমণৰ পৰা বিৰাম পোৱা গৈছে । ভাৰত আৰু পাকিস্থানে চোভিয়েত যুক্ত ৰাষ্ট্ৰ দ্বাৰা মিত্ৰতাৰ হাত আগ বঢ়াই আছিল । প্ৰধানমন্ত্ৰী লালবাহাদূৰ শাস্ত্ৰী আৰু পাকিস্তানৰ ৰাষ্ট্ৰপতিয়ে তাচ খন্ডৰ উচ্‌বেকিস্তানত ৮ ই, জানুৱাৰী ১৯৬৬ চনত ত বিচাৰ আলোচনায় সাতদিন ধৰি ব্যস্ত আছিল । ১০ ই জানুৱাৰী তেওঁলোকে এক সন্ধি পত্ৰতচ হি কৰে সৰ্বদা শান্তি বজায় ৰাখিব বুলি । আৰু এই বুলি নিৰ্ণয় লয় যি দুই দেশৰ মাজত যুদ্ধবন্দী বিলাকক্ এৰী দিৱা হব। ভাল সম্বন্ধ স্থাপন কৰিব আৰু সৰ্ব্বোচ্চ ক্ষমতা বিশিষ্ট লোকে দ্বীপক্ষীয় আলোচনাৰ দ্বাৰা দিঘলীৱা পড়ি থকা মামলাৰ সমাপ্তি কৰিব, পৰম্পৰে আভ্যন্তৰীণ মোকৰ্দ্দমাৰ মাজতও হস্তক্ষেপ নে কৰে বুলি ।

দুৰ্ভাগ্যবশতঃ লাল বাহাদূৰ শাস্ত্ৰীৰ হাৰ্ট-এটাক্" হয় আৰু ৰাতি পোৱা তেওঁ শেষ নিঃশ্বাস ত্যাগ কৰে । গুলজাৰীলাল নন্দা কিছুদিন মানৰ কাৰণে অস্থায়ী বাবে প্ৰধান মন্ত্ৰীৰ কাৰ্য্য ভাৰ গ্ৰহণ কৰে যেনে ১৯৬৪ চনত লাল বাহাদূৰ শাস্ত্ৰীৰ মৃত্যুৰ পিছত আছিল । কংগ্ৰেসৰ অধ্যক্ষ কে, কামৰাজ শ্ৰীমতি ইন্দিৰা গান্ধীক ভাৰতৰ তৃতীয় প্ৰধানমন্ত্ৰী হিচাবে নিৰ্ব্বচিত কৰে আৰু ১৯৬৬ চনত ২৩ শ জানুৱাৰী তেওঁ প্ৰধানমন্ত্ৰীৰূপে শপথ গ্ৰহণ কৰে। ১ম নবেম্বৰ পাঞ্জাবত দুই বেলেক ৰাজ্যৰ স্থাপনা হয় । প্ৰথম পাঞ্জাব আৰু দ্বিত্বীয় হৰিৱানা আৰু তেওঁৰ ৰাজধানী চন্ডিগৰ হয় ।

চতুৰ্থ সামান্য নিৰ্ব্বাচন ১৯৬৩ চনত ফেব্ৰুৱাৰী মাহত হৈছিল । কংগ্ৰেসে ২৮৩ চিট পাই জয় লাভ কৰিছিল । এই নিৰ্বাচনত সতন্ত্ৰ দলে ৪৪, জনসংঘ ৩৪, চি,জি,আই, ২৩,চি,পি,এম ১৯, পি,এচপি,১৩ সতন্ত্ৰ ৩৫ আৰু বেলেক দলে ৪৫ তো পদ লাভ কৰিছিল । কংগ্ৰেসে পাঞ্জাব, ৰাজস্থান, বিহাৰ, উড়িষ্যা, পশ্চিম-বঙ্গাল, উত্তৰ প্ৰদেশ, কেৰল আৰু তামিলনাডুত নিজৰ বহু মত হেৰাই দিয়ে । কিন্তু দিল্লীত ১২ মাৰ্চ ইন্দিৰাগান্ধী আকৌ প্ৰধানমন্ত্ৰী নিৰ্বাচিত হৈছিল ।

ইন্দিৰাগান্ধী

কিছুমান আগৰ নেতা, যিবিলাকে ইস্তাফা দিআছিল অথবা বহিষ্কাৰ কৰা হৈছিল, তেওঁ লোকে ১৯৬৩ চনত ভাৰতীয় ক্ৰান্তি দল নামৰে এক দল গঠণ কৰে । বি,কে, কৃষ্ণমেনন, ডাঃ পি,চি,ঘোষ আৰু জে,বি, কৃপালীনি ইয়াত মিলি আছিল । এই দলৰ মুখ্য উদ্দেশ্য আছিল, কংগ্ৰেসত হৈ থকা একচেটিয়া ক্ষমতা,ভ্ৰষ্টাচাৰ, আৰু নৈতিক অবনতিৰ বিৰুদ্ধতা কৰা আৰু ৰাজনীতিৰ সদাচাৰ ফিৰাই আনা ।

ডাঃ জাকিৰ হুচেন ১৯৭৩ চনৰ-ৰ ১৩ই মে ভাৰতৰ তৃতীয় ৰাষ্ট্ৰপতি আছিল আৰু সেই সময়তোতে পশ্চিম-বঙ্গালত নক্সালবাদী দল গঠিত হয় । দাৰ্জীলিং জিলাৰ ৬০ তো গাঁও মাটিৰ সম-বিভাগ দাবী জনাই এটা আ-

ডাঃ জাকিৰ হুচেন

দলোনৰ সৃষ্টি কৰে । পিছত এৱা ৰাজনীতিৰ ৰূপ ধাৰণ কৰে । আৰু ইয়াৰ প্ৰতি ধ্বনি অন্ধ্ৰপ্ৰদেশ, কেৰলা, বিহাৰ,পাঞ্জাব, আৰু উত্তৰ-প্ৰদেশত যাই ঠাই পাইছিল ।

❖ পোপ পল-৬, ১৯৬৪ চনত ভাৰত আহিছিল আৰু তেওঁ ভাৰত দৰ্শণৰ বাবে প্ৰথম পোপ আছিল ।



জি. শংকৰা কৰূপ

❖ মালয়ালম কবি জি,শংকৰা কৰূপ প্ৰথম ব্যক্তি আছিল, যি ১৯৬৫ চনত জ্ঞানপীঠ পুৰস্কাৰ পাইছিল ।

❖ ভাৰতৰ মহান সাতোৰ মেলা মানুহ মিহিৰ সেন ১৯৬৬ চনত এপ্ৰিল পৰা অক্টোবৰ পৰ্য্যন্ত পাচটা ৰাজ্য পাৰ কৰি গোটে বিশ্বৰ শিৰ্ষলৈ আছিল । আৰু তেওঁ ৯৬ কিঃ মিঃ দিঘলীয়া পানামা কেনেলখন ৩৪ ঘন্টা আৰু ১৫ মিঃ পাৰ কৰিৱাছিল ।

পৃথিবীৰ অন্যান্য ঠাইত .....

- জেনাৰেল ইয়াহিয়া খানে পাকিস্তানৰ সামান্য সাধাৰণ নিৰ্ব্বাচনৰ ঘোষণা কৰে প্ৰতিদ্ধন্দ্বী ৰূপে পাকিস্তান পিউপিলস্ পাৰ্টিৰ নেতা জুলফিকৰ আলী ভূট্টো আৰু আওৱামী লীগ নেতা শেখ মুজিবুৰ ৰহমান আছিল । ইয়াত প্ৰথম দল পশ্চিম-পাকিস্তানত নিৰ্ব্বিঘ্নভাবে জয় লাভ কৰে আৰু বেলেক দলে পূব পাকিস্তানত্ বিজয়ী হয় । আওৱামী দলে পূব-পাকিস্তানৰ স্বাধীনতা দাবী কৰিলে দুই দলৰ মাজত মতভেদ আৰম্ভ হয় ।
- ১৯৭০ চনত জুন মাহলৈ চোভিয়েত সংঘৰ অন্তৰীক্ষ যানখন সয়ুজ - ৯ ভূতত্ত্ব বিদক লগতলৈ ১৩ দিনমান মহাকাশত আছিল ।
- ১৯৭১ চনত ১৪ নবেম্বৰ নাচাৰ দ্বাৰা মেৰিনৰ -৯ মহাকাশত কৰি প্ৰথম মঙ্গল গ্ৰহতোৰ খবৰ জনাইছিল । আৰু ৮৫%গ্ৰহ, ইত্যাদিৰ চিত্ৰ পৃথিবীত পঠাইছিল । ১৫ দিনৰ পিছত চোবিয়েত মাৰ্চ-২ মাৰ্টিনে বায়ুমন্ডলৰ লগ পাইছিল আৰু গ্ৰহতোৰ পৰিভাগত ধূলি মাটিৰ কাৰণে নষ্ট হৈ পৰিছিল । পৰন্তু মাৰ্চ-৩, ডিচেম্বৰ মাহৰ ২ তাৰিখ গ্ৰহতোতেৰ নামিয়া ছিল আৰু নিজকে বিলাই দিয়াৰ ২,সেকেন্ড পৰ্য্যন্ত সংকেত দিআছিল ।

ভাৰত বাংলাদেশৰ বাবে সহায়

কংগ্ৰেস দলৰ মাজত এইসময়তো তে গুম গুম শব্দ উলাই আছিল আৰু পৰিণাম বিলোৱা হল । মুৰাৰজী দেশাইৰ পৰা অৰ্থ মন্ত্ৰীৰ পদ ভাৰতো প্ৰধান মন্ত্ৰী ইন্দিৰাগান্ধিয়ে নিজৰ হাতত লৈ আনিলে মোৰাৰজী দেশাইয়ে পদত্যাগ কৰে।

১৯৬৯ চনত ৩ মে, ডাঃ জাকীৰ হুচেনৰ মৃত্যুৰ পিছত উপ-ৰাষ্ট্ৰপতি ভি,ভি,গিৰিক ৰাষ্ট্ৰপতি নিৰ্ব্বাচিত কৰা হয় । আৰু তেওৰ বিৰুধিতা কৰিছিল কংগ্ৰেস দলৰ প্ৰাৰ্থী শিৱশম্মুগম-ক পৰাজিত কৰি উপ-ৰাষ্ট্ৰপতিৰ পদভাৰ গ্ৰহণ কৰে ।

ভি.ভি.গিৰি

দলৰ মাজত আকৌ বিৰুদিতা আৰম্ভ হৈ গলে সভাপতি পদুতো ৰ কাৰণে নিৰ্ব্বচন কৰা হয় । পৰিণামত দলতো দুই ভাগত বিভক্ত হৈ যায় । ইন্দিৰা গান্ধী সমৰ্থণ নেতা কংগ্ৰেস (আৰ) আৰু দিত্বীয় দলতোয়ে কংগ্ৰেস (অ) নামৰো এস, নিজলিং গপ্পা-ক দলৰ সভাপতি মানি লোৱা হয়।

ভাৰতৰ পঞ্চম লোকসভা নিৰ্ব্বাচন ১৯৭১ চনৰ মাৰ্চ মাহত নিৰ্ব্বাচিত হয় । কংগ্ৰেচ (আৰ) এই নিৰ্ব্বাতনত ৫১৮ ৰ মাজত ৩৫০ তো চীটত বিজয়ী হয় । ইন্দিৰা গান্ধীয়ে আকো একবাৰ প্ৰধান মন্ত্ৰীৰ ভাৰটু গ্ৰহণ কৰিলে ।

১৯৭১ চনত ডিচেম্বৰত আকৌ একবাৰ পাকিস্তানৰ লগত যুদ্ধ আৰম্ভ হয় । এই সময়তোত পশ্চিম আৰু পূব পাকিস্তানৰ যুদ্ধয়ে এক অতি ব্যয়া পথ ধৰি লয় । পূব-পাকিস্তান যি স্বাধীনতা দাবী কৰিআছিল বুলি ।

পাকিস্তান জাহাজৰ পৰা আচৰিত পশ্চিম-বঙ্গালৰ উপৰত আক্ৰমণ আৰম্ভ কৰে ।

২৩ নবেম্বৰ ভাৰতৰ সৈন্যদলে পাকিস্তানৰ তিনিটা জাহাজক ধ্বংস কৰি দিয়ে । দিত্বীয় দিনতোতে ভাৰতৰ দৈন্যদলক আদেশ দিয়া হয় যি পূব-পাকিস্তানত যাই মুক্তি সৈন্য বাহিনীৰ লগত মিলি তেওঁলোকক স্বাধীনতাৰ বাবে সহায়তা কৰিবলৈ । ৩ ডিচেম্বৰ পাকিস্তানৰ জাহাজে ভাৰতৰ বায়ু সৈন্য দলৰ ৯ তো ঘাটিত্ আক্ৰমণ কৰে । তৎক্ষণাৎ, ভাৰতে পাকিস্তানৰ লগত যুদ্ধ ঘোষণা কৰি জৰুৰী অবস্থা ঘোষণা কৰি দিয়ে ।

৬ ই ডিচেম্বৰ ভাৰতে বাংলাদেশ-ক এক স্বতন্ত্ৰ ৰাষ্ট্ৰৰূপে পৰিচিতি দিয়ে । ৮ ই ডিচেম্বৰ বাংলাদেশত থাকি যোৱা পাকিস্তানৰ দৈন্য দলক অস্ত্ৰ শস্ত্ৰ থৈ দি আত্মসমৰ্থন কৰিবলৈ কোৱা হয় । আৰু সেই সময়টুতে ভাৰতীয় সৈন্যদলে পশ্চিম সীমা নিজৰ দখলত লৈ আনে । ১২ ই ডিচেম্বৰ আকৌ একবাৰ অস্ত্ৰ শস্ত্ৰ থৈ দি আত্ম সমৰ্থণ কৰিবলৈ কো'ৰা হয়। তিনি দিন পিছত জেনাৰেল এ,কে নিয়াজী মিত্ৰতাৰ হাত লৈ আগ বাঢ়ি আহিলে, জেনাৰেল জে, এচ, আৰোৰায় পাকিস্তানৰ সৈন্য দলৰ যুদ্ধ বিৰতী মানি লয় । ১৭ ডিচেম্বৰ ভাৰতেও এফলীয়া যুদ্ধ বিৰতী ঘোষাণা কৰিলে পাকিস্তানৰ ৰাষ্ট্ৰপতি ইয়াহিয়া খানেও মানি লয় ।

১৯৭২ চনত ২০ জানুৱাৰী মেঘালয় আৰু অৰুনাচল প্ৰদেশক এক স্বতন্ত্ৰ ৰাজ্য ৰূপে ঘোষণা কৰি দিয়া হয় । তাৰ দিত্বীয় দিন তেই ত্ৰীপুৰা,মণিপুৰ আৰু কেন্দ্ৰ শাসিত মিজোৰাম

কও বেলেক ৰাজ্য বনাই দিয়া হয় ।

১৯৭২ চনৰ ১৬ ই মাৰ্চ বিধান সভাৰ নিৰ্ব্বাচন ঘোষণা কৰা হয় । কংগ্ৰেস (আৰ) ১৪ ৰাজ্য আৰু কেন্দ্ৰ শাসিত দিল্লীত বেচিভাগ চীট লাভ কৰিছিল । গোৱাৰ মহাৰাষ্ট্ৰবাদী গোমাতংক দলৰ নেতা আৰু মেঘালয়ৰ সৰ্বদলীয় নেতা-সংঘৰ মত লাভ কৰি আছিল ।

১৯৭২ চনৰ ৩ জুলাই প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধি আৰু পাকিস্তানৰ প্ৰধানমন্ত্ৰী জুলফিকৰ আলী ভূট্টো এটা সন্ধি পত্ৰত্ দস্তখত কৰে যি আজি আমালোকে চিমলা চূড়া বুলি জানু। বাংলাদেশত্ পাকিস্তানী সৈন্য দলৰ আত্মসমৰ্পণৰ ঘটনা ভূট্টোক পাকিস্তানৰ পৰা শক্তিবোৰ গুছাই লৈ যাৰ উৎচাহিত কৰে আৰু তেওঁ তেতিয়াই পাকিস্তানৰ প্ৰধান মন্ত্ৰী হয় । চিমলা-সমিতি বাংলাদেশ স্থাপনাৰ শাখা আছিল কিন্তু আজিলোকে ইয়াৰ মুখ্য কথাবতৰা কাশ্মীৰ সমস্যা লৈ।

ভূট্টো

১৯৭৩ চনৰ ৫ ই এপ্ৰিল ওচৰ চুবুৰীয়া চিকিম নিয়ম আৰু ৰাজবিধি ৰক্ষা কৰতে ভাৰতক সানুনয়ে অনুৰোধ কৰি আছিল । তাঁৰ দ্বিত্নীয় দিনলৈ ভাৰতৰ এক সৈন্য দলে আৰু ৰিজাৰ্ভ পুলিচ দল সিকিমত প্ৰবেশ কৰে । মহাৰজা আৰু ভাৰত চৰকাৰে চিকিমত্ গণতন্ত্ৰ স্থাপন কৰিবলৈ একমত হৈ যায় কিন্তু ৰাজনীতি দলে বিৰুধিতা কৰে ।

১৯৭৪ চনৰ ২৪ ডিচেম্বৰ লোকসভায় ৩৫ তম এমেণ্ডমেন্ট বিলতো পাচ্ কৰে আৰু ১৯৭৫ চনৰ ২৬ এপ্ৰিল চিকিম ভাৰতৰ ২২ তম ৰাজ্য বুলি ঘোষণা কৰা হয় ।

ভাৰতৰ কিছুমান (মাইল-নিৰ্দ্দেশক) স্তম্ভ

- ১৯৬৯ চনৰ ১ম মাৰ্চ দিল্লী-হাওড়াৰ মাজত এখন অতিদ্ৰুত গামী ৰাজধাণী নামৰে ট্ৰেন চালু কৰা হয় ।
- ভাৰতৰ চতুৰ্থ-পঞ্চবছৰীয়া যোজনা ডিচেম্বৰ ১৯৬৯ চনত আৰম্ভ হয় ।
- ছায়াচিত্ৰ নিৰ্মাতা দাদা চাহেব পাঙ্কেৰ জন্মদিনৰ স্মৰনাৰ্থে " দাদা চাহেব পাঙ্কে" পুৰস্কাৰ ঘোষণা কৰা হয় । এই পুৰস্কাৰ-ক প্ৰথমবাৰ দেবীকা ৰাণী ৰয়ৰিছ-ক দিয়া হয় ।
- ১৯৬৯ চনৰ ডিচেম্বৰ মাহত গুজৰাটৰ অৰণ্যক এচিয়াৰ বননি-ঠাই বুলি ঘোষিত কৰা হয় ।
- ভি,ভি,গিৰি-ক ৰাষ্ট্ৰপতি ৰূপে নিৰ্ব্বাচিত কৰে দেশৰ সৰ্বোচ্চ বিচাৰলয় । আৰু এই ভাবে প্ৰথমবাৰ ১৯৭০ চনৰ ২০ ই এপ্ৰিল ৰাষ্ট্ৰপতিয়ে বিচাৰলয়তে উপস্থিত হৈছিল ।
- বিবেকান্দ স্মাৰক-ভবন কন্যাকুমাৰীত স্থাপন কৰা হয় আৰু প্ৰতিষ্ঠা কৰে ভি,ভি,গিৰিয়ে ১৯৭০ চনৰ ২ ডিচেম্বৰ।
- আন্তৰ্জাতিক ন্যায়পৰায়নাতা বিচাৰালয়ৰ বিচাৰক নাগেন্দ্ৰ সিংহ ১৯৭০ চনৰ প্ৰথম ভাৰতৰ বিচাৰালয়ৰ সভাপতি নিযুক্ত হয় ।

পৰমাণু কেন্দ্ৰলৈ ভাৰতৰ সংযোগ

আনবিক যোজনাৰ পৰিণামৰ কাৰণে ভাৰতে এক সাহসপূৰ্ণ পথ বাছি লয় । ১৯৭৪ চনৰ ১৮ মাৰ্চ ৰাজস্থানৰ বালিময় স্থান পোখৰানত ইয়াৰ চূড়ান্ত পৰীক্ষা কৰা হৈছিল । আৰু এই বিস্ফোৰণ পৃথিবীৰ ১০৭ মিঃ তলত্ ৮ টা বাজি ১৪ মিঃ কিয়া হৈছিল । এইভাবে ভাৰত বিশ্ব-শক্তিৰ গোপনীয়তা ভাঙ্গি পেলাই আনবিক সংঘত্ প্ৰবেশ কৰে । তাঁৰ পিছতও কোৱা হৈছে যেয়ে ভাৰতৰ আনবিক বোম পৰীক্ষা শান্তিৰ বাবে কৰা হৈছে ।

ফকৰউদ্দিন আলী আহমেদ ২৪ আগষ্ট ভাৰতৰ পঞ্চম ৰাষ্ট্ৰপতি ৰূপে শপথ গ্ৰহণ কৰিআছিল । আৰু ২৭ আগষ্ট বি,ডি,জাট্টি উপৰাষ্ট্ৰপতিৰ পদ ভাৰ গ্ৰহণ কৰে ।

১৯৭৫ চনৰ ২৪ আগষ্টত শেখ ফাৰুখ আবদুল্লা আকৌ এবাৰ কশ্মীৰৰ মুখ্যমন্ত্ৰী ৰূপে শপথ গ্ৰহণ কৰে । ব্যবস্থাপক সভায় ভালবাবে পৰীক্ষা নিৰাক্ষাৰ পিছত তেওঁক এক চুক্তিৰ বাবে কেন্দ্ৰত প্ৰবেশৰ অনুমতি দিয়ে। আৰু জুন মাহলৈ শেখ আবদুল্লা জনমোৰ্চা এৰী ৰাষ্ট্ৰীয় সম্মেলনত প্ৰবেশ কৰে ।

১৯৬২ চন আৰু ১৯৬৫ চনত যেতিয়া ভাৰত পাকিস্তানৰ যুদ্ধ হৈছিল তেতিয়া গোটেই দেশত বিশেষ প্ৰয়োজনীয় জৰুৰী ব্যবস্থা ঘোষণা কৰা হয় । আৰু এই সময়তোতেই তথা ১৯৬৫ চনত তৃতীয় বাৰ জৰুৰী ব্যবস্থাৰ ঘোষণা দিয়া হৈছিল ।

১৯৭১ চনৰ ১২ ই জুন ইন্দিৰা গান্ধীৰ নিৰ্ব্বাচনক মিছা বুলি এলাহাবাদৰ প্ৰধান বিচাৰালয়ে কয় আৰু তাইক ৬ বছৰলৈ নিৰ্ব্বাচনত অংশ নে লোবাৰ আনুমতি দিয়ে । ১৩ ই জুন প্ৰায় গোটে বিৰুধী নেতায় ৰাষ্ট্ৰপতি ভবনৰ সমুখত প্ৰধান মন্ত্ৰীৰ ত্যাগ পত্ৰ দাবী কৰি প্ৰদৰ্শণ আৰম্ভ কৰে । ২৪ জুন দেশৰ সৰ্ব্বোচ্চ বিচাৰালয়ে এলাহাবাদৰ প্ৰধান বিচাৰালয়ক নিৰ্ণয় লবাৰ বাবে বিৰাম দিয়ে । ২৫ জুন বিৰুদী দলে কমিনিউস্ট দলৰ নেতা জয় প্ৰকাশ নাৰায়নৰ নেতৃত্বতে ইন্দিৰা গান্ধী চৰকাৰৰ বিৰুদ্ধে দেশলৈ বিৰূদীতা প্ৰকঠৰ বাবে নিৰ্ণয় লই থাকে । এই দিবস ৰাতিই, ৰাষ্ট্ৰপতি ফকৰ উদ্দিন আলী আহমদে জৰুৰী অবস্থা ঘোষণা কৰিদিয়ে । দেশৰ শান্তি ভাঙ্গি পেলাইবাৰ উদ্দেশ্যলৈ কিছুমান আভ্যন্তৰীণ কাম কাজ ও চলিয়াছিল । জয় প্ৰকাশ নাৰায়ণ মোৰাৰজী দেশাই, এ,বি,বাজপেয়ী, এল,কে, আদবাণী, চৰণ সিংহ আৰু অশোক মেহাতাৰ নিচিনা নেতা বিলাকক্ গ্ৰেপ্তাৰও কৰা হৈছিল । ৰাষ্ট্ৰীয় সেবা-সংঘ, আনন্দ মাৰ্গ আৰু বেলেক সংঘদলৰ প্ৰতি নিষেধ ঘোষণা কৰা হয় । ৩ য় নবেম্বৰ সৰ্বোচ্চ বিচাৰালয়ে ইন্দিৰা গান্ধীক ৰায়-বেৰেলী নিৰ্বাচন কেন্দ্ৰৰ অনুমতি দি দিলে । ১৯৭৭ চনৰ সাধাৰণ নিৰ্বাচনৰ কিছুমান দিন আগতে জৰুৰী ব্যবস্থা তুলি নিয়া হয় ।



ফকৰ উদ্দিন আলী আহমদে

১৯৭৬ চনৰ যেতিয়া চাৰি দল একেলগে মিলি জনতা দলৰ নিৰ্মাণৰ নিৰ্ণয় লই থাকে তেতিয়া সংসদতে আৰু এক নতুন দলৰ আবিৰ্ভাব হয় । এতিয়া সংসদতে কংগ্ৰেস (অ), জন সংঘ, ভাৰতীয় লোক দল আৰু সমাজবাদী দল আছে । ১৯৭৭ চনৰ নিৰ্বাচণত জনতা দলে কংগ্ৰেস দলক পৰাজিত কৰি ভাৰতীয় ৰাজনীতিত্ এতা নতুন যুগ ফিৰাই আনিলে।

(আগামী সংখ্যাতঃ বিশ্বৰ বহল ৰাজনীতিৰ তৎপৰতা)

ৰাজপথ

ওচৰ-চুবুৰীয়া দেশৰ লগত তুলনা কৰিলে দেখা যায় চম্পক এখন অনুন্নত দেশ । ৰজা পচ্দসেনে ইয়াৰ কাৰণ জানিব বিচাৰিলে । সেই উদ্দেশ্যে তেওঁ নিজৰ পুত্ৰ বিবেকসেনক প্ৰগতিশীল দেশবোৰলৈ পঠালে, যাতে তেওঁ জানিব পাৰে সেইবোৰ দেশে উন্নয়নৰ বাবে কি কি পদ্ধতি অৱলম্বন কৰিছে । সেইবোৰ দেশৰ মানুহৰ কাৰ্য্য প্ৰণালী দেখি বিবেকসেন আচৰিত হ'ল । তেওঁ ভাবিলে সেইবোৰ দেশৰ মানুহৰ কাৰ্য্য পদ্ধতি নিজৰ দেশৰ মানুহে অনুকৰণ কৰিলে দেশ প্ৰগতিৰ পথত অগ্ৰসৰ হব পাৰিব । এইবোৰ বিষয়ে অধ্যয়ন কৰি থাকোতে হঠাতে তেওঁলৈ খবৰ আহিল, তেওঁৰ পিতাকৰ অকস্মাতে মৃত্যু হৈছে । বিবেকসেন তৎক্ষণাত নিজৰ দেশলৈ উলতি আহিল । পঁচিশ বছৰ বয়সতে তেওঁ দেশৰ অধিপতি হ'ল ।

দেশৰ প্ৰগতি আৰু বিকাশৰ বাবে বিবেকসেনৰ মনত কিমান যে পৰিকল্পনা আছিল। কিন্তু ৰাজহৰ ধন খুব কম, সেয়েহে তেওঁ আঁচনিবোৰ কাৰ্য্যকৰী কৰিব পৰা নাছিল । নতুন কৰ লগাবলৈ তেওঁৰ ইচ্ছা আছিল । কিন্তু তেওঁ সেইটোও কৰিব নোৱাৰে, কাৰণ প্ৰজাসকল ইয়াৰ বিৰুদ্ধে । তেওঁলোকৰ আপত্তি আছিল "যিহেতু পুৰণা কৰ দিবলৈকে আমাৰ সাধ্য নাই, নতুন কৰৰ বোজা আমি কেনেকৈ বহন কৰিম? কেনেকৈ সোধাম ?"

চম্পক দেশত কিমান যে নদী আছে । পানীৰ কোনো অভাব নহয় । খেতিৰ শস্যও ভালেই হয়। তেওঁ বুজিব পাৰা নাই এনেকুৱা অৱস্থাতো দেশৰ কিয় উন্নতি হোৱা নাই । তেওঁ অনুমান কৰিলে এই সমস্যাৰ সমাধান কেৱল প্ৰজাসকলেহে কৰিব পাৰিব । তেওঁলোকেই ইয়াৰ বাবে যোগ্য । সমস্যা বেচি গভীৰলৈ যোৱাত বিবেকসেনে ছদ্মবেশ ধৰি দেশৰ বিভিন্ন ঠাইত ঘূৰি ফুৰিবলৈ ধৰিলে ।

বিবেকসেনে এঠাইত এজন যুৱকে গছৰ তলত শুই থকা দেখিলে । তেওঁ তাৰ ওচৰলৈ গৈ টোপনিৰ পৰা জগায় দি তাক শুধিলে "দিনে দুপৰতে যে এইদৰে গছৰ তলত শুই আছা তোমাৰ কোনো কাম নাই নেকি?"

" কাম কৰিবলৈ মোৰ কি আৱশ্যাক? মই যাকে খোজো পেটভৰাই খুৱাবলৈ এই গাঁৱত বহুতো পূণ্যবান লোক আছে ।" যুৱকজন কলে ।

সুমন্তবৰ্মা

বিবেকসেনে যুৱকৰ কথা শুনি আচৰিত হৈ সুধিলে “ তুমি এনে এজন মানুহৰ নাম কোৱাচোন, যিয়ে তুমি খোজাৰ লগে লগে খাবলৈ দিয়ে।”

সেই যুৱকজনে গৌৰৱ নামৰ গাওঁবুঢ়াৰ নাম কলে। বিবেকে তেওঁৰ ঘৰলৈ যোৱাত গাওঁবুঢ়াই তেওঁক খুব আদৰ-সাদৰ কৰিলে। খাই-বৈ উঠাৰ পাছত তেওঁ গাওঁবুঢ়াক কলে-“ পেট ভৰাই খোৱাৰ পিছত আপোনাক দোষাৰোপ কৰা বুলি যেন মোক ভুল নুবুজে। আপোনাৰ কেতিয়াবা এনে ভাব হয়নে, ঘৰলৈ অহা সুস্থ সবল মানুহক বিনা কামে খাবলৈ দি সেই লোকসকলক আপুনি এলেহুৱা হবলৈ উৎসাহিত কৰিছে? এনে মানুহৰ সংখ্যা বঢ়াই আছে?”

গাওঁবুঢ়াই অলপ চিন্তা কৰি কলে-“ কথাতো হয়। পিছে কি কৰিম? খেতি-বাতি খুব ভাল হৈছে। তাৰতো ব্যৱহাৰ কৰিব লাগিব। সেইবোৰ ব্যৱহাৰ নকৰাওতো ভুল কাম হব, নহয় নে?” “ আমাৰ দেশত উৎপাদিত শস্য কিনিবলৈ বহুতো দেশেই সাজু। সেইবোৰ বিক্ৰী কৰি সেই দেশৰ পৰা অন্য বস্তু কিনিব পাৰি।” বিবেকে কলে।

গাওঁবুঢ়াই হাঁহিমাৰি কলে,“ আমাৰ দেশত ভাল এটা ৰাস্তা নাই। এই কাৰণে দূৰ দেশলৈ শস্য পঠোৱাতো সম্ভব নহয়। ইয়াৰ বাবে আৱশ্যকীয় সুবিধা নোহোৱাৰ দৰেই। এখন গাঁৱৰ পৰা আনা এখন গাঁৱলৈ যাবলৈকে যেতিয়া অসুবিধা, সেই অৱস্থাত দূৰ দেশলৈ শস্য পঠাম কেনেকৈ? এই অসুবিধাৰ বাবে মানুহৰ জ্ঞানো সীমিত হব ধৰিছে। তেওঁলোক কুঁৱাৰ ভেকুলীৰ দৰে হৈছে। তুমি কৈছা যে মানুহবোৰ এলেহুৱা হব ধৰিছে। কিয় নহব, আৱশ্যকতকৈ বেচি শস্য



উৎপাদন হৈছে । সেইবোৰ বিক্ৰী কৰি উপাৰ্জন কৰিবলৈকো অইন কোনো পথ নাই । মইতো বিচাৰো উৎপাদন কম কৰিব লাগে । এই পৰিস্থিতিত অন্য দেশলৈ পঠাব বিচৰাতো দিবাস্বপ্ন মাথোঁ ।”

“উৎপাদন আৰু বঢ়াওক । যুৱকসকলক ইয়াৰ বাবে উৎসাহিত কৰক । ৰাজপথবোৰ মেৰামত কৰি উপযোগী কৰক ।” বিবেকে উপায় দিলে ।

গাওঁবুঢ়াই চিন্তিত হৈ কলে, “বাপৰে, এইবোৰ কামতো মোৰ দ্বাৰা নহব, কাৰণ মই এজন গাঁৱৰ গাওঁবুঢ়াহে । সৰু-সুৰা কাম কৰিবলৈহে মোৰ অধিকাৰ আছে ।”

“ তাৰমানে আপোনাৰ কোৱাৰ উদ্দেশ্য হছে গোটেই ভুল এই দেশৰ ৰজাৰহে ।” এইবুলি কৈ বিবেকে জানি বুজিয়ে ৰজাক গালি পাৰিলে ।

গাওঁবুঢ়া তেওঁৰ কথাত অসন্তুষ্ট হ’ল । তেওঁ বিবেকক কলে, “তোমাক বিদেশী যেন লাগিছে, সেয়েহে তোমাক মাথোঁ সাৱধান কৰি দি ক্ষমা কৰিলো । আমি আমাৰ দেশৰ ৰজাক বহুত সন্মান কৰো । তেওঁৰ বাবে আমাৰ হৃদয়ত শ্ৰদ্ধা আৰু ভক্তি আছে । তেওঁৰ গোটেই বংশই আমাৰ বাবে পূজনীয় ইয়াত পিছত তুমি ৰজাৰ বিৰুদ্ধে এটা কথা কলেও তোমাৰ জীৱন নাথাকিব ।”

গাওঁবুঢ়াৰ কথা শুনি বিবেকৰ মনত ভাল লাগিল । দেশৰ বিষয়ে যি জানিব লগা আছিল সেইবোৰ জানি ললে । ইয়াৰ পাছত তেওঁ ৰাজধানীলৈ উলতি গ’ল ।

পিছদিনা ৰজাই মন্ত্ৰীসকলক মাতি আনি কলে “আমাৰ দেশৰ দুৰৱস্থাৰ কাৰণ জানি আহিলো । কিন্তু সেই কাৰণবোৰ কেনেদৰে সংশোধন কৰা যায় তাকেহে ভাবি পোৱা নাই ।” তেওঁ দেশৰ অন্যান্য কথাও কলে ।

“প্ৰভু, দেশৰ এই অৱস্থাৰ বাবে আপুনি চিন্তিত নহব । এই ৰাজধানীতে চন্দ্ৰভানু নামৰ এজন মহাকবি আছে । তেওঁৰ ওচৰত বহি কবিতা পাঠত লাগি যাওক । আপোনাৰ সকলো চিন্তা দূৰ হৈ যাব আৰু আপোনাৰ মন আনন্দেৰে ভৰি উঠিব ।” এইবুলি এজন মন্ত্ৰীয়ে পৰামৰ্শ দিলে ।

"যিজন চন্দ্ৰভানু নামৰ কবিৰ কথা উল্লেখ কৰিছে তেওঁৰ বিষয় মই নাজানো, কিন্তু শিৱপুৰী নামৰ গাঁৱত বসুনাথ নামৰ এজন কবি আছে। মোৰ মতে তেওঁহে শ্ৰেষ্ঠ কবি। মই নিজে গৈ তেওঁক সন্মান জনাব বিচাৰো। মোৰ মতে কবিসকলৰ নিজৰ ঠাইলৈ গৈ আমি তেওঁলোকক সন্মান জানাব লাগে। ইয়াৰ বাবে এতিয়াই আৱশ্যকীয় ব্যৱস্থা ললে ভাল হয়।" ৰজা বিবেকে নিজৰ অভিপ্ৰায় ব্যক্ত কৰিলে।

ৰজাৰ আদেশ মতে ঘোষণা কৰা হ'ল অহা সংক্ৰান্তিৰ দিনা ৰজা নিজে শিৱপুৰী গাঁৱলৈ গৈ কবি বসুনাথক সন্মান জনাব। ইয়াৰ আগতে বহুতো ডাঙৰ ডাঙৰ কবি শিৱপুৰিলৈ গৈ ৰঘুনাথক দেখা কৰিলে। কিন্তু সেই কবি সকলে তেওঁৰ কোনো বিশেষ গুণ দেখা নাপালে।

নিৰ্দ্ধাৰিত কাৰ্য্যসূচী মতে বিবেক শিৱপুৰীলৈ ৰওনা হ'ল। তেওঁ ঘোঁৰাৰ গাড়ীত উঠি আহল-বহল ৰাজপথেৰে শিৱপুৰীলৈ গ'ল।

শিৱপুৰী গৈ পোৱাৰ পিছত ৰজাই কবি বসুনাথক কলে," কবিবৰ, আপুনি এজন কিমান বিখ্যাত কবি মই সেই বিষয়ে নাজানো। কিন্তু মই যেতিয়া আপোনাক সন্মান জনাবলৈ শিৱপুৰীলৈ অহাৰ কথা ঘোষণা কৰিলো তেতিয়া ৰাজধানী আৰু শিৱপুৰীৰ মাজত ৰাজপথ বনোৱা হ'ল। প্ৰজাসকলে নিজেই ইয়াৰ দায়িত্ব লৈ কাম কৰিলে। তেওঁলোকে এইটোও প্ৰমাণ কৰি দেখুৱালে যে সকলোলোকে মিলি-জুলি এনেধৰণৰ কাম সুচাৰুৰূপে কৰিব পাৰে। মই বিচাৰো অন্যান্য গাঁৱৰ মানুহবোৰেও এনে আদৰ্শ অনুকৰণ কৰিব লাগে। তেতিয়া গোটেই দেশজুৰি ৰাজপথ হব। যিকোনো ঠাইলৈ নিশ্চিত ভাবে যোৱাৰ সুবিধা হব। যি উদ্দেশ্যেৰে মই আপোনাক সন্মান জনোৱাৰ ব্যৱস্থা কৰিলো মোৰ সেই উদ্দেশ্য সফল হ'ল। এই সুযোগতে মই আপোনাক অভিনন্দন জনালো।"

তেতিয়াৰ পৰাই শিৱপুৰীৰ উন্নতি হবলৈ ধৰিলে। মানুহে বুজিব পাৰিলে ৰাজপথ কেৱল ৰজাৰ ব্যৱহাৰৰ বাবেই নহয়, বৰং প্ৰজাসকলেও ইয়াক ব্যৱহাৰ কৰিব পাৰে। সেয়েহে ৰাজপথ নিৰ্মাণ কৰিবলৈ প্ৰজাসকলে নিজে দেহে-কেহে লাগি গ'ল। এতিয়া সেই ৰাজপথেৰে মানুহবোৰে নিজৰ মাল বস্তু এঠাইৰ পৰা আন ঠাইলৈ নিব পৰা হ'ল। তেওঁলোকৰ উপাৰ্জনো বৃদ্ধি হবলৈ ধৰিলে। ভাল, চাফ-চিকুন আৰু বহল সকলো পথকে এতিয়া ৰাজপথ বুলি কবলৈ ধৰিলে।



৬০. চাৰ্বাক বধ

মহাভাৰত

যুদ্ধ সমাপ্ত হোৱাৰ পাছত পাণ্ডৱসকল গৈ গঙ্গাৰ পাৰ পালে । তেওঁলোকে মৃত আত্মীয় স্বজনৰ কৰ্মকাণ্ড সমাপ্ত কৰি এমাহ জুৰি শোক পালন কৰে আৰু ধৃতৰাষ্ট্ৰ, বিদুৰ তথা নাৰীসকলৰ লগত নগৰৰ বাহিৰত পৰ্ণকুটীৰত কাল কটায় ।

ইয়াৰ বাহিৰেও যুধিষ্ঠিৰক দেখা কৰিবলৈ ব্যাস আদি মুনিসকল, তেওঁলোকৰ শিষ্য আৰু ব্ৰাহ্মণ সকলক লগত লৈ আহিছিল । যুধিষ্ঠিৰে তেওঁলোকক যথাসাধ্যে অতিথি সৎকাৰ কৰি বহিবলৈ দিলে আৰু নিজেও বহিল ।

ইয়াৰ পাছত যুধিষ্ঠিৰে তেওঁলোকক কলে-কৃষ্ণ, ভীন, অৰ্জুন আদি বীৰসকলে মোক বিজয় প্ৰাপ্ত কৰালে, কিন্তু এই জয় মোৰ জয় যেন লগা নাই । মই নিজৰ জ্ঞাতিসকলক বধ কৰিলো লগতে অভিমন্যু আৰু দ্ৰৌপদীৰ পুত্ৰসকলক হেৰুৱালো । এনে অৱস্থাত এই ৰাজ্যৰ ৰজা হৈ মই কেনেদৰে সুখ ভোগ কৰিম? ইয়াৰ উপৰিও তিলোদকৰ সময়ত মোৰ মাতৃ কুন্তীয়ে এই ৰহস্যৰ কথাও কৈছিল মহান দানী আৰু মহাবীৰ কৰ্ণ মোৰ ভাই, মই বুজিব পৰা নাই এনে মহাৰথীৰ কেনেকৈ মৃত্যু হ'ল?”

এই কথা শুনাৰ পিছত নাৰদে কৰ্ণৰ শাপৰ কথা যুধিষ্ঠিৰক কলে ।

কৰ্ণই যি সময়ত দ্ৰোণৰ ওচৰত ধনুৰ্বিদ্যা



অন্য কোনো লোককে দিব নোৱাৰি ।

এই কথা শুনাৰ পাছত কৰ্ণ মহেন্দ্ৰগিৰিৰ ওচৰত তপস্যা কৰি থকা পৰশুৰামৰ ওচৰলৈ গ'ল আৰু সাষ্টাঙ্গে প্ৰণাম কৰি কলে- "গুৰুদেৱ, মই ভৃগুবংশীয় ব্ৰাহ্মণ, মোক আপুনি নিজৰ শিষ্যৰূপে গ্ৰহণ কৰক ।" তাৰ পাছত পৰশুৰামে তেওঁক শিষ্য কৰি ললে । পৰশুৰামে কৰ্ণক বহুতো অস্ত্ৰ-শস্ত্ৰৰ প্ৰয়োগ আৰু তাক ঘূৰাই লোৱা বিদ্যা শিকালে । সেই ঠাইৰ যক্ষ আৰু গন্ধৰ্বসকলৰ লগত মিত্ৰ ভাবে ব্যৱহাৰ কৰি কৰ্ণই নিজৰ অস্ত্ৰ বিদ্যাৰ দ্বাৰা তেওঁলোকক চমক খুৱাই দিছিল ।

সেই সময়তে এদিন কৰ্ণই গুৰুৰ আশ্ৰমৰ ওচৰত সমুদ্ৰ তীৰত ধনু লৈ ঘূৰি ফুৰি আছিল, সেই ঠাইত এটা গাই গৰু দেখি তেওঁ বাণ মাৰি সেই গাইটো মাৰি পেলালে । পিছত কৰ্ণই জানিব পাৰিলে সেই গাইজনী এজন ব্ৰাহ্মণৰ হোমধেনু । কৰ্ণই ততালিকে গৈ সেই ব্ৰাহ্মণৰ ওচৰত ক্ষমা খুজিলে, কিন্তু সেই ব্ৰাহ্মণ শান্ত নহৈ, খঙতে তেওঁক শাপ দিলে-" তুমি যেতিয়া যুদ্ধক্ষেত্ৰত যুদ্ধ কৰি থাকিবা তেতিয়া তোমাৰ ৰথৰ এটা চকা মাটিৰ তলত সোমাই যাব আৰু তেতিয়া তোমাৰ শত্ৰুৰ হাতত মোৰ গাইজনীৰ দৰে মৃত্যু হব ।"

ইয়াৰ পিছত কৰ্ণই সেৱা শুশ্ৰূষা আৰু বিদ্যা কৌশলৰ দ্বাৰা পৰশুৰামক সন্তুষ্ট কৰি তেওঁৰ পৰা সকলো ধৰণৰ ধনুৰ্বিদ্যা শিকি লৈ ব্ৰহ্মাস্ত্ৰৰো উপদেশ প্ৰাপ্ত হ'ল । কিন্তু তেনেতে এটা ঘটনা ঘটিল । এদিন পৰশুৰামে কৰ্ণৰ উৰুত মূৰ থৈ শুই আছিল । সেই সময়তে এটা

শিকি আছিল, সেই সময়ত তেওঁ অৰ্জুনৰ ধনুৰ্বিদ্যাত নিপুণতা দেখি ঈৰ্ষা কৰিছিল । সেইদৰে যুধিষ্ঠিৰৰ বুদ্ধিমত্তা, ভীমৰ বাহুবল, নকুল আৰু সহাদেৱৰ সৌজন্য আৰু কৃষ্ণাৰ্জুনৰ মৈত্ৰীৰ প্ৰতি তেওঁৰ ঈৰ্ষা ভাব আছিল । সেই বাবে তেওঁ দুৰ্যোধনৰ লগত মিত্ৰতা স্থাপন কৰিছিল ।

দ্ৰোণৰ ওপৰত ধনুৰ্বিদ্যা শিকি থকাৰ সময়ত কৰ্ণই এদিন গুপ্তভাবে দ্ৰোণৰ ওচৰলৈ গৈ কলে-"গুৰুদেৱ, আপোনাৰ মনত কোনো শিষ্যৰ প্ৰতিয়ে পক্ষপাতিও নাই, নহয়নে? যুদ্ধত অৰ্জুনক পৰাজয় কৰিবলৈ মোৰ খুব ইচ্ছা আছে । মোক ব্ৰহ্মাস্ত্ৰৰ ব্যৱহাৰ আৰু তাক ঘূৰাই লোৱা বিদ্যা শিকাওক ।"

দ্ৰোণাচাৰ্য্যই অৰ্জুনক ভাল পাইছিল । সেয়েহে তেওঁ কৰ্ণক কৈছিল তুমি এজন সূত পুত্ৰ । ব্ৰহ্মাস্ত্ৰ ব্ৰাহ্মণ আৰু ক্ষত্ৰিয়ৰ বাহিৰে



পোকে কৰ্ণৰ উৰুত কামুৰি ফুটা কৰি দিছিল। কৰ্ণই পোকৰ কামোৰো সহ্য কৰি স্থিৰেৰে বহি আছিল যাতে গুৰুৰ টোপনীত কোনো ব্যাঘাত নঘটে। পোকে কামোৰা ঠাইৰ পৰা তেজ ববলৈ ধৰিলে।

অলপ পিছতে পৰশুৰামে টোপনিৰ পৰা সাৰ পাই তাত তেজ দেখি আৰু উৰুত কামুৰি থকা পোকটো দেখি কলে, -" কৰ্ণ, শুনা, ব্ৰাহ্মণৰ গাত এনে সহ্য গুণ থাকিব নোৱাৰ! তুমি সঁচাকৈ কোৱা, তুমি কোন?"

অতিয়া সঁচা কথা নকলে পৰশুৰামে শাপ দিব বুলি ভয় খালে। সেয়েহে তেওঁ কলে যে তেওঁ সূতবংশী। এই কথা শুনি পৰশুৰামে তেওঁক এইবুলি শাপ দিলে, যুদ্ধৰ সময়ত পৰশুৰামৰ ব্ৰহ্মাস্ত্ৰৰ কথা মনত নাথাকিব। ইমানবোৰ শাপ পোৱাৰ পিছতো কৰ্ণক মহান বীৰ বুলি কোৱা হয়। কলিঙ্গ দেশৰ ৰাজপুৰৰ ৰজা চিত্ৰাঙ্গদৰ কন্যাৰ স্বয়ম্বৰত দুৰ্যোধনে কন্যাক জোৰ কৰি উঠাই লৈ গৈছিল, তেতিয়া বহুতো ৰজাই তেওঁৰ বিৰুদ্ধে যুদ্ধ কৰিছিল, সেই যুদ্ধত কৰ্ণইহে তেওঁক বিজয় প্ৰাপ্ত কৰিছিল।

কৰ্ণই এবাৰ জৰাসন্ধ ৰজাকো পৰাজয় কৰিছিল আৰু তেওঁৰ পৰা মালিনী নামৰ এখন ডাঙৰ নগৰ উপহাৰ হিচাপে পাইছিল। তেওঁৰ পৰাক্ৰম দেখি ভীত হৈ ইন্দ্ৰই অৰ্জুনৰ কাৰনে তেওঁৰ পৰা কবচ আৰু কুন্ডল দান হিচাপে লৈছিল। যুদ্ধত কৰ্ণৰ মৃত্যুৰ কাৰণ এইবোৰেই।

নাৰদৰ মুখে কৰ্ণৰ আতাইবোৰ কথা শুনি যুধিষ্ঠিৰে কলে-" পিতা মাতাই নিজৰ সন্তানৰ বাবে অশেষ যাতনা পায়। মাকে ন মাহ গৰ্ভ ধাৰণ কৰি প্ৰসৱ বেদনা অনুভৱ কৰে। সুখ ভোগৰ পৰা বঞ্চিত হৈ কিমান যুৱকে যুদ্ধত প্ৰাণ হেৰুৱায়। এই ক্ষত্ৰিয় ধৰ্মক ধিক্কাৰ জনাও। ৰাজ্যৰ বাবে মই কিমান যে পাপ কৰিলো! মোক এই ৰাজ্য নালাগে! হে অৰ্জুন, তুমি এই ৰাজ্য চলোৱা। মই তপ যপ আৰু তীৰ্থ যাত্ৰা কৰিম।"

এই কথা শুনি অৰ্জুনে ক্ৰোধিত হৈ যুধিষ্ঠিৰক কলে-" মহাৰাজ, আপুনি নিজৰ ৰাজ্য ঘূৰাই পাবলৈ ক্ষত্ৰিয় ধৰ্ম পালন কৰিছে। এতিয়া ৰাজ্য লাভ কৰাৰ পাছত ভিক্ষা কৰিব খোজাতো অসঙ্গত বুলি অনুমান হৈছে। যদি ভিক্ষা কৰিবই বিচাৰিছিল তেতিয়াহলে ইমান লোকক বধ কৰাৰ কি কাৰণ আছিল? এই সময়ত যদি আপুনি ভিক্ষা কৰাৰ কথা চিন্তা



কৰে আপোনাক দেখি সকলোলোকে নাহাঁহিবনে? নহুৰে কৈছিল দাৰিদ্ৰৰ কামনা কেতিয়াও কৰিব নালাগে। সকলো ধৰ্মৰে মূল হৈছে ধন । সেই কাৰনে আপুনি ৰাজ্য গ্ৰহণ কৰক !অশ্বমেধ যজ্ঞ কৰি সকলো পাপৰ পৰা মুক্ত হৈ যাওক !”

ভীমে অৰ্জুনৰ কথা সমৰ্থন কৰি কলে- ৰাজধৰ্মৰ নিন্দা কৰাৰ কাৰন কি? শত্ৰুক বধ কৰাত দয়া কিহৰ? হিংসা কি? ভিক্ষা মাগিবলৈ দুৰ্যোধন আদি বীৰসকলক বধ কৰা হৈছে নেকি? এই কথা যদি মই আগতে জানিলো হেতেন মই অস্ত্ৰ হাতত ললো হেতেন নে? এই বীৰ যোদ্ধাসকলক বধ নকৰিলো হেতেন ভিক্ষা মইও যথাশক্তি মাগিলো হেতেন ! আপুনি এনেকুৱা কথা কৈছে, যেন কুৱা খুদাৰ পাছত তাৰপৰা পানী আনিব বিচৰা নাই। এতিয়া আপোনাক দোষ দিয়াৰ কোনো কাৰণ নাই । দোষতো আমাৰেই, আপোনাৰ কথা শুনি আমি শক্তিশালী হোৱা স্বত্বেও দুৰ্বলৰ দৰে আচৰণ কৰিছো । যি হবৰ আছিল হ'ল, এতিয়া এই সকলোবোৰ কথা এৰি নিজৰ ৰাজ্য শাসন কৰা ।” নকুল আৰু সহদেৱেও সেইদৰে যুধিষ্ঠিৰক বুজালে ।

অৱশেষত দ্ৰৌপদীয়েও কলে “আপুনি আপোনাৰ ভায়েকহঁতে যি কৈছে তাকে কৰক। বনবাসৰ সময়ত যেতিয়া তেওঁলোকে অসহনীয় কষ্ট পাইছিল তেতিয়া আপুনি তেওঁলোকক এই বুলি সান্ত্বনা দিছিল-“ এই কষ্ট চিৰদিনৰ বাবে নাথাকে, অতি শীঘ্ৰে দুৰ্যোধনক পৰাস্ত কৰি আমি ৰাজ্য অধিকাৰ কৰিলম ।” এতিয়া পুনৰ সেই কথাতো মনত পেলাওক । এতিয়া আপুনি যি কথা কৈছে, সেই কথাত তেওঁলোকে নিৰুৎসাহিত হৈছে। আপুনি বহুদিন আগতে যুদ্ধ কৰি বহুতো ৰাজ্য লাভ কৰা নাছিল নে? ৰাজ্য লাভ কৰিবলৈ আৰু অন্য কোনো পথ আছেনেকি? আপুনি এনেকুৱা কথা কলে মানুহে ভাবিব যুধিষ্ঠিৰৰ মতিভ্ৰম হৈছে। ৰাজ্য শাসন কৰাতো ভুল নহয়। অম্বৰীষ, মান্ধাতা আদিৰ দৰে মহান লোকসকলেও ৰাজ্য লাভ কৰিছিল ।”

ইয়াৰ পিছত ঋষিসকলেও যুধিষ্ঠিৰক হিত উপদেশ দিলে । মহৰ্ষি ব্যাসে যুধিষ্ঠিৰক কলে- “ যদি আমাক বধ কৰিবলৈ কোনো বেদজ্ঞ পণ্ডিতো আহে তেতিয়াহলে তেওঁক বধ কৰিব পাৰি । ইয়াৰ বাবে আমি ব্ৰহ্মহত্যা দোষৰ ভাগী নহওঁ ।”

নিজৰ ভায়েকহঁতে, মহৰ্ষি ব্যাস আৰু কৃষ্ণই বুজনি দিয়াৰ পাছত যুধিষ্ঠিৰে মনৰ সন্দেহ আৰু চিন্তা দূৰ কৰি ৰাজ্য শাসন কৰিবলৈ প্ৰস্তুত হ'ল ।

যুধিষ্ঠিৰৰ বাবে ৰথ সাজু কৰা হ'ল । তাত ষোল্লটা বগা ঘোঁৰা যুতি দিয়া হ'ল । বগা স্তম্ভ লগোৱা হ'ল । ভীম গৈ ৰথীৰ স্থানত বহিল । অৰ্জুনে যুধিষ্ঠিৰৰ ওপৰত বগা ছত্ৰ ধৰিলে । নকুল আৰু সহদেৱে তেওঁৰ বাবে চামৰ ধৰিলে। যুধিষ্ঠিৰৰ ৰথৰ পিছত যুযুৎচৰ ৰথ গ'ল। ইয়াৰ পিছত সাত্যকী আৰু কৃষ্ণৰ দুটি ঘোঁৰাৰ ৰথ গ'ল । এই সমদলৰ আগত গান্ধাৰী, ধৃতৰাষ্ট্ৰ, কৌৰৱ নাৰীগন, কুন্তী, দ্ৰৌপদী আদি বেলেগ বেলেগ বাহনত বিদুৰৰ লগত আগবাঢ়িল । তেওঁলোকৰ পিছে পিছে চতুৰঙ্গী সেনাসকল গ'ল । নানা জনৰ স্তোত্ৰ পাঠৰ মাজেৰে গৈ যুধিষ্ঠিৰ হস্তিনাপুৰ পালে । গোটেই নগৰ সুন্দৰ ভাবে সজোৱা হৈছিল । সকলো ঠাইতে তোৰণ সজা হৈছিল ।

যুধিষ্ঠিৰ গৈ যেতিয়া নগৰত প্ৰৱেশ কৰিলে হাজাৰ হাজাৰ নৰ-নাৰী পথৰ দাঁতিত থিয় হৈ তেওঁলোকক স্বাগতম জনালে । মন্ত্ৰী তথ্য অন্যান্য গন্যমান্য ব্যক্তিয়ে আহি কলে-" মহাৰাজ, আজি আমাৰ পৰম সৌভাগ্য যে আপুনি শত্ৰুক পৰাজিত কৰি পুনৰ ৰাজ্য লাভ কৰিলে ।"ব্ৰাহ্মণসকলে যুধিষ্ঠিৰক আশীৰ্বাদ দিলে ।

যুধিষ্ঠিৰে ৰাজকাৰেঙত প্ৰৱেশ কৰি ধৌম্য আৰু ধৃতৰাষ্ট্ৰক প্ৰণাম কৰিলে লগতে ইষ্টদেৱতাক আৰাধনা কৰিলে । সেই সময়তে গন্দগোলৰ সৃষ্টি হ'ল । দুৰ্যোধনৰ মিত্ৰ চাৰ্বাকে যুধিষ্ঠিৰৰ ওচৰলৈ আহি কলে-" জ্ঞাতি-সকলক বধ কৰি তুমি কি ভোগ কৰিবলৈ আহিছা? তুমি এনে নিকৃষ্ট জীৱন যাপন কৰি কি কৰিবা?"

এই কথা শুনি লাজতে ব্ৰাহ্মণসকলৰ ফালে চাই কলে-" মোক অলপ দয়া কৰক, মই খুব চিন্তিত হৈ আছো, মোক এইদৰে নিন্দা নকৰিব।"

ইয়াৰ পিছত ব্ৰাহ্মণসকলে কলে-" চাৰ্বাকৰ মত আমাৰ মত নহয় । তেওঁ দুৰ্যোধনৰ বন্ধু । সেই কাৰনে তেওঁ এন ধৰণৰ কথা কৈছে। আপোনাৰ তথা আপোনাৰ ভায়েকসকলৰ কোনো অশুভ নহয় । ইয়াকে কৈ সকলো ব্ৰাহ্মণ লগ হৈ চাৰ্বাকক মাৰি পেলালে । যুধিষ্ঠিৰৰ মনৰ শান্তিৰ বাবে কৃষ্ণই চাৰ্বাকৰ কাহিনী বৰ্ণনা কৰিলে ।

ত্ৰেতা যগত চাৰ্বাক এজন ৰাক্ষস আছিল। তেওঁ বনৰ মাজত বহুদিন তপস্যা কৰি ব্ৰহ্মাক সন্তুষ্ট কৰি এই বৰ পাইছিল যে ব্ৰাহ্মণৰ বাহিৰে অন্য লোকৰ হাতত তেওঁৰ যেন মৃত্যু নহয় ।

ইয়াৰ পিছত যথাবিহিত যুধিষ্ঠিৰৰ ৰাজ্যাভিষেক পতা হ'ল । ধৌম্যই এখন বেদী বনালে । তাৰ ওপৰত বাঘৰ ছাল পাৰি দিয়া হ'ল । তাৰ ওপৰত গৈ যুধিষ্ঠিৰ আৰু দ্ৰৌপদী বহিল । ধৌম্যই যুধিষ্ঠিৰৰ দ্বাৰা হোম কৰালে। তেতিয়া কৃষ্ণই এটা শঙ্খৰ দ্বাৰা যুধিষ্ঠিৰৰ অভিষেক কৰি গোটেই পৃথিবীৰে ৰজা হবলৈ আশীৰ্বাদ দিলে । ইয়াৰ পাছতে মঙ্গল বাদ্য বাজি উঠিল । যুধিষ্ঠিৰে সকলোৰে উপহাৰ গ্ৰহণ কৰিলে আৰু ব্ৰাহ্মণসকলৰ সেৱা শশ্ৰূষা কৰিলে ।

ইয়াৰ পিছত যুধিষ্ঠিৰে প্ৰজাসকলক কলে-" প্ৰজাসকল, ধৃতৰাষ্ট্ৰ আমাৰ বাবে দেৱতা স্বৰূপ । আমাৰ প্ৰতি যাৰ বিশ্বাস আছে তেওঁলোকে যেন তেওঁৰ শাসন ব্যৱস্থা মানি লয় । আমি মাথোঁ তেওঁৰ সেৱাৰ বাবেই জীয়াই আছো । মোৰ তথা আপোনালোকৰ বাবেও তেওঁৱেঁই ৰজা ।"

যুধিষ্ঠিৰে ভীমক যুৱৰাজ পাতিলে আৰু বিদুৰক মন্ত্ৰী নিযুক্ত কৰিলে । সঞ্জয় হ'ল কোষাধ্যক্ষ আৰু উপদেষ্টা । নকুল হ'ল ভৃত্যসকলৰ বেতন নিৰ্ণয়কৰ্ত্তা, অৰ্জুনক দিয়া হ'ল গোটেই ৰাজ্য দেখা কৰাৰ ভাৰ আৰু ধৌম্যক ব্ৰাহ্মণ আৰু দেৱতাসকলক চোৱা চিতা কৰাৰ বাবে নিযুক্ত কৰা হ'ল ।

এই সকলোবোৰ কাৰ্য্য হোৱাৰ পিছত যুদ্ধত মৃত্যু হোৱা লোকসকলৰ শ্ৰাদ্ধ কৰা হ'ল। ভূদান দিয়া হ'ল । ধৃতৰাষ্ট্ৰই নিজৰ পুত্ৰসকলৰ আৰু যুধিষ্ঠিৰে দ্ৰোণ, কৰ্ণ, ধৃষ্টদ্যুম, ঘটোৎকচ আৰু অভিমন্যুৰ বাবে বেলেগে বেলেগে শ্ৰাদ্ধ কৰিলে। মৃত ব্যক্তিসকলৰ নামত স্মাৰক বনোৱা হ'ল । পুখুৰী আদি খন্দোৱা হ'ল । এইদৰে যুধিষ্ঠিৰে প্ৰজাসকলৰ সুখ দুখৰ প্ৰতি মনোযোগ দি শাসনকাৰ্য্য চলাবলৈ ধৰিলে ।

(ক্ৰমশঃ)



পৰোপকাৰী সমীৰ
যোৱা মাহৰ পৰা ক্ৰমশঃ) সমীৰ আৰু শেৰু মঙ্গলপুৰ গৈপালে । গাঁওবাসী ভূতৰ পৰা ভয় পাইছিল । সমীৰে গোবিন্দ মহাজনক বৰগছ জোপাৰ আশে পাশে ঘূৰি থকা দেখিলে ।
কোন তুমি? তোমাৰ কি লাগে ?
মঙ্গা মহাজন....! মঙ্গা মহাজন !
গোবিন্দই সন্ন্যাসীক বহিবলৈ আসন দিলে ।
মই যোগেন্দ্ৰৰ পুত্ৰ । মই মঙ্গাক লগ পাব লাগে । তেওঁৰ লগত মোৰ কাম আছে ।
মঙ্গা মহাজন মোৰ পিতা । তেওঁ এতিয়া নাই তেওঁৰ লগত তোমাৰ কি কাম ?
তেওঁ মোৰ পিতাৰ পৰা এক লাখ টকা ধাৰে লৈছিল । মই সেই টকা ঘূৰাই লবলৈ আহিছো । গতিকে মোক সেই টকাখিনি ওভতাই দিয়া আৰু মোক যাবলৈ দিয়া ।
মোৰ পিতাই তেওঁৰ পৰা কিয় টকা লৈছিল ?এনেয়েও মোৰ লগত কোনো টকা নাই । যদি তুমি ইচ্ছা কৰা মোৰ ঘৰ খানাতালাচ কৰি চাব পাৰা ।
গোবিন্দ মহাজনে লকাৰ খুলি দেখুৱালে ।

আচ্ছা, এতিয়া মই জানিব পাৰিছো তেওঁৰ গোটেই ধন ক'ত লুকাই ৰাখিছে। সেই বটগছ জোপাৰ মাটিৰ তলত?....আৰু মানুহবোৰক ভূতৰ ভয় দেখুৱাই খেদি দিয়ে।
চোৰা, ধাৰ, ধাৰেই আৰু তাক পৰিশোধ কৰিব লাগে । তুমি কেনেকৈ পৰিশোধ কৰা সেইটো মই নাজানো.......
....কিন্তু তুমি মোৰ পিতাক নাজানা?
এনে কথা নকবা । সকলো ঠাইতে মোৰ পিতাৰ ভূত ঘূৰা-ফুৰা কৰি আছে । মঙ্গা মহাজনৰ নাম ভেকুলিয়েও পানী নাখায়, যোগেন্দ্ৰই তেওঁক কি কৰিব পাৰিব ?
মোৰ পিতাইও ধাৰে দিয়া টকা ঘূৰাই লববৈলে ভূতৰ দৰে ইফালে-সিফালে ঘূৰি আছে । যিয়ে তেওঁ টকা ঘূৰাই নিদিয়ে তেওঁ আচৰিত ভাবে মৃত্যু হয় ।
যদি তুমি মোক সুদা হাতে পঠাই দিয়া তোমাৰ অৱস্থা কি হয় সেইটো মই আৰু নাজানো ! তুমি এইটো ভাবা নেকি, তুমি নকলা বুলি তোমাৰ পইচা ক'ত লুকাই ৰাখিছা পিতাই সেইটো নাজানিব?
সমীৰে পিছৰ পৰিকল্পনা মনতে ভাবি গোবিন্দ মহাজনৰ ঘৰৰ পৰা ওলাই আহিল ।

যদি সেই ভূতটো মোৰ পিছে পিছে আহে মই কি কৰিম ?
গোবিন্দ মহাজন চিন্তাত পৰিল ।
তেওঁ বটগছ জোপাৰ ওচৰলৈ গ'ল আৰু ভূতৰ দৰে কাপোৰ পিন্ধি ললে ।
মই গোটেই ধনখিনি ঘৰলৈ লৈ যোৱাই ভাল হব ।
তেওঁ গাঁত খান্দি এটাৰ পিছত এটা কলহ উলিয়ালে ।
সমীৰে যি গছজোপাৰ ওপৰত উঠি গোবিন্দৰ বাবে প্ৰতিক্ষা কৰি আছিল, তাৰপৰা জাপ মাৰি গোবিন্দৰ ওপৰত পৰিল ।
ভূত!ভূত!মোৰ পিছাফালে! মোক ৰক্ষা কৰা!
PAANI

গোবিন্দ মহাজনক তেওঁ গছত বান্ধি থলে । সমীৰে শেৰুক গোবিন্দৰ ৰখীয়া কৰিবলৈ এৰি দিলে ।
মোৰ কথা শুনা বন্ধু সকল !ভূতৰ নাটক সমাপ্ত হ'ল! মই আপোনালোকক দেখুৱাব পাৰো সেই ভূত কোন ?মোৰ লগত আহক!
গোবিন্দ মহাজন! তেওঁৰে ভূত আছিল নেকি?
আমাৰ দোকানীয়েই ভূত?
কি যে লাজৰ কথা ! তেওঁ তাৰেই যোগ্য ।
ভূল পথে পৰিচালিত হৈ পিতাকে যি উপাৰ্জন কৰিছিল, গোবিন্দ মহাজনেও সেই পথকে লৈ আপোনালোকক লুকুৱাই তেওঁ গোটেই ধন ৰাখিলে । তেওঁ পিতাকৰ ভূত দেখুৱাই আপোনালোকক মূৰ্খ বনাই ৰাখিছিল । যেতিয়ালৈকে আপোনালোকে ভূত-প্ৰেতক ভয় কৰি থাকিব তেতিয়ালৈকে আপোনালোকক মূৰ্খ বনাই থাকিব । এক নিৰ্ভীক আৰু দৃঢ় জীৱন যাপন কৰিবলৈ চেষ্টা কৰিব । মই আপোনালোক মোৰ শুভেচ্ছা জনালো ।
- সমাপ্ত
(আগলৈ আৰু এটা সাহসিক কাহিনী)



বনৌষধিৰ ৰহস্য

বহুদিন আগতে কপিশা নগৰত মাধৱ নামৰ এজন ধনী মানুহে বাস কৰিছিল । তেওঁৰ শহুৰেকৰ ঘৰো অৱস্থাপন্ন আছিল । তেওঁ ইচ্ছা কৰিলে ঠেংৰ ওপৰত ঠেং তুলি আৰামেৰে জীৱন কটাব পাৰিলে হেতেন । কিন্তু মাধৱ বিনা কামে বহি থকা মানুহ নহয়। তেওঁ ৰসায়ন বিদ্যাত বিশেষজ্ঞ হব বিচাৰিছিল । তেওঁ তামৰ পৰা সোন তৈয়াৰ কৰাৰ চেষ্টা কৰিছিল । এই কামত তেওঁ নিজৰ সকলো পইচা খৰছ কৰিছিল আৰু সেয়েহে পিছত তেওঁলোকৰ অৱস্থা বেয়া হবলৈ ধৰিলে।

মাধৱৰ পত্নী বৰ বুদ্ধিমতী আছিল । তেওঁ প্ৰথমৰ পৰাই জানিছিল তেওঁৰ পতি সোনৰ বাবে পাগল । ইয়াৰ বাবে তেওঁ নিজৰ সা-সম্পত্তি শেষ কৰি দিব । তেওঁ বুজিছিল এই পাগলামীয়ে অকল মাধৱকে নহয়, ঘৰৰ সকলো পৰিয়ালকে শেষ কৰি দিব । পৰিস্থিতি আৰু আগবাঢ়িলে ঘৰৰ মানুহে খাবলৈকে একো নাথাকিব । সেয়েহে তেওঁ ঠিক কৰিলে পৰিয়ালটো নাশ হোৱাৰ পৰা উদ্ধাৰ কৰিবলৈ তেওঁ কিবা এটা কৰিব ।

সেই উদ্দেশ্যে তেওঁ ঘৰ চলোৱাৰ বাবে বিশেষ মনোযোগ দিলে । কিন্তু তেওঁৰ সকলো চেষ্টাই ব্যৰ্থ হৈ গ'ল । আনৰ দৰে তেওঁৰ পতিয়েও যদি কিবা ব্যৱসায় কৰিলেহেতেন, তেনেহলে ভাললৈ আহিল হেতেন । সোনৰ বাবে পাগল মাধৱৰ মূৰত তেওঁৰ পত্নীৰ কোনো কথাই নোসোমাল, বৰং তেওঁৰ গোটেই সম্পত্তি লাহে লাহে নিঃশেষ হবলৈ ধৰিলে । তেওঁ পত্নীক মাথোঁ কৈছিল-"চিঞৰ-বাখৰ নকৰিবা । সোণ তৈয়াৰ কৰা বিদ্যাত বহুখিনি আগবাঢ়িছো । কৃতকাৰ্য্য হবলৈ এতিয়া অলপমান হে বাকী।" মাধৱৰ বিশ্বাস, এই কামত কৃতকাৰ্য্য হব পাৰিলে তেওঁৰ বহুতো সোণ হব । তেতিয়া তেওঁ কোটিপতি হব পাৰিব । কিন্তু সোণ যে এক মৃগতৃষ্ণা তেওঁ নাজানিছিল, যিয়ে তাক খেদি যায়, সি সিমানে আতৰি যায় ।

মাধৱৰ পত্নীৰ অৱস্থা খুব বেয়াৰ ফালে গ'ল । তেওঁ মাকৰ ঘৰলৈ গৈ পিতাকৰ আগত

পঁচিছ বছৰ আগতে 'চান্দমামা'ত প্ৰকাশিত পুৰণি গল্প

ঘৰৰ সকলোবোৰ কথা ভাণ্ডি-পাতি কলে । তেতিয়া পিতাকে জীয়েকক কলে-"মই জোৱাইৰ লগত এই বিষয়ে কথা হম । তুমি চিন্তা নকৰিবা, তেওঁ ঠিক হৈ যাব ।"

শহুৰেকৰ নিমন্ত্রন পাই মাধৱ শহুৰেকৰ ঘৰলৈ গ'ল ।

মাধৱে উৎসাহিত হৈ তেওঁ কি কি কৰিছে সেই সকলোবোৰ কথা শহুৰেকক কলে ।

"অঃ ! তুমি আচল কথাটো পাহৰি গৈছা এই কেইবছৰ তোমাৰ এনেয়ে গ'ল ! তুমি মোৰ পৰামৰ্শ আগতে লব লাগিছিল । ময়ো এই বিদ্যা সম্পৰ্কে বহুত অধ্যয়ন কৰিছো । তোমাৰ কামতো সহজ বুলি মই এতিয়াও কব নোৱাৰো । তুমি কিছু বছৰ সহনশীলতাৰে এই কাম কৰিব লাগিব । মই এতিয়া বুঢ়া হৈছো। বেছি প্ৰৰিশ্ৰমো কৰিব নোৱাৰো । এই কাম তুমিয়েই কৰিব লাগিব । সেয়েহে এই বিষয়ে মই যি ৰহস্য জানো সেইসকলোবোৰ তোমাক বুজাই কম । মই কোৱা মতে যদি কাম কৰা তেতিয়া তোমাৰ ইচ্ছা পুৰণ হব।" শহুৰেকে কলে ।

মাধৱে অতি ভক্তিভাবে কলে-"শহুৰ দেউতা ! আপুনি কোৱা মতে মই অতি শ্ৰদ্ধাৰে সেই কাম কৰিম । কৃতকাৰ্য্য নোহোৱালৈ এৰি নিদিও ।"

"তুমি অত দিনে তামৰ পৰা সোণ তৈয়াৰ কৰিবলৈ চেষ্টা কৰিছা নহয় নে ? ইয়াৰ বাবে আৱশ্যকীয় সকলো সামগ্ৰী আছে মোৰ ওচৰত । মাথোঁ এটা বস্তু নাই । আমাৰ সহনশীলতা পৰীক্ষা কৰি অধিক শ্ৰম দিবপৰা বস্তু হ'ল সেইটো । কিন্তু সেইটো পোৱা অসম্ভৱ নহয়।" শহুৰেকে কলে ।

"শহুৰ দেউতা ! সেই বস্তুটো নো কি ? কওকচোন ।"মাধৱে শহুৰেকক সুধিলে ।

"তেনে কোনো ডাঙৰ কথা নহয় । কলৰ পাতৰ ওপৰত যে বগা পাউডাৰৰ দৰে এবিধ বস্তু আছে দেখিছা নহয় । তাৰে কিছু পৰিমাণতো মই তোমাক কম বাৰু । সংগ্ৰহ কৰিব লাগিব । ইয়াত এটাই অসুবিধা, সেই বগা গুৰি থকা কলৰ পুলি মন্ত্ৰ পঢ়ি তুমি নিজ হাতে ৰুব লাগিব । সেই মন্ত্ৰটো মই তোমাক শিকাই দিম ।"শহুৰেকে কলে ।

"বহুত পুলি ৰুব লাগিব, নহয়নে ?" মাধৱে সুধিলে ।

"ইয়াত কি সন্দেহ আছে ? কেই একৰমানৰ এখন কলৰ বাগান কৰিব লাগিব, নহলে ইমানখিনি গুৰি ক'ত পাবা ?" শহুৰেকে কলে ।

খেতি পথাৰ এখন কিনি তাত কল ৰোৱাত শহুৰেকে মাধৱক সহায় কৰিলে । মজদুৰবোৰে মাটি সমান কৰি কলৰ পুলি ৰুবলৈ তাত গাঁত খান্দিলে । শহুৰেকে কোৱাৰ নিচিনাকৈ মাধৱে মন্ত্ৰ পঢ়ি নিজ হাতে

কলৰ পুলি ৰুলে । মাধৱৰ পত্নীয়েও এই কামত বহুত উৎসাহ দেখুৱালে ।

পুলিবোৰ ডাঙৰ হ'ল । মাধৱে গোটেই দিনতো কলৰ বাগিছাত ঘূৰি ঘূৰি কলৰ পাতৰ বগা গুৰি সংগ্ৰহ কৰিবলৈ ধৰিলে । দুই তিনিদিন পিছত তেওঁ যেতিয়া জুখি চালেতেওঁ অনুমান কৰিলে সিমানখিনি গুৰি সংগ্ৰহ কৰিবলৈ বহুদিন সময় লাগিব । ইয়াৰ বাবে আৱশ্যক সহনশীলতাৰ ।

মাধৱৰ দৃষ্টি আছিল কলৰ পাতত থকা বগা গুৰিবোৰৰ ওপৰত । তেওঁৰ পত্নীয়ে কলৰ পাত, পচলা, কলফুল আৰু কল বিক্ৰী কৰি বহু ধন গোটালে । মাধৱৰ দৃষ্টি কিন্তু সেই ফালে নাছিল । তেওঁৰ সকলো সময়তে এইটোৱে চিন্তা আছিল, কেতিয়া সিমানখিনি কলৰ পাতৰ গুৰি যোগাৰ কৰিব পাৰিব আৰু কেতিয়া তামৰ পৰা সোণা তৈয়াৰ কৰিব পাৰিব ।

এইদৰে তিনি বছৰ পাৰ হৈ গ'ল, কিন্তু মাধৱৰ লক্ষ্য পুৰণ নহল । তেওঁৰ পত্নীয়ে কলৰ বাগিছাৰ পৰা যি উপাৰ্জন কৰিছিল তাত তেওঁ নিজে আচৰিত হৈ গ'ল । গাড়ীত ভৰাই কল আৰু কলৰ পাত লৈ বহু দূৰৰ বজাৰলৈ গৈছিল । সেই প্ৰদেশত সিমান ডাঙৰ কলৰ বাগিছা কাৰো নাছিল ।

আৰু দুবছৰ পাৰ হৈ গ'ল । মাধৱে নিজৰ কামত সফল হ'ল । তেওঁ আৱশ্যকীয় পৰিমাণৰ কলৰ পাতৰ বগা গুৰি সংগ্ৰহ কৰিলে । তেওঁ সেইবোৰ শহুৰেকৰ সন্মুখত থৈ কলে-"এইয়া লওক, আপুনি কোৱা মতে মই এইবোৰ সংগ্ৰহ কৰিছো ।"

"ধন্যবাদ ! এতিয়া তোমাৰ পইচাৰ অভাৱ

নহয় ।"এইবুলি কৈ শহুৰেকে হাঁহিব ধৰিলে। তাৰপিছত জীয়েকৰ ফালে চাই সুধিলে- "মাজনী, কলৰ বাগিছাৰ পৰা তুমি কিমান টকা উপাৰ্জন কৰিলা ?"

মাধৱৰ ঘৈণীয়েকে এখন টকাৰ মোনা আনি বাপেকক দি কলে-"আপুনিয়েই হিচাপ কৰক ।"

মাধৱে বুজিব পৰা নাই কলৰ বাগিছাৰ পৰা কেনেদৰে উপাৰ্জন হব পাৰে ? তেওঁ মাথোঁ কলৰ পাতত থকা বগা গুৰিটোৰ কথা হে চিন্তা কৰিছিল । শহুৰেকে মোনাৰপৰা টকাবোৰ উলিয়াই হিচাপ কৰি কলে-"বিশ হাজাৰ টকা ।"সিমানখিনি টকা দেখি মাধৱে আচৰিত হ'ল ।

"মোৰ উপদেশে কেনেকৈ কাম দিলে চোৱা ? তুমি ইচ্ছা কৰিলে এই টকাৰে সোণ কিনিব পাৰা, অলঙ্কাৰ বনাব পাৰা, যি ইচ্ছা তাকে কিনিব পাৰা । এইটো স্বীকাৰ কৰিবাতো ? যোৱা পাঁচ বছৰ তুমি যি পৰিশ্ৰম কৰিলা তাৰ ফল হাতে হাতে পালা । তুমি যি ৰাসায়নিক বিদ্যা শিকিছিলা তাতকৈ এইটো উত্তম নহয়নে ?"শহুৰেকে সুধিলে ।

মাধৱৰ চকু মুকলি হ'ল । এতিয়াহে তেওঁ বুজিব পাৰিলে, তেওঁ যি কৰি আছিল সেয়া আছিল ব্যৰ্থ প্ৰয়াস । ইমান দিন তেওঁ আকাশত চাংপাতি আছিল, আৰু এনেদৰে কিছুদিন থাকিলে তেওঁৰ পৰিয়াল শেষ হৈ যোৱাতো নিশ্চিত আছিল ।

শহুৰেকে প্ৰথমতে ফাঁকি দি পিছত উচিত শিক্ষা দিলে । ইয়াৰ পৰা তেওঁৰ লাভ হে হ'ল। কামধেনুৰ দৰে কলৰ বাগান থকাত তেওঁৰ কিহৰ পইচাৰ অভাৱ ?

মাধৱে তেওঁৰ শহুৰেকৰ ওচৰত ক্ষমা বিচাৰি তেওঁৰ ওচৰত কৃতজ্ঞতা প্ৰকাশ কৰিলে । ইয়াৰ পিছত তেওঁ ভালদৰে বাগিছা পৰিচালনা কৰি তাৰ উপাৰ্জনেৰে আৰামেৰে দিন কটালে ।

পৰিশ্ৰম কৰি উপাৰ্জন কৰাত যি আনন্দ আছে তাতকৈ আৰু কি উত্তম হব পাৰে ? অসম্ভবক সম্ভব কৰিবলৈ ব্যৰ্থ চেষ্টা কৰাতো পাগলামীৰ বাহিৰে আৰু একো নহয় । মানুহৰ এটা লক্ষ্য আছে, সেই লক্ষ্যত একোটা যুক্তিও আছে, তেতিয়াহে তাক উচিত লক্ষ্য বুলি কব পাৰি ।

মানুহ চেষ্টা কৰিব লাগে, কিন্তু তাৰপৰা পোৱা লাভ সীমিত হব নালাগে । সেই কামৰ দ্বাৰা মানুহৰ কল্যাণ হওক, এইটোহে ভাবিব লাগে । ইয়াৰ দ্বাৰা এক আদৰ্শও দেখুৱাব পাৰি । যি আদৰ্শৰ পৰা মানুহৰ মঙ্গল হয়, উন্নতি হয় ।

ভাৰতৰ বিষয়ে জানি লোৱা

প্ৰশ্নাৱলী

এই আলোচনীৰ পাতত প্ৰায়েই ঋষি মুনিসকলৰ গল্প প্ৰকাশ কৰা হয় । তুমি হয়তো তেওঁলোকৰ বিষয়ে পঢ়িছা অথবা চিনেমাত দেখিছা । তুমি তেওঁলোকৰ নামবোৰ মনত কৰিব পাৰিছানে? তুমি তেওঁলোকৰ জীৱন আৰু কৰ্মসম্পৰ্কে বাৰু কিমান পৰিচিত?

১. ভাৰতৰ এগৰাকী ৰাজকুমাৰীয়ে ৰাজকীয় জীৱন ত্যাগ কৰি ভগবান কৃষ্ণৰ ভক্ত হৈছিল । তেওঁ কোন আছিল?

২. ভগবান কৃষ্ণৰ অন্য এজন ভক্ত কবি আছিল আৰু তেওঁ সদায় ভগবানৰ প্ৰশংসা কৰি গীত গাইছিল । তেওঁ অন্ধ আছিল । তেওঁ কোন আছিল?

৩. বঙ্গদেশত ভক্তি আন্দোলন প্ৰবৰ্তন কৰা মহাপুৰুষজন কোন আছিল?

৪. আদি শঙ্কৰাচাৰ্য্যই পাঁচখন ঠাইত মঠ প্ৰতিষ্ঠা কৰিছিল । সেইবোৰৰ নাম কোৱা ।

৫. এগৰাকী তামিল মহিলা কবি ভগবান মুৰুগৰ ভক্ত আছিল, যাক ভগবান সুব্ৰমনিয় বুলি কৈছিল । তেওঁৰ নাম কি আছিল?

৬. এজন মুছলমান মহাপুৰুষ সম ধৰ্মৰ দৃঢ় বিশ্বাসী আছিল । তেওঁৰ নাম কি আছিল?

৭. হিন্দু আৰু মুছলমান সকলে সমান ভক্তিৰে এজন মহাপুৰুষক পূজা কৰিছিল । তেওঁ আহমদনগৰৰ ওচৰৰ এখন ঠাইত বাস কৰিছিল । তেওঁৰ নাম কি আছিল?

৮. শ্ৰীপেৰামবুদুৰ ঠাইখন সাধাৰণতে প্ৰাক্তন প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধী শ্বহীদ হোৱা ঠাই হিচাবে জনা যায় । এইখন এজন প্ৰখ্যাত মহাপুৰুষৰো জন্ম স্থান । তেওঁৰ নাম কি আছিল?

(উত্তৰ : আহা মাহত)

ফ্ৰেব্ৰুৱাৰী মাহৰ প্ৰশ্নাৱলীৰ উত্তৰ

১. ৰাজীয়া চুলতান । তেওঁ চাৰিবছৰ ৰাজত্ব কৰিছিল ।

২. মাদাৰ টেৰেছা

৩. প্ৰাধানমন্ত্ৰী ইন্দিৰা গান্ধী

৪. ৰাজকুমাৰী অমৃত কৌৰ । তেওঁ স্বাস্থ্য মন্ত্ৰী আছিল ।

৫. কেপ্তেন লক্ষ্মী

৬. ডঃ এনি বেচেন্ট

৭. নাৰ্গিচ দত্ত

৮. এম.এচ.সুব্বালক্ষ্মী

৯. অৰুন্ধতী ৰয় । তেওঁৰ ৰচিত উপন্যাস ‘দি গড অব স্মল থিংচ’ৰ বাবে ।

১০.আশাপূৰ্ণা দেৱী । তেওঁৰ উপন্যাস ‘প্ৰথম প্ৰতিশ্ৰুতি’ৰ বাবে ।

১১.অমৃতা ছেৰ গিল্ড ।

১২.লতা মঙ্গেছকাৰ । চিনেমাত বেচি সংখ্যক গীত গোৱা বাবে ।

(সংবাদ প্ৰবাহ)

সম্পত্তিৰ ভাগ

এজন বেপাৰীৰ দুটা ল'ৰা আছিল । ডাঙৰ ল'ৰাজন স্বাৰ্থপৰ আৰু সৰুজন সহজ সৰল আছিল । বেপাৰীয়ে ভাবিছিল তেওঁৰ মৃত্যুৰ পাছত ডাঙৰজনে সৰু ভায়েকক ঠগাব পাৰে । ইয়াকে ভাবি তেওঁ তেওঁৰ গোটেইবোৰ ধন দুটা বস্তাত বান্ধি থলে । তেওঁৰ মৃত্যুৰ সময়ত দুয়ো পুত্ৰকে ওচৰলৈ মাতি আনি কলে-"বাচাহত, মোৰ যিবোৰ সম্পত্তি আছিল সেই সকলোবোৰ দুটা বস্তাত বান্ধি পশ্চিম ফালৰ কোঠাটোত ৰাখিছো । দুয়ো এটা এটা বস্তা ভগাই লৈ নিজৰ জীৱন চলাবা ।"

কিছুদিন পিছত বেপাৰীৰ মৃত্যু হ'ল । শ্ৰাদ্ধৰ প্ৰথম দিনা ডাঙৰ পুতেকে কোঠাত সোমাই বস্তা খুলি চালে । এটা বস্তাৰ ওপৰত ৰূপৰ মুদ্ৰা আছিল আৰু তলত মাটিৰ চপৰা আছিল । দ্বিতীয় বস্তাৰ ওপৰত মাটিৰ চপৰা আছিল আৰু তলত ৰূপৰ মুদ্ৰা আছিল । ডাঙৰ পুতেকে বুজি পোৱা নাছিল সেইদৰে সলনি কৰি কিয় বস্তুবোৰ ৰাখিছে । সেয়েহে তেওঁ এখন বস্তাত ৰূপৰ মুদ্ৰাবোৰ ভৰালে আৰু আন খনত মাটিৰ চপৰাবোৰ ভৰালে । পিছদিনা তেওঁ সৰু ভায়েকক কলে-"ভাই, পিতাই আমাক এক এক বস্তা ভগাই নিবলৈ কৈছিল । মই এই বস্তা লওঁ আৰু তুমি সেই বস্তা লোৱা ।" এইবুলি কৈ ডাঙৰ ভায়েকে ৰূপৰ মুদ্ৰা থকা বস্তাটো ললে আৰু সৰু ভায়েকক মাটিৰ চপৰা থকা বস্তাটো লবলৈ দিলে ।

সৰু ভায়েকে ভাবিলে এই বস্তাত মাটিৰ চপৰাবোৰ কিয় ৰাখিছে ? ইয়াকে ভাবি তেওঁ এটা চপৰা ভাঙি দেখে তাৰ ভিতৰত সোণৰ মুদ্ৰা আছে । এইদৰে সৰু ভায়েকে সোণৰ মুদ্ৰা থকা বস্তাটো পালে ।



অস্পৃশ্য

পবিত্ৰ গোদাবৰী নদীৰ পাৰত এজন সাধুৱে এটা কুটীৰ সাজি বাস কৰিছিল । ওচৰ পাজৰৰ গাঁৱৰ মানুহে তেওঁক খুব ভক্তি কৰিছিল । তেওঁলোকৰ মনত এইবুলি এটা গৰ্বভাব আছিল যে ইমান ডাঙৰ সাধু এজন তেওঁলোকৰ ওচৰত থাকে । সাধুৰ বাবে লাগতীয়াল বস্তুবোৰো তেওঁলোকেই যোগান ধৰিছিল ।

সাধুৱে ভাবিছিল যে তাৰ মানুহবোৰৰ হৃদয়ত মোৰ প্ৰতি আদৰ আৰু ভক্তি ভাব আছে, আৰু মই যি কও সেয়ে তেওঁলোকৰ বাবে বেদবাক্য। তেওঁ সদায় খুব ৰাতিপুৱাতে উঠি প্ৰাতঃকৃত্য সমাপন কৰি নদীত গাধুবলৈ গৈছিল । স্নান কাৰ্য্য সমাপ্ত কৰি নদীৰ ওচৰতে এটা ডাঙৰ শিলৰ ওপৰত বহি ধ্যানত নিমগ্ন হৈছিল । তেওঁ আগৰে পৰা সকলোকে কৈছিল যে ধ্যানত বহা সময়ত কোনেও যেন তেওঁৰ ধ্যান ভঙ্গ নকৰে ।

গাঁৱৰ মানুহবোৰেও তেওঁৰ কথা পালন কৰিছিল । কোনেও সেই ঠাইৰ ওচৰে-পাজৰে নগৈছিল । কোনোবাই ৰাতিপুৱা গাধুবলৈ গলেও সেই ঠাইৰ পৰা দূৰলৈ গৈ গাধুইছিল

এদিন খুব ৰাতিপুৱাই সাধুৱে স্নানকাৰ্য্য সমাপ্ত কৰি শিলৰ ওপৰত বহি ধ্যানত মগ্ন হৈছিল। সেই সময়ত কোনোবাই এই ফালে আহি নদীত জাপ মাৰি পৰাত সাধুৱে চক্‌খাই চকুমেলি চালে । তেওঁ দেখিলে এটা ল'ৰাই আনন্দ মনে গাধুই আছে । জোৰে জোৰে পানীত হাত ভৰি মাৰি থকা বাবে পানীৰ ছিটিকনি আহি সাধুৰ গাত পৰিছিল । সাধুৱে ক্ৰোধিত হৈ কবলৈ ধৰিলে “অস্পৃশ্য কৰবাৰ ! ইমান অহঙ্কাৰ ! দেখা নাই নে মই ধ্যানত মগ্ন হৈ আছো !”

নদীত সাতুৰি থকা ল'ৰাজনে গা ধোৱাত ইমানেই মতলীয়া হৈ আছিল যে তেওঁ সাধুৰ কথা ভ্ৰক্ষেপেই কৰা নাছিল । আচল কথা কবলৈ হলে সাঁতুৰি থাকোতে পানীৰ যি শব্দ হয় তাৰ বাবে সাধুৰ কথা ভালদৰে শুনা নাছিল ।

গাধোৱা শেষ হোৱাৰ পাছত যেতিয়া ল'ৰাজন পাৰলৈ আহিল, তেতিয়া সাধুৱে তাৰ ওচৰলৈ গৈ তাৰ গালত এটা চৰ মাৰি কলে

"চয়তান কৰবাৰ !"

সেই সময়তে এজন মানুহ দৌৰি আহি সাধুৰ পৰা অলপ নিলগত থিয় হৈ কবলৈ ধৰিলে "স্বামী, ক্ষমা কৰিব, তেওঁ মোৰ পত্নীৰ ভায়েক। তেওঁ অন্য এখন গাঁৱত থাকে। আপোনাৰ ধ্যান সম্পৰ্কে তেওঁ একো নাজানে। তেওঁক বিচাৰি নোপোৱা বাবেহে মই ইয়ালৈ দৌৰি দৌৰি আহিছো। কাৰণ তেওঁ সাঁতুৰি খুব ভাল পায়। সেয়েহে মই ইয়ালৈ বিচাৰি আহিছো। মোৰ অনুমানেই সঁচা প্ৰমাণিত হল, এওঁ ইয়াতে আছে। মনে মনে মোৰ এইটোও ভয় আছিল কিবা কাৰণত তেওঁ যেন আপোনাৰ ধ্যান ভঙ্গ নকৰে। মই আহি পোৱাত অলপ পলম হ'ল। ক্ষমা কৰিব।"

"এওঁ তোমাৰ খুলশালী ?"এইবুলি কৈ সাধু শান্ত হ'ল। সাধুৱে চিনি পাইছিল তেওঁৰ ওচৰলৈ অহা মানুহজন অস্পৃশ্য, গতিকে তেওঁ অনুমান কৰি ললে সেই ল'ৰাজনো অস্পৃশ্য, কাৰণ সি তেওঁৰ খুলশালী। সাধুৱে পুনৰ নদীত গৈ গাধুই আহিল।

ল'ৰজনে দূৰৰ পৰা সকলো চাই আছিল। সিওঁ নদীত জাপ মাৰি নামি গাধুবলৈ ধৰিলে। উঠি অহাৰ পাছত ভিনিহিয়েকে তাক সুধিলে, "তুমি পুনৰ কিয় গা ধোলা ?"

"স্বামীয়েও এবাৰ গা ধোৱাৰ পিছত মূৰত ভস্ম লৈছিল। পুনৰ তেওঁ কিয় নদীত গা ধুলে?" লৰাজনে সুধিলে।

"কিয়, তুমি পাহৰি গৈছা নেকি আমি অস্পৃশ্য। চৰটো মাৰোতে তেওঁ তোমাক স্পৰ্শ কৰিছিল, সেয়েহে তেওঁ পুনৰ গা ধুলে।" ভিনিহিয়েকে খুলশালীয়েকক বুজাই কলে।

"মোৰ গালত যেতিয়া তেওঁ চৰটো মৰিছিল তেতিয়া তেওঁক চয়তান যেন লাগিছিল। চয়তানোতো অস্পৃশ্য, সেয়েহে মই দ্বিতীয়বাৰ গা ধুই আহিলো।" ল'ৰাজনে কলে।

ল'ৰাজনৰ কথা শুনি সাধুৰ অনুমান হ'ল তেওঁৰ গালত যেন কোনোবাই খুব জোৰে এটা চৰমাৰিলে। কিছু সময় তেওঁ হতবাক হৈ ৰ'ল। পিছত ল'ৰাজনৰ ওচৰলৈ আহি কলে- "তুমি ঠিক কথাই কৈছা, চয়তানে মোৰ ওপৰত লম্ভিছিল, অহংকাৰ আৰু ক্ৰোধেও মোক বশীভূত কৰিছিল। অস্পৃশ্য তুমি নহয়, মই হে।" ইয়াকে কৈ সাধুৱে ল'ৰাজনক আকোৱালি ললে।



এটা বাক্য কজা ক'ৰক

ফটো নামকৰণ প্ৰতিযোগিতা

কেইটিমান শব্দেৰে এই ফটো দুখন নামকৰণ কৰিব পাৰিবানে?

সম্পূৰ্ণ নাম ঠিকনাসহ সাধাৰণ পোস্টকাৰ্ডত উত্তৰ লিখি পঠাবা।

ফটো নামকৰণ প্ৰতিযোগিতা, চান্দমামা,

৮২, (পুৰাতন ৯২), ডিফেন্স আফিসাৰ্স কলোনী, একাতু থাঙ্গাল, চেন্নাই - ৬০০ ০৯৭

এই মাহৰ ২০ তাৰিখৰ ভিতৰত উত্তৰ পাব লাগিব। বিজয়ী প্ৰতিযোগীক ১০০ টকা পুৰস্কাৰ দিয়া হব। পুৰস্কাৰ পাওতা জনৰ নাম অহা সংখ্যাত প্ৰকাশ কৰা হব!

অভিনন্দন

জানুৱাৰী সংখ্যাৰ পুৰস্কাৰ বিজয়ী

দীপেন ৰাজখোৱা

ডা : জে.পী. ৰোড্,

চান্দমাৰী

গুয়াহাটী - ৩. অসম

বিজয়ী বাক্য



বিদায় কালীন ২০০০

আদৰেৰে গৃহীত ২০০১

চান্দমামাৰ বছৰেকিয়া বৰঙনি

সাধাৰণ ডাকযোগে ভাৰতত ১২০.০০ টকা

Payment in favour of CHANDAMAMA INDIA LIMITED. For details address your enquires to:
New 82 (old 92), Defence Officers Colony, Ekkatuthangal, Chennai - 600 097.

CHANDAMAMA

IS GOING PLACES



You have read Vetala stories in Chandamama for the last 53 years

Now you can see

Vetala on the Net

And many more goodies from Chandamama

Visit

www.schoolnetindia.com

CHANDAMAMA (Assamese) MARCH 2001 Registrar of Newspapers, India RN30278/76